শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

▫ PRGI REGD. NO. (Title) : ASSASS01389

www.epaper.asombarta.in

▫ ষষ্ঠ বছৰ ▫ সংখ্যা - ১২৩ ▫ বৃহস্পতিবাৰ ▫ ১২ জুন ২০২৫ চন ▫ ২৮ জেঠ, ১৯৪৭ শক ▫ VOL - 6 ▫ NO.- 123 ▫ Thursday ▫ 12th June, 2025 ▫ মূল্য ঃ ১০.০০ টকা ▫ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক




ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

### দেশত সক্ৰিয় ক'ভিড-১৯ ৰোগীৰ ৭ হাজাৰৰ সীমা অতিক্ৰম

## ক'ভিডৰ আতংক; মোদীক সাক্ষাৎ কৰিবলৈ বাধ্যতামূলক আৰটি-পিচিআৰ পৰীক্ষা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** দেশত সক্ৰিয় ক'ভিড-১৯ ৰোগীয়ে আজি ৭ হাজাৰৰ সীমা অতিক্ৰম কৰাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰা মন্ত্ৰীসকলৰ বাবে আৰটি-পিচিআৰ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। বুধবাৰে সন্ধিয়া প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰিবলগীয়া দিল্লীৰ মুখ্যমন্ত্ৰী, সাতজন সাংসদ, আৰু বিধায়কক ধৰি প্ৰায় ৭০জন বিজেপিৰ কাৰ্যকৰ্তাৰ আৰ টি-পিচিআৰ পৰীক্ষা কৰা হ'ব বুলি সূত্ৰই প্ৰকাশ কৰিছে। দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিৰ বিজয়ৰ পাছতেই প্ৰধানমন্ত্ৰী মোদীয়ে সন্ধিয়া ৭: ৩০ বজাত নিশাৰ আহাৰ গ্ৰহণৰ বাবে সকলো ৰাজ্যিক দলৰ নেতাক ■ ৭ পৃষ্ঠাত



## অৰুণাচলত চতুৰ্থ ভাষা হ'ব অসমীয়া !

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, যোৰহাটঃ** অসম সাহিত্য সভাৰ নতুন সমিতিখনে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অসমীয়া ভাষাক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাইছে। বিশেষকৈ সভাপতি বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত অসম সাহিত্য সভাই অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ অংশ হিচাপে এইবাৰ অসম সাহিত্য সভাই লৈছে এক আকৰ্ষণীয় পদক্ষেপ। বিশেষকৈ চুবুৰীয়া ৰাজ্যত অসমীয়া ভাষাৰ প্ৰচাৰৰ বাবে সাহিত্য সভাই উক্ত ৰাজ্যসমূহৰ চৰকাৰৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত ■ ৭ পৃষ্ঠাত

## ভাৰতবৰ্ষত ১৪৬ কোটি লোকলৈ বৃদ্ধি পালে জনসংখ্যা

# জনবিস্ফোৰণ

## চীনক অতিক্ৰম ভাৰতৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** জন বিস্ফোৰণৰ সমস্যা বিশ্বৰ ভাৰসাম্য ৰক্ষাৰ প্ৰতি অন্যতম গুৰুতৰ ভাবুকি বুলি বিবেচিত হৈ অহাৰ সময়তে ৰাষ্ট্ৰসংঘৰ এটা সংস্থাই প্ৰকাশ কৰিছে পৃথিৱীৰ জনসংখ্যা হ্ৰাস পোৱাৰ তথ্য। ৰাষ্ট্ৰসংঘৰ 'জনসংখ্যা ন্যাস' (ইউ এন এফ পি এ)ৰ মতে বিশ্বৰ সৰ্বাধিক জনবহুল দেশ চীনত জনসংখ্যা এনেধৰণে হ্ৰাস পাইছে যে, চলিত বছৰতে দেশখনে বৰ্তমানৰ 'খিতাপ' হেৰুৱাব আৰু বিশ্বৰ সৰ্বাধিক জনবহুল দেশৰ স্থান দখল কৰিব ভাৰতে। বৰ্তমান সময়ত দেশৰ জনসংখ্যা বৃদ্ধি পাইছে ১৪৬ কোটিলৈ। ■ ৭ পৃষ্ঠাত



### এতিয়া আৰু বিটিচিত যাদুৰ লাঠী নচলে -প্ৰমোদ বড়ো

## আজিৰ তাৰিখত নিৰ্বাচন হ'লে পৰাজিত হ'ব হাগ্ৰামা মহিলাৰী !




**অসম বাৰ্তা, বৰমা, ১১ জুন ঃ** বিটিচিত ৰাষ্ট্ৰীয় দলৰ আগ্ৰাসন বুলি ক'ব নোখোজে প্ৰমোদ বড়োৱে। বিটিআৰত সকলো দলেই ৰাজনীতি কৰি আছে, কোনো ৰাজনৈতিক দলক আমি লক্ষ্মণ ৰেখা টানি দিব নোৱাৰো। এই মন্তব্য বিটিচি প্ৰধান প্ৰমোদ বড়োৰ। আজি বৰমাৰ নিকটৱৰ্তী খাৰুৱাজান আই টি পাৰ্কত ■ ৭ পৃষ্ঠাত

## আহমেদাবাদত অসমৰ যুৱতীৰ ৰহস্যজনক মৃত্যু



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১১ জুন ঃ** পুনৰ বহিঃৰাজ্যত অসমৰ যুৱতীৰ ৰহস্যজনত মৃত্যু। আহমেদাবাদত মৃত্যু নাজিৰাৰ শিৱালী কাশ্যপৰ। অতি ৰহস্যজনক অৱস্থাত ২৪ বছৰীয়া যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। যাৰ বাবে এয়া হত্যা হ'ব পাৰে বুলি সন্দেহ কৰিছে একাংশই। অভিযোগ অনুসৰি, ১০ জুনৰ নিশা অট্টালিকাৰ ছাদৰ পৰা পৰি মৃত্যুক সাবটি লয় যুৱতীগৰাকীয়ে। ইফালে ঘটনা সন্দৰ্ভত পৰিয়ালে অভিযোগ কৰিছে যে, শিৱালীৰ প্ৰেমিকে সৌৰভ পুৰোহিতে এই কাণ্ডত জড়িত আছে। পৰিয়ালৰ মতে, ঘটনাৰ নিশা প্ৰায় ১২.৩০ বজালৈকে শিৱালীয়ে মাতৃৰ সৈতে ■ ৭ পৃষ্ঠাত

### '২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে মুকলিৰ দাবী

## আজিও মুকলি নহ'ল ৩০০ কোটি টকীয়া গোলাঘাটৰ দেশৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় আগৰ বাণিজ্য কেন্দ্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ জুন ঃ** গ্ৰাম্য অৰ্থনীতিত বিশেষ বৰঙনি আগবঢ়াই উজনি অসমৰ গ্ৰামাঞ্চলৰ সাঁচি খেতিয়কসকলক উপকৃত কৰি মধ্যভোগীৰ হাতোৰাৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে গোলাঘাটৰ ডাবিডুবিত আন্তঃৰাষ্ট্ৰীয় আগৰ বাণিজ্য কেন্দ্ৰ নিৰ্মাণ কৰা হ'ল ঠিকেই, ■ ৭ পৃষ্ঠাত

## দৰঙৰ খটৰা সত্ৰ দৰ্শন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**অসম বাৰ্তা, পাথৰিঘাট, ১১ জুন ঃ** ৰাজ্যৰ অন্যতম ঐতিহাসিক ৪৫৬ বছৰীয়া খটৰা সত্ৰ দৰ্শনৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয়। ১৫৬৮ খ্ৰীষ্টাব্দত স্থাপন হোৱা অগণন ভক্তৰ সেৱাৰ স্থলী জাতি-জনগোষ্ঠী, শাক্ত-বৈষ্ণৱৰ মিলন ভূমি ■ ৭ পৃষ্ঠাত



# আজাৰাৰ পৰা চেন্নাই অভিমুখী মালবাহী ৰেলেৰে সৰবৰাহ কৰা চোৰাং কাঠ, বাৰ্মিজ চুপাৰী আৰু ভাং জব্দ

**আজাৰা, ১০ জুন ঃ** উত্তৰ পূব সীমান্ত ৰেলৱেৰ অধীনৰ বিভিন্ন ৰেলৱে ষ্টেচনৰ পৰা মালবাহী ৰেলেৰে বহিঃৰাজ্যলৈ চোৰাং কাঠ, বাৰ্মিজ চুপাৰীসহ নিষিদ্ধ আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ হৈ থকা বুলি উঠা অভিযোগৰ মাজতেই শেহতীয়াকৈ পশ্চিমবংগৰ নিউ জলপাইগুৰি ৰেলৱে ষ্টেচনত গুৱাহাটীৰ আজাৰা ৰেলৱে ষ্টেচনৰ পৰা চেন্নাইৰ কোজিকোদী ৰেলৱে ষ্টেচনৰ মাজত চলাচল কৰা মালবাহী ৰেলৰ দবাত ৰেলৱে সুৰক্ষা বাহিনী ( আৰ পি এফ ) আৰু চৰকাৰী ৰেলৱে আৰক্ষী ( জি আৰ পি) বাহিনীয়ে চলোৱা যৌথ অভিযানত কেবা কোটি টকা মূল্যৰ মূল্যবান চোৰাং চেগুণ কাঠ, বাৰ্মিজ চুপাৰী, ভাং জব্দ কৰা ঘটনাই ৰেল বিভাগৰ ভিতৰচৰাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যিখন মালবাহী ৰেলৰ দবাত চোৰাং সামগ্ৰীখিনী ধৰা পৰিছিল, সেই ৰেলখন নতুন দিল্লীৰ এ ভি জি লজিষ্টিক নামৰ প্ৰতিষ্ঠান এটাই ৰেলৱে বৰ্ডৰ পৰা লীজ ভিত্তিত ( ৰেল নং: ০০৬৫৯০০৬৬০ ) ভাড়াত লৈছিল। লীজৰ চুক্তি অনুসৰি ২১ টা দবাযুক্ত ৰেলখন গুৱাহাটীৰ আজাৰা ৰেলৱে ষ্টেচনৰ পৰা চেন্নাইৰ কোজিকদী ৰেলৱে ষ্টেচনৰ মাজত মাহেকত চাৰিবাৰ অৰ্থাৎ সপ্তাহত এবাৰকৈ চলাচল কৰে। কিন্তু নিউ জলপাইগুৰি ৰেলৱে ষ্টেচনত ৪ জুনৰ দিনা বিয়লি আৰ পি এফ আৰু জি আৰ পি বাহিনীয়ে চলোৱা যৌথ অভিযানত ৰেলখনৰ ৭ টা দবাত চেগুণ কাঠ, বাৰ্মিজ চুপাৰী আৰু ভাং জব্দ হোৱাৰ পাছত নিশ্চিতভাবে আজাৰা ৰেলৱে ষ্টেচনত মালবাহী ৰেলৰ সামগ্ৰী উঠোৱা - নমোৱা কৰা য়াৰ্ডৰ দায়িত্বত থকা উত্তৰ পূব সীমান্ত ৰেলৱেৰ বাণিজ্যিক বিভাগৰ কোনো বিষয়া - কৰ্মচাৰী জড়িত হৈ থকাটো ওলাই পৰিছে। জানিব পৰা মতে মালবাহী ৰেলখনত সামগ্ৰী সৰবৰাহৰ বিপৰীতে থকা মেনুফেষ্টোখনত মহ খেদা কাৰ্যত ব্যৱহৃত অল আউট সৰবৰাহ কৰা বুলিহে লিপিবদ্ধ কৰা হৈছিল। সেই সামগ্ৰীখিনী ৩ জুনত ৰেলখনত সৰবৰাহ কৰাৰ বাবে বুক কৰা হৈছিল। ইফালে ৰেল বিভাগৰ সামগ্ৰী সৰবৰাহ কৰা কাৰ্য তদাৰক কৰাৰ বাবে আজাৰা ৰেলৱে ষ্টেচনত য়াৰ্ডত কেবাজনো বাণিজ্যিক পৰিদৰ্শকৰ লগতে নিয়োজিত হৈ আছে দুজনকৈ বাণিজ্যিক অধীক্ষক। বাণিজ্যিক অধীক্ষকে মেনুফেষ্টৰ বিপৰীতে সামগ্ৰী ঠিকমতে দবাত উঠিছে নে নাই তাক চূড়ান্ত নিৰীক্ষণৰ পাছতহে যাবতীয় নথিপত্ৰত স্বাক্ষৰ কৰাৰ পাছতহে ৰেলখন নিৰ্দিষ্ট গন্তব্য স্থানলৈ যাত্ৰা আৰম্ভ কৰে। আনকি মালবাহী ৰেলখন কোনটো ষ্টেচনত ৰব তাকো নিৰ্দিষ্ট কৰা থাকে । গতিকে নিউ জলপাইগুৰি ৰেলৱে ষ্টেচনত জব্দ কৰা সামগ্ৰীখিনি সৰবৰাহত যে আজাৰা ৰেলৱে ষ্টেচনৰ বাণিজ্যিক বিভাগৰ কোনো বিষয়া - কৰ্মচাৰী যে জড়িত হৈ আছে সেয়া নিশ্চিত। এক কথাত কবলৈ হলে আজাৰা ৰেলৱে ষ্টেচনটো চোৰাং আৰু নিষিদ্ধ সামগ্ৰী সৰবৰাহৰ ঘাটিত পৰিণত হৈছে নেকি তাক লৈয়ো চৰ্চা চলিছে। আনকি নিউ জলপাইগুৰি ৰেলৱে ষ্টেচনত চলোৱা অভিযানৰ মাজতেই ৰেলখনৰ চালক আৰু গাৰ্ড পলায়ন কৰা ঘটনায়ো ৰহস্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি উত্তৰ পূব সীমান্ত ৰেলৱেৰ অসমৰ লখিমপুৰ জিলাৰ হাৰমতি , বৰাক উপত্যকাৰ মিজোৰাম সীমান্তবৰ্তী ভৈৰবী আৰু অৰুণাচল প্ৰদেশৰ নাহৰলগুণ ৰেলৱে ষ্টেচনতৰ পৰাহে কাঠ সৰবৰাহ কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। তাকো বন বিভাগৰ বিষয়াৰ উপস্থিতিত নিৰ্দিষ্ট নীতি নিয়মৰ মাজেৰে বহিঃৰাজ্যলৈ ৰেলৰ দবাত কাঠ সৰবৰাহ কৰিব পাৰে। কিন্তু যিহেতু ৰেলখন আজাৰা ৰেলৱে ষ্টেচনৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল, গতিকে নিউ জলপাইগুৰি ৰেলৱে ষ্টেচনত জব্দ কৰা সামগ্ৰীখিনি আজাৰা ৰেলৱে ষ্টেচনৰ পৰা সৰবৰাহ কৰাটো নিশ্চিত হৈছে । অভিযোগ মতে আজাৰা ৰেলৱে ষ্টেচনৰ বাণিজ্যিক বিভাগৰ অধীক্ষককে ধৰি একাংশ বিষয়া - কৰ্মচাৰীৰ ওপৰত উত্তৰ পূব সীমান্ত ৰেলৱেৰ প্ৰধান মুখ্য বাণিজ্যিক প্ৰবন্ধককে ধৰি বিভাগটোৰ কোনো শীৰ্ষ বিষয়াৰ আশীৰ্বাদ আছে। কিয়নো বিগত বৰ্ষৰ জুন মাহৰ পৰা আজাৰা ৰেলৱে ষ্টেচনৰ সামগ্ৰী সৰবৰাহ কৰা য়াৰ্ডৰ পৰা সংগ্ৰহীত ৰাজহৰ পৰিমাণ পূৰ্বৰ তুলনাত কমি যোৱা স্বত্বেও বিভাগটোৱে ৰাজহ কিয় কমিছে তাক নিৰীক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা নাই ।



## জাঁজীত ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ণ প্ৰাধিকৰণলৈ ৰাইজৰ আহ্বান
# চিকিৎসালয়লৈ অহা-যোৱা কৰা পথ বন্ধ নকৰিব

**অসম বাৰ্তা, জাঁজী, ১০ জুন ঃ** শিৱসাগৰ জিলাৰ জাঁজীত স্থানীয় ৰাইজে অঞ্চলটোৰ একমাত্ৰ চিকিৎসালয়খনলৈ অহা যোৱা কৰাৰ সুচল পথটো বন্ধ নকৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ প্ৰতি আহ্বান জনাই পথৰ কাষত বেনাৰ আঁৰে। উল্লেখযোগ্য যে, যোৰহাট আৰু শিৱসাগৰ জিলাৰ সীমাৰ জাঁজী নদীৰ পাৰত ঐতিহাসিক মাছখোৱা গড়ৰ কাষত অৱস্থিত, ইতিমধ্যেই শতবৰ্ষ অতিক্ৰম কৰা জাঁজী সহায়কাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ যাতায়তৰ বাবে নিৰ্মীয়মান চাৰিলেনযুক্ত ঘাইপথৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে ৰাইজৰ দাবীত কিছুদিনৰ পূৰ্বে এটা পথ নিৰ্মাণ কৰিছিল। ইয়াৰ পূৰ্বে চাৰিলেনযুক্ত পথ নিৰ্মানৰ নামত এনএইচআইডিচিএল কৰ্তৃপক্ষই পূৰ্বে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চিকিৎসালয় খনলৈ যাতায়তৰ বাবে থকা পকী খটখটী ভাঙি পেলোৱাত পৰা মাত্ৰ ২০ মিটাৰ দুৰত্বত থকা স্বাস্থ্য কেন্দ্ৰটোলৈ ৰোগী সকলে প্ৰায় এককিলোমিটাৰৰো অধিক পথ বাটকুৰি বাব লগা হৈছিল। উল্লেখ যোগ্য যে, খটখটী টোৰ যোগেদি ৰোগী সকলৰ লগতে দেওবৰীয়া সাপ্তাহিক বজাৰ, বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান আৰু স্বৰ্গীয় বিমান চন্দ্ৰ গগৈ সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহলৈ জনসাধাৰণ অহাযোৱাৰ সুচল হৈছিল। ইতিমধ্যে উক্ত স্থানত এখন উৰণীয়া সেতুও নিৰ্মাণ কৰা হল। দেশৰ স্বাধীনতাৰ বহুপূৰ্বেই স্থাপিত জাঁজী সহায়কাৰী প্ৰাথমিক চিকিৎসালয় খন যোৰহাট আৰু শিৱসাগৰ জিলাৰ শিমলুগুৰি, লাহিং,জকাইচুক, ম'ৰাবজাৰ আৰু গধূলিবজাৰ মৌজাৰ প্ৰাথমিক চিকিৎসাৰ স্থলী । পূৰ্বে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যানবাহনৰ পৰা নামি মাত্ৰ ৩০ মিটাৰ খোজকাঢ়ি ৰোগী সকল স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হব পাৰিছিল যদিও এতিয়া ৰোগী সকলে ৰাষ্ট্ৰীয় পথৰ পৰা অট', বা বেটেৰী ৰিক্সা ভাড়া কৰি চিকিৎসালয়লৈ যাব লগা হৈছে। কিছুদিনৰ পূৰ্বে স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই এনএইচআইডিচিএলে চিকিৎসালয় খনলৈ যাতায়তৰ বাবে এটা উপপথ নিৰ্মাণ কৰি দিছিল যদিও শেহতীয়া ভাবে উক্ত পথটোত স্থায়ী বেৰিকেড স্থাপন কৰি পথটো বন্ধ কৰি দিয়াৰ প্ৰস্তুতি চলাইছে ঘাইপথ উন্নয়ণ প্ৰাধিকৰণে। এই কথাত এতিয়া জাঙুৰখাই উঠিছে স্থানীয় ৰাইজ। যোৱা ৭ জুনত স্থানীয় ৰাইজে "চিকিৎসালয়লৈ অহাযোৱা কৰা পথ বন্ধ নকৰিব" শীৰ্ষক আহ্বানৰে বেনাৰ আঁৰিছে পথটো মুকলি কৰি ৰখাৰ বাবে।

## নিতাইপুখুৰী-ভীমদেউৰী পথ নিৰ্মাণত আসোঁৱাহ
# ছয় মাহ নৌহওঁতেই পথৰ অংশত পানী জমা

**অসম বাৰ্তা ডিমৌ, ১০ জুন ঃ** ডিমৌ সম-জিলাৰ অন্তৰ্গত ৯৫ নং ডিমৌ বিধানসভা সমষ্টিৰ এক পিছপৰা আৰু জনজাতীয় লোকৰ প্ৰধান বসতিস্থল নিতাই-পানীদিহিঙলৈ যোৱা একমাত্ৰ সুচল পথ—নিতাইপুখুৰী চাৰিআলিৰ পৰা বামৰজাবাৰী হৈ ভীমবৰ দেউৰীৰ নামত নামাকৰণ কৰা ভীমদেউৰী পথ—বিগত কেইমাহৰ ভিতৰতে বিধ্বস্ত দিশলৈ ধাৱমান হোৱাৰ অভিযোগ উত্থাপন হৈছে। জনসাধাৰণৰ বহু বছৰৰ দাবী আৰু যাতায়তৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় বিধায়কে উদ্যোগ লৈ এই পথছোৱাৰ উন্নয়নৰ বাবে বৃহৎ ধনৰ পুঁজি মঞ্জুৰ কৰাইছিল। 'ব্লক' ইটাৰে পথ নিৰ্মাণ আৰম্ভ হোৱাৰ পাছত কিছু অংশত কাম সমাপ্তিও হৈছিল। কিন্তু, শেহতীয়াকৈ পথছোৱা এটা অংশ পানীত তললৈ বহি যোৱাটো স্থানীয় ৰাইজৰ মাজত চিন্তাৰ বিষয় হৈ পৰিছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, পথ ছোৱাত যি পকী নলা নিৰ্মাণ কৰা হৈছে, সেইটো বিজ্ঞানসম্মতভাৱে নোহোৱাত বৰষুণৰ পানী নিষ্কাশন হোৱাৰ পথ নাপাই পথতে জমা হৈ পৰিছে। ফলস্বৰূপে, পথৰ এটা অংশত এতিয়া জলাবদ্ধতা পৰিলক্ষিত হৈছে, যি সৰু-সুৰা গাড়ী-পথচাৰী, পোহনীয়া জীৱ জন্তুৰ বাবে বিপদজ্জনক হোৱাৰ আশংকা দেখা দিছে। বিশেষকৈ নিৰ্মাণ সমাপ্ত হোৱাৰ ছয় মাহও নৌহওঁতেই এনে নিম্ন মানদণ্ডৰ কামৰ অৱস্থা দেখা পোৱাটো ঠিকাদাৰ, অভিযন্তা আৰু বিভাগীয় কৰ্তৃপক্ষৰ কৰ্তব্যত উদাসীনতাৰ স্পষ্ট প্ৰমাণ হিচাপে গণ্য কৰা হৈছে। ৰাইজৰ মতে, কাম চলি থকাৰ সময়তে ঠিকাদাৰক তদাৰকিৰ বাবে নিৰ্দিষ্ট অভিযন্তা থাকিলেও, কোনো প্ৰকৃত পৰ্যবেক্ষণ নোহোৱাকৈ বিল প্ৰস্তুত কৰি তোলাটো এক গভীৰ অনিয়ম।ঞ্জঞ্জ এই ক্ষেত্ৰত ৰাইজে স্থানীয় বিধায়কক অৱগত কৰিও যথোচিত ব্যৱস্থা গ্ৰহণ নোহোৱাৰ ফলত ক্ষোভ আৰু হতাশা প্ৰকাশ কৰিছে। চৰকাৰে তথা স্থানীয় বিধায়কে কেৱল ঠিকাদাৰক কাম দিবলৈকে নিজৰ দায়িত্ব সম্পূৰ্ণ বুলি ধৰি লোৱাটো জনতাৰ প্ৰতি অৱহেলা বুলি স্থানীয় ভুক্তভোগী ৰাইজে মন্তব্য কৰিছে। উল্লেখযোগ্য যে, পথ ব্যৱস্থা কেৱল যাতায়তৰ বাবে নহয়, ই অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ মুল আধাৰ। যদি পথ নিৰ্মাণ সমাপ্ত হোৱাৰ পূৰ্বেই এনে ভগ্ন তথা বিধ্বস্ত অৱস্থা দেখা দিয়ে, তেন্তে আগন্তুক দিনত বৃহৎ ক্ষতি সম্ভৱ। সেয়ে নিতাইপুখুৰী-ভীমদেউৰী পথছোৱা যাতে অধিকাংশ অংশত নষ্ট নহয় আৰু সুদীৰ্ঘস্থায়ী হয়, তাৰ বাবে নিৰ্মাণ সংস্থাক দায়িত্বজ্ঞানভাৱে কাম কৰাৰ লগতে চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষক ক্ষেত্ৰত গৈ সমীক্ষা তথা পৰীক্ষণ কৰি যথাযথ পদক্ষেপ গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# মাজুলী ঔড়ুবিত বিশ্ব পৰিৱেশ দিৱস পালন

**উজনী মাজুলী, ১০ জুন ঃ** মাজুলী জিলাৰ ঔড়ুবি আটী গাওঁ প্ৰজ্ঞান পুথিভঁৰালৰ সৌজন্যত আৰু ঔড়ুবি আটি প্ৰাথমিক বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস পালন কৰে। 'আয়াং ট্ৰাষ্ট'ৰ উদ্যোগত ঔড়ুবিআটী গাৱত ২০২৩ চনত স্থাপিত পুথিভঁৰালটিয়ে ভিন্ন সময়ত শিশুসকলৰ সৰ্বাংগীণ উকৰ্ষ সাধনৰ হেতু ভিন্ন কাৰ্যক্ৰম অনুস্থিত কৰি আহিছে । ৫ জুনত দিনজোৰা কাৰ্যসুচীৰে উদযাপিত হোৱা বিশ্ব পৰিৱেশ দিৱসত পুৱাৰ ভাগত বন্তি প্ৰজ্বলন আৰু পৰিৱেশ নিকাকৰণেৰে আৰম্ভ হয় । বৃক্ষ ৰোপণ কৰে ৰীণা শইকীয়াই । 'ক' আৰু 'খ' শাখাত অনুস্থিত হোৱা চিত্ৰাংকন প্ৰতিযোগীতাত প্ৰতিবেশী বিদ্যালয়সমূহ আৰু বিভিন্ন মইনা পাৰিজাতৰ পৰা শতাধিক শিশোৱে অংশগ্ৰহণ কৰে । ঔড়ুবি আটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চিদাম চন্দ্ৰ বৰাই সভাপতিত্ব কৰা মুকলি সভাত উপেন চন্দ্ৰ বৰা, তীৰ্থনাথ শইকীয়া, লক্ষী ৰাজখোৱা, সোমধৰ ৰাজখোৱা, বিতুল বৰা আৰু বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকি পৰিৱেশ সজাগতামুলক বক্তব্য আগবঢ়ায়। অলিন হাজৰিকাই চৰকাৰী পক্ষৰ দৃষ্টি আকৰ্ষণ কৰি পাষ্টিক জাতীয় সামগ্ৰী উৎপাদন কৰা কোম্পানী সমূহ চৰকাৰে বন্ধ কৰাৰ বাবে দাবী তোলে। শিশুৰ বাৰেৰহণীয়া অনুষ্ঠানত সমবেত সংগীত, কবিতা আবৃত্তি ,বক্তৃতা, নৃত্য-গীতত অৰ্ধশতাধিক শিশোৱে অংশ লয় । মাধুৰ্য শইকীয়াৰ ৰচনাৰে পৰিৱেশ সজাগতামুলক একাংক নাটক 'সেউজ আশা' প্ৰদৰ্শিত হয়। প্ৰজ্ঞান পুথিভঁৰাল পৰিচালনা কমিটিৰ হৈ পংকজ শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়। জাতীয় সংগীত পৰিৱেশনেৰে কাৰ্যসুচী অন্ত পৰে।.

# ডিব্ৰুগড়ৰ সাংস্কৃতিক মহাসভাৰ জিলা সমিতিৰ বৈঠক সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ জুন ঃ** ৭ জুন তাৰিখে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৰাজগড়স্থিত ৰাজগড় কনিষ্ঠ মহাবিদ্যালয়ত সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয় বুলি উপ সভাপতি মৃদুল শৰ্মাই জানিবলৈ দিয়ে। সভাৰ আৰম্ভণিতে সঙ্গীত শিল্পী ঘন কান্ত ভূএগ্ৰাই পৰিৱেশন কৰে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ এটি কাল জয়ী গীত । জিলা সমিতিৰ সভাপতি প্ৰমোদ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত সকলৰ ভিতৰত সাংস্কৃতিক মহাসভা, অসমৰ কাৰ্যকৰী সভাপতি বিনোদ কুমাৰ বৰা, মহাসভাৰ সন্মানীয় সদস্য ভূপেন শইকীয়া, কেন্দ্ৰীয় সমিতিৰ মনোনীত সদস্যা বিবি বৰা, জিলা সমিতিৰ উপ সভাপতি ক্ৰমে মৃদুল শৰ্মা অৰুণ কৃষ্ণ বৰা, বিশিষ্ট কবি ৰুদ্ৰ গগৈ, প্ৰাক্তন উপ সভাপতি ঘন কান্ত ভূএগ্ৰা, ডিব্ৰুগড় সদৰ আঞ্চলিকৰ সভাপতি দিলীপ দাস, সম্পাদক চন্দন জ্যোতি কলিতা, ৰাজগড় আঞ্চলিকৰ উপ সভাপতি বীৰেন গগৈ, মহাসভাৰ বঁটা প্ৰাপক মাচুম খান দুৰানি,ভূপেন সোণোৱাল, জিলাখনৰ এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মী মামণি দত্ত ৰাজখোৱা উপস্থিত থাকে। জিলা সম্পাদক শান্তনু তামুলীয়ে আঁতধৰা সভাৰ কাৰ্য্যসূচী অনুসৰি জিলা সমিতিখনৰ কামকাজ সমূহ স্থবিৰ হোৱাৰ ওপৰত বিশেষ ভাৱে আলোচনা কৰাৰ লগতে জিলা সমিতিখন অধিক সক্ৰিয় তথা গতিশীল কৰাৰ বাবে ভিন্ন জনে পৰামৰ্শ আগবঢ়ায়। সভাত কাৰ্যকৰী সভাপতি বিনোদ কুমাৰ বৰাই অলপতে গোৱালপাৰা জিলাত অনুষ্ঠিত সাংস্কৃতিক মহাসভা, অসমৰ মধ্যকালীন অধিবেশনত মহাসভাই গ্ৰহণ কৰা সিদ্ধান্ত সমূহৰ বিষয়ে অৱগত কৰে আৰু জিলা সভাই কৰিব লগা কামৰ ওপৰত আলোকপাত কৰে। এই সভাত নৱ গঠিত লেজাই কলাখোৱা আঞ্চলিক সমিতিক জিলা সমিতিয়ে অনুমোদন জনোৱাৰ লগতে , নতুন আঞ্চলিক সমিতি গঠন কৰা আৰু জিলাখনক অধিক সক্ৰিয় কৰাৰ বাবে সাত জনীয়া সদস্যৰে এখন কৰ্মনিৰ্ধাৰণ সমিতি গঠন কৰা হয়। ৰুদ্ৰ গগৈক কৰ্ম নিৰ্দ্ধাৰণ সমিতিৰ সভাপতি মনোনীত কৰা হয় । সভাত অনান্য বিষয়ৰ লগতে জিলা সমিতিৰ মাধপুৰত অৱস্থিত জিলা কাৰ্যালডয়টো পূৰ্ণ নিৰ্মাণ কৰা, কাৰ্য্যালয়টো কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যলয় হিচাবে ব্যৱহাৰ কৰাৰ ওপৰত আলোচনা কৰা হয়। সভাই মহাসভাৰ সদস্য ভৰ্তিকৰণৰ ওপৰতো বিস্তৃতভাৱে আলোচনা কৰে । সভাত গ্ৰহণ কৰা বিভিন্ন প্ৰস্তাৱ আৰু কাৰ্যবিৱৰণী কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## লাহৰীঘাটৰ বৰখাবল গাঁৱত "ইনচান ড্ৰাগছ ডিষ্ট্ৰীবিউটৰ"ৰ স্বত্বাধিকাৰী ইনচান হুছেইনক গ্ৰেপ্তাৰ

### ড্ৰাগছ ডিজিট্ৰিবিউটৰ খুলি ইনচানে ডিজিটেল এৰেষ্টৰ জাল পেলাই লুটিছিল ৩ কোটি ৯ লাখ

**অসম বাৰ্তা ভূৰাগাঁও, ১০ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বৰখাবল গাঁৱৰ এটা দুধৰ্ষ চাইবাৰ অপৰাধী যোৱা নিশা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় মৰিগাঁও আৰক্ষী। ধৃত চাইবাৰ অপৰাধীটো ২০২৪ চনৰ ছেপ্তেম্বৰ মাহৰ পৰাই পলাতক অৱস্হাত আছিল। অপৰাধী টোৰ নাম ইনচান হুছেইন (৩৪)। ইনচান হুছেইনে লাহৰীঘাট থানাৰ অন্তৰ্গত বৰখাবল গাঁৱত """" "INSUN Drugs Dristributor" নামেৰে এটি ব্যৱসায় প্ৰতিষ্ঠান খুলি দোকানৰ পৰাই এটা চাইবাৰ চক্ৰৰ সৈতে মিলিত হৈ



ডিজিটেল এৰেষ্টৰ জাল পেলাই বিভিন্ন উৎসৰ পৰা নিজৰ পাঞ্জাৱ নেছনেল বেঙ্কৰ একাউণ্টৰ জৰিয়তে সংগ্ৰহ কৰিছিল ৩ কোটি ৯ লাখ টকা। ডিজিটেল এৰেষ্ট চক্ৰ টোৰ মাষ্টাৰ মাইণ্ড ইনচান হুছেইন ২০২৪ চনৰ ছেপ্তেম্বৰ মাহতে অন্তৰ্ধান হৈছিল। চাইবাৰ চক্ৰ টোৰ ডিজিটেল এৰেষ্টৰ প্ৰৱঞ্চনাৰ জালত পৰি কেবাজনো লোক সৰ্বস্বান্ত হৈছিল। মৰিগাঁও আৰক্ষীয়ে লাভ কৰা এনে ডিজিটেল এৰেষ্টৰ এটি অভিযোগৰ ভিত্তিত তদন্ত আৰম্ভ কৰোতেই লাভ কৰিছিল ইনচান হুছেইনৰ বেঙ্ক একাউণ্টৰ সবিশেষ। সেই অভিযোগৰ ভিত্তিত কেবাটাও প্ৰৱঞ্চক মৰিগাঁও আৰক্ষীৰ জালত পৰি জেল হাজোতত জীৱন অতিবাহিত কৰিব লগা হয় যদিও ডিজিটেল এৰেষ্ট চক্ৰ টোৰ মাষ্টাৰ মাইণ্ড ইনচান হুছেইনে পলায়ন কৰিছিল। ২০২৪ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ইনচান হুছেইনৰ সন্ধান অব্যাহত ৰাখিছিল মৰিগাঁও আৰক্ষীয়ে। যোৱা নিশা মৰিগাঁও আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে এক গোপন সূত্ৰৰ পম খেদি ইনচান হুছেইনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই জনোৱা মতে এই চক্ৰ টোৰ কেবাটাও চাইবাৰ অপৰাধী ইতিপূৰ্বে গ্ৰেপ্তাৰ হৈছে যদিও ইনচান হুছেইন পলাতক অৱস্হাত আছিল। সম্প্ৰতি লাহৰীঘাট থানাৰ গোছৰ নং 112/25 ত বি এন এছ 318(4),319 (2), 336(3), 340 (2), and 61(2) ধাৰাত এটি গোছৰ পঞ্জিয়ন কৰি মৰিগাঁও আৰক্ষীয়ে মাৰথন জেৰা চলাইছে ইনচান হুছেইনক। উল্লেখ্য যে লাহৰীঘাট, মৈৰাবাৰী আদি অঞ্চলত একাংশ চাইবাৰ অপৰাধীয়ে মানুহক দেখুৱাই এটা ব্যৱসায় প্ৰতিষ্ঠান খুলি চাইবাৰ অপৰাধ চলাই গৈছে। তাৰেই জলন্ত নিদৰ্শন ধৃত ইনচান হুছেইন।

### ছবিয়েই জীৱন চিত্ৰাংকণ বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন
# দুখনকৈ চিত্ৰাংকণ বিদ্যালয় স্থাপন কৰি চিত্ৰকলাৰ দিশটো আগবঢ়াই নিয়াৰ প্ৰয়াস শুভাশীষ পঞ্চাননৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদাম মুঢ়ানি গাঁৱত থকা মুঢ়ানি উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দিনযোৰাকৈ অনুষ্ঠিত হয় ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা,বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু মুকলি সভা।যোৱা বৰ্ষত বিদ্যালয়খনত প্ৰতিষ্ঠা লাভ কৰা ছবিয়েই জীৱন চিত্ৰাংকণ বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু ২০২৪-২৫ বৰ্ষৰ চিত্ৰাংকণ বিদ্যালয়খনৰ ফলাফল ঘোষণা আৰু প্ৰাপ্ত নম্বৰৰ পত্ৰ বিতৰণ শীৰ্ষক কাৰ্যসূচীৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানত শতাধিক ছাত্ৰ- ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।চিত্ৰাংকণ প্ৰতিযোগিতাত "ক" শাখাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে তনভী ডেকা আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে বৈশালী ভূএগ্ৰাই, "খ" শাখাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে দীপশিখা ডেকা, দ্বিতীয় পুৰস্কাৰ ভাস্কৰ্য্য কলিতা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে মানস প্ৰতিম বৰাই।দুয়োটা শাখাতে নিচুকণি পুৰস্কাৰ লাভ কৰে যুৱজিৎ বৰুৱা, দেৱনিভ গায়ন,গৰিষ্ঠা ভূএগ্ৰা আৰু জ্যোতিনীল পঞ্চাননে।ইফালে, প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে শিবানুজ কটকী আৰু হৃষীকেশ কটকীয়ে।দিনযোৰাকৈ অনুষ্ঠিত হোৱা কাৰ্যসূচীত দুপৰীয়া মুকলি সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক হীৰেন চন্দ্ৰ পাঠকে।সভাত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে প্ৰদীপ চন্দ্ৰ বৈৰাগী, মন্টুল কুমাৰ শৰ্মা,জীতেন গায়ন,নগেন শইকীয়া,খগেন কুমাৰ গায়ন,বিপুল পঞ্চানন,দ্বিগেন গায়ন,গিৰিশ ভূএগ্ৰা,তপন পাঠক,শংকৰ বৰুৱা,বুলেন বৈৰাগী আৰু ৰুলিমা শৰ্মাই।চিত্ৰাংকণ প্ৰতিযোগিতাৰ বিচাৰক পুলিন কটকীয়ে আঁত ধৰা সভাত চিত্ৰাংকণ বিদ্যালয় খনৰ শিক্ষক শুভাশীষ পঞ্চাননে চিত্ৰাংকণ বিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গাঁওবাসীৰ সহায় সহযোগিতাৰ শলাগ লোৱাৰ লগতে চিত্ৰাংকণ বিদ্যালয়খনৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীসকলৰ চিত্ৰকলাৰ দিশটো আগবঢ়াই নিব বুলি মন্তব্য কৰে।উল্লেখযোগ্য যে, নিজকে এজন চিত্ৰশিল্পী হিছাপে অতি কম বয়সতে সমাজত প্ৰতিষ্ঠা লাভ কৰা শুভাশীষ পঞ্চাননে তেওঁৰ সহযোগী শিক্ষক সাৰংগ গায়নক লগত লৈ পুৰণিগুদামৰ মুঢ়ানি আৰু ভৰাগুৰি গাঁৱত দুখনকৈ চিত্ৰাংকণ বিদ্যালয় স্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ চিত্ৰকলাৰ দিশটো আগুৱাই নিয়াৰ লগতে হাতৰ আখৰ সুন্দৰ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

# মাজুলী জিলা চিকিৎসালয়ত চাৰি ঘন্টীয়া চাফাই অভিযান

**উজনী মাজুলী, ১০ জুন ঃ** মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱক সকলৰ দ্বাৰা আজি পুৱা ৭-০০ বজাৰ পৰা ১১-০০ বজালৈকে বৰ্তমানৰ ঋতুগত ভাৱে ম'হ,ডাঁহ,সাপ-সৰীসৃপৰ প্ৰাদুৰ্ভাৱৰ সময়ত জনতাৰ বাবে অবাঞ্ছনীয় কিবা পৰিস্থিতি হ'ব পাৰে বা বেমাৰ -আজাৰ বৃদ্ধি পোৱাৰ আশংকা ব্যক্ত কৰি চকুত পৰা সম্ভাব্য হাবি-বনবোৰ অৰ্থাৎ অলাগতীয়াল ঘাঁহ-বন চাফ-চিকূণৰ কাৰ্যসূচী যোৱা ৫ জুন বিশ্ব পৰিৱেশ দিৱসৰ দিনা মুকলি কৰে। সেই কাৰ্যসূচী অনুসৰি আজি পুনৰ মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মাজুলী জিলা তত্বাৱধায়ক মাজুলী মাণ্ডলিক বিষয়া ৰমেশ চন্দ্ৰ শইকীয়াৰ নেতৃত্বত ৪ ঘন্টীয়াকৈ এলানি পৰিৱেশ পৰিস্কৰণ কাৰ্যসূচী ৰূপায়ন কৰা হ'ল। মাজুলী জিলাৰ প্ৰায় দুই লক্ষ লোকৰ স্বাস্থ্য সেৱাৰ হৃদপিণ্ড স্বৰূপ গড়মূৰ শ্ৰী শ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসালয়ৰ চৌহদত যথেষ্ট পৰিমাণে হাবি-বন গজি পাৰিৱেশিক বাতাবৰণ কিছু দৃষ্টিকটূ কৰি তোলা আৰু পাৰিৱেশিক বাতাবৰণ দুষিত কৰা প্ৰত্যক্ষ কৰে মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগে। সেই মৰ্মে চিকিৎসালয়লৈ মাজুলীৰ বিভিন্ন কোণৰ পৰা প্ৰায় চল্লিশ গৰাকী চিভিল ডিফেন্সৰ স্বেচ্ছাসেৱক উপস্থিত হৈ কিছুমান গোট হিচাবে বিভক্ত হৈ চিকিৎসালয়ত আৰু কাষৰীয়া নৱনিৰ্মিত মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত চৌহদটো ঢাকিবলৈ উঠি অহা অলাগতীয়াল ঘাঁহ-বন চাফ-চিকূণৰ কাৰ্যসূচী চলোৱা হয়। লগতে গড়মূৰ সত্ৰ অঞ্চলত সৰু-সুৰা অতি ব্যস্ত জনতাৰ চলাচল কৰা পথবোৰত বিকেন্দ্ৰীকৰণ কৰ্মসূচীৰ দ্বাৰা বহুতো স্থানত পৰিৱেশ তন্ত্ৰৰ বিশুদ্ধিকৰণ প্ৰচেষ্টা চলোৱা হয়।

## গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভা সম্পন্ন
# ডাঃ অজিত বৰুৱা সভাপতি সঞ্জীৱ সন্দিকৈ পুনৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ১০ জুন ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভাখন আজি নগৰৰ মাজমজিয়াৰ হোটেল চৰাইদেউত গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। সভাত ক্ৰীড়া সন্থাৰ বিগত চাৰিটা বৰ্ষৰ হিচাপ দাখিল কৰে বিত্ত সম্পাদক হেমাংগ লোচল শৰ্মাই। ইয়াৰ পাছতেই আগন্তুক চাৰিটা বৰ্ষৰ কাৰ্যকালৰ বাবে মন্ত্ৰী অজন্তা নেওগক মুখ্য পৃষ্ঠপোষক, দীনেশ গগৈক পৃষ্ঠপোষক, ডঃ অজিত বৰুৱাক পুনৰ সভাপতি, সঞ্জীৱ সন্দিকৈক পুনৰ সাধাৰণ সম্পাদক, ডঃ নৃপেন বৰুৱা, পূৰ্ণ ৰাজখোৱা, পৰীক্ষিত দত্ত, মুক্তাক খান আৰু বিশ্বজিৎ বৰুৱাক উপ সভাপতি, অজয় ভৰালী আৰু ৰাজদ্বীপ চৌধুৰীক সহকাৰী সম্পাদক হিচাপে লৈ এখন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। উল্লেখ্য যে,ডাঃ অজিত বৰুৱা আৰু সঞ্জীৱ সন্দিকৈ নেতৃত্বাধীন গোলাঘাট জিলা ক্ৰীড়া সন্থাই ক্ৰীড়াৰ আন্তঃগাঠনি উন্নয়ন, ক্ৰীড়া প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি চমক সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

# বালিসত্ৰত কেন্দুকোণা-চমুখা পথৰ দুৰৱস্থা
### দুৰ্ভোগ ভুগিছে শিশু বিদ্যালয়ৰ শিক্ষাৰ্থী

**অসম বাৰ্তা, বাহাৰঘাট, ১০ জুন ঃ** ৰঙিয়া সমজিলাৰ কএগ্ৰাঁ ৰাজহচক্ৰৰ অন্তৰ্গত কেন্দুকোণা-চমুখা সংযোগী বগলস্থ ৰোডৰ বালিসত্ৰ শিশু-বিদ্যালয়ৰ সম্মুখভাগ শোচনীয় হৈ পৰাত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ্য যে ব্ৰিটিছ আমোলা বগল'ছ চাহাবে নিৰ্মাণ কৰা উক্ত পথটো পৰবৰ্তী সময়ত অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগে কেইবাবাৰু মেৰামতি কৰে যদিও পথটো ঠায়ে ঠায়ে শোচনীয় হৈ পৰা এজাক বৰষুণ দিলেই যাতায়াতৰ অনুপযোগী হৈ পৰে। তথ্য মতে, বালিসত্ৰ শিশু বিদ্যলয়ৰ গাতে লাগি থকা তিনিআলিৰ চ'কটোৰ লগতে পশ্চিম বড়িগোগ সমবায় সমিটি লিমিটেড, ধুহিলৈ বিভিন্ন সময়ত অহা পঞ্জাব বড়িৰ ট্ৰাকসমূহ বিদ্যালয়খনৰ সম্মুখতে পাৰ্কিং কৰাৰ ফলত পথাংশ অতি শোচনীয় হৈ পৰিছে। তদুপৰি বিগত কেইদিনমান ধৰি হোৱা নেবানেপেৰা বৰষুণত পথটোৰ বালিসত্ৰ শিশু বিদ্যালয়ৰ সম্মুখভাগৰ গাতত পানী জমা হোৱাত বিবিদ্যালয়খনৰ কণ কল শিক্ষাৰ্থীসকলৰ যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। পশ্চিম বড়িগোগ সমবায় সমিতি লিমিটেড, ধুহিৰ চাউল কচিওৱা ট্ৰাকে জৰাজীৰ্ণ কৰা পথছোৱা মেৰামতি ক্ষেত্ৰত সমবায় সমিতিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল যদিও সেয়া হৈ নুঠাত একাংশ স্থানীয় লোকে আক্ষেপ প্ৰকাশ কৰিছে। আনহাতে, কেন্দুকোণা-চমুখা সংযোগী বগলছ ৰোডৰ শোচনীয় হৈ পৰা ঠাইসমূহ শীঘ্ৰে মেৰামতি কৰাৰ লগতে বিশেষকৈ বালিসত্ৰ শিশু বিদ্যালয়ৰ সম্মুখভাগৰ গাতত কিছু শিল-বালি দি শিক্ষাৰ্থীসকলৰ যাতায়াতৰ সূচল কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

# তামাৰহাটৰ পোকালাগীত ভূমিকেন্দ্ৰিক সংঘাত সংঘাতত দুই ফৈদৰ ২০ জনৰো অধিক আহত

**অসম বাৰ্তা, তামাৰহাট, ১০ জুন ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত পোকালাগী গাঁৱত ভূমি অধিকাৰৰ বিবাদক কেন্দ্ৰ কৰি আজি দুটা পৰিয়ালৰ মাজত ভয়ংকৰ সংঘাত সংঘটিত হয়, য'ত উভয় পক্ষৰ পুৰুষ-মহিলা মিলাই ২০ জনতকৈ অধিক লোক আহত হয় আৰু দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, গাঁৱৰ ছানোৱাৰ হুছেইনৰ পৰিয়ালে পঞ্চাশ বছৰ ধৰি ভোগ-দখল কৰি থকা চাৰি বিঘা মাটিৰ ওপৰত মৃত ৰমজান আলীৰ পৰিয়ালে দুদিন পূৰ্বে বলপূৰ্বক দখল লয়। আজি ছানোৱাৰৰ পক্ষই উক্ত মাটি পুনৰ দখল কৰিবলৈ গ'লে দুয়োপক্ষৰ মাজত কথা-কাটিকাটি আৰম্ভ হয় আৰু পিছত সংঘাত ভয়ংকৰ ৰূপ লয়, য'ত লাঠি, দা, কুঠাৰ ইত্যাদিৰ ব্যৱহাৰেৰে প্ৰচণ্ড মাৰপিট ঘটে। অভিযোগ অনুসৰি, ৰমজান পক্ষই পশ্চিম বংগৰ পৰা বাহিৰা গুণ্ডা ভাড়া কৰি আনিছিল। সংঘাতত খাইৰুল বাদসা আৰু নাজমা খাতুনৰ অৱস্থা অতি গম্ভীৰ বুলি চিকিৎসা সূত্ৰে জানিব পৰা গৈছে। আহত সকলৰ ভিতৰত ছানোৱাৰ হুছেইন, মুক্তাৰ আলী, আবুল কাশেম শ্বেখ, মনিৰুল হক, মতিয়ৰ ৰহমান, সাহানুৰ তালুকদাৰ, আজিজুল সেখ (পশ্চিমবংগ) সহ বহুজনৰ নাম অন্তৰ্ভুক্ত আছে। ঘটনা পৰৱৰ্তী সময়ত তামাৰহাট আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু আহতসকলক উদ্ধাৰ কৰি তামাৰহাট চিকিৎসালয়ৰ পৰা ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। দুয়োপক্ষই পৰস্পৰৰ বিৰুদ্ধে তামাৰহাট থানাত লিখিত এজাহাৰ দাখিল কৰিছে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে।

# ৰাষ্ট্ৰীয় কাৰাটেলৈ যোৰহাটৰ ৩১ জন

**ষ্টাফৰিপৰ্টাৰ যোৰহাট, ১০ জুন ঃ** ডেৰাডুনত ১২-১৫ জুনলৈ আয়োজিত কাৰাটে অৰগেনাইজেচন অৱ ইণ্ডিয়াৰ চতুৰ্থ ৰাষ্ট্ৰীয় জুনিয়ৰ, কেডেট আৰু ছাব-জুনিয়ৰ কাৰাটে প্ৰতিযোগিতাত যোৰহাট জিলাৰ ৩১ জন খেলুৱৈয়ে অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিছে । উল্লেখ্য,ৰাষ্ট্ৰীয় সংগঠনটোৰ স্বীকৃতিপ্ৰাপ্ত অসমৰ একমাত্ৰ ৰাজ্যিক কাৰাটে সন্থা ইউনিফাইড কাৰাটে সন্থা অসমৰ দ্বাৰা আয়োজিত জিলা, মাণ্ডলিক আৰু ৰাজ্যিক প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত খেলুৱৈসকলকহে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত কৰা হয়। আনহাতে কাৰাটে অৰগেনাইজেচন অৱ ইণ্ডিয়া হ'ল ভাৰতৰ একমাত্ৰ ৰাষ্ট্ৰীয় কাৰাটে সংগঠন যি বিশ্ব কাৰাটে সন্থা, এছিয়ান কাৰাটে সন্থা,কমন ৱেলথ আৰু ছাউথ এছিয়ান কাৰাটে সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত একমাত্ৰ ৰাষ্ট্ৰীয় কাৰাটে সংগঠন।নিৰ্বাচিত ৩১ জন খেলুৱৈৰ ২৯ জনেই জাপান কাৰাটে সন্থা অসমৰ খেলুৱৈ । এইসকলৰ কেইবাজনে পূৰ্বেও ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক লাভ কৰি যোৰহাট তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল । এইবাৰ পূৰ্বতকৈও ভাল ফল পাব বুলি জাপান কাৰাটে সন্থা অসমৰ মুখ্য প্ৰশিক্ষক বিজয় বৰাই আশা কৰিছে। জাপান কাৰাটে সন্থা অসমৰ সভাপতি শিদ্ধাঙ্কুৰ অংকুৰ বৰুৱাই ৰাষ্ট্ৰীয় খেলত অংশ গ্ৰহণ কৰিব লগীয়া খেলুৱৈসকলক শুভেচ্ছা জনাইছে।

# ছৈখোৱাত অসম সাহিত্য সভাৰ শাখা সমিতি গঠন

**ছৈখোৱা, ১০ জুন ঃ** ছৈখোৱাত অসম সাহিত্য সভাৰ ছৈখোৱা শাখা সমিতি গঠনৰ উদ্দেশ্যে ধলা বজাৰত অৱস্থিত হিন্দী হাইস্কুলত এখনি সভা অনুষ্ঠিত হয় । অতি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে ছৈখোৱা প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পূণেশ্বৰ ফুকনে ।হাতীঘূলী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ভীষ্ম হাজৰীকাই সভাপতিত্ব কৰা অনুষ্ঠানটিত তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া , উপ সভাপতি চন্দ্ৰ বৰুৱা , সাধাৰণ সম্পাদক অৰূপ কুমাৰ চাংমাই লগতে মেছাকী উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গুণী গোহাঁই হাজৰিকা , ছৈখোৱা হিন্দী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ব্ৰীজকিশোৰ গুপ্তা , শিক্ষয়িত্ৰী মনিষা ফুকন , জ্যোতিপ্ৰসাদ গগৈৰ লগতে ছৈখোৱা অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল । সভাৰ সহসন্মতিমৰ্মে ছৈখোৱা শাখা সাহিত্য সভাৰ ২০২৬ - ২০২৭ বৰ্ষৰ বাবে সভাপতি হিচাপে লোহিত গগৈ , সাধাৰণ সম্পাদক পূনেশ্বৰ ফুকন , মুখ্য উপদেষ্টা ভীষ্ম হাজৰীকাক লৈ এখনি সমিতি গঠন কৰি ছৈখোৱাত অসমীয়া সাহিত্য সংস্কৃতিৰ এক ধাৰা অব্যাহত ৰাখিব বুলি ছৈখোৱাবাসীয়ে ম'তপোষণ কৰে।



# অজনজাতীয় গাওঁ বিটিআৰত অন্তৰ্ভুক্ত হোৱা সন্দৰ্ভত ওৰাঙত অবড়ো সুৰক্ষা সমিতিৰ সংবাদমেল যোগে প্ৰতিক্ৰিয়া

**অসম বাৰ্তা সেৱা, মাজবাট, ১০ জুন ঃ** বিটিআৰ চুক্তি মতে বিটিএডি এলেকাৰ সংলগ্ন পঞ্চাশ শতাংশতকৈ বেচি জনজাতীয় লোক থকা গাওঁ সমূহ বিটিআৰত অন্তৰ্ভুক্ত কৰক।কিন্তু যি খন গাঁৱত জনজাতীয় লোক শূন্য বা এঘৰ পৰিয়াল জনজাতীয় তেনে গাওঁ বিটিআৰত কেনেকৈ অন্তৰ্ভূক্ত হ'ল এয়া গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ।আজি ওৰাঙত অবড়ো সুৰক্ষা সমিতিৰ মুখপাত্ৰ পংকজ দাসে এক সংবাদ মেল যোগে এই বিস্ফোৰক মন্তব্য প্ৰকাশ কৰে।দাসে লগতে ক'য় যে যি পঞ্চায়তৰ পৰা উক্ত গাওঁ সমূহ নতুনকৈ বিটিআৰত অন্তৰ্ভুক্ত হ'ল আচৰিত কথা যে সেই পঞ্চায়তৰ এখন গাওঁ বৰ্তমানৰ বিটিআৰৰ যদি এটা সমষ্টি সোমাইছে,লগতে আন এখন গাওঁ আন এটা সমষ্টিত সোমাইছে।এই গাওঁ সমূহ বিটিআৰত অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া বহু আগেয়ে আৰম্ভ হৈছিল।যদি তেনে নহ'য় তেন্তে কিয় উক্ত বৰঝাৰ অঞ্চলৰ সেই গাওঁ সমূহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নহ'ল বুলিও দাসে মন্তব্য প্ৰকাশ কৰে।এই সকলো ৰাজনৈতিক অভিসন্ধি বিজেপিয়ে আগন্তুক পৰিষদীয় নিৰ্বাচনত ৰাজনৈতিক অংকৰ কাৰণে কৰিছে বুলি দাসে বিজেপিৰ ৰাজ্যিক সভাপতি দিলিপ শইকীয়াক তীব্ৰ সমালোচনা কৰে।উল্লেখ্য যে,যোৱা ৭ জুন তাৰিখে ৪০ নং ৰৌতা পৰিষদীয় সমষ্টিৰ বৰঝাৰত বিটিচিৰ ৮ টা পৰিষদীয় সমষ্টিৰ পৰিষৰ বৃদ্ধি হোৱাৰ পাচতে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিছিল সৰ্বসাধাৰণ ৰাইজে।নতুনকৈ বিটিচি অঞ্চলত অন্তৰ্ভুক্ত হোৱা ৮১ খন গাঁৱৰ ভিতৰত বৰঝাৰৰ ক্ৰমে ১নং বৰঝাৰ,১নং দৰং বৰঝাৰ,২ নং বৰঝাৰ ,৩ নং দৰং বৰঝাৰ এই চাৰি খন গাওঁ অন্তৰ্ভুক্ত হৈছে ৪০ নং ৰৌতা পৰিষদীয় সমষ্টিত আনহাতে ২ নং বৰঝাৰ আৰু বৰঝাৰ গ্ৰেণ্ট ৩৯ নং পাচঁনৈ চেৰফাং পৰিষদীয় সমষ্টিত অন্তৰ্ভুক্ত হ'য়।এই নিৰ্দেশনা জাৰি হোৱাৰ পাচতে ৭ জুনত বৰঝাৰৰ সৰ্বসাধাৰণ ৰাইজে বিটিআৰ চৰকাৰৰ বিৰুদ্ধে শ্লোগান দিছিল।তেনে সময়তে আজি নতুনকৈ বিটিআৰত অন্তৰ্ভুক্ত উক্ত অজনজাতীয় গাওঁ সমূহ পৰিভ্ৰমণ কৰি অবড়ো সুৰক্ষা সমিতিৰ এটি সজাতি দলে ওৰাঙত উপস্থিত হৈ সংবাদ মেল সম্বোধন কৰে।সংবাদ মেল যোগে অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক মাধৱ ৰাজবংশীয়ে লগতে কয় যে,বৰঝাৰ অঞ্চলৰ যি সমূহ গাওঁ নতুনকৈ অন্তৰ্ভুক্ত হ'ল সেই গাওঁ সমূহত জনজাতীয় লোক প্ৰায় শূন্য।তেনে স্থলত কি ভিত্তিত সেই গাওঁ সমূহ বিটিআৰ পৰিসৰত অন্তৰ্ভুক্ত হ'ল এই লৈ তেওঁ প্ৰশ্ন উত্থাপন কৰে।ৰাজবংশীয়ে লগতে আৰু কয় যে এই অজনজাতীয় লোক সকলৰ ৰাজনৈতিক অধিকাৰ খৰ্ব কৰি ৰাজনৈতিক পাকচক্ৰত পেলাই তেওঁলোকৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে।অনাগত দিনত চৰকাৰে বিটিআৰ চুক্তি ৰূপায়ণ কৰাত অবড়ো সুৰক্ষা সমিতিৰ আপত্তি নাই কিন্তু গাওঁ অন্তৰ্ভুক্তিৰে যাতে অজনজাতীয় লোকক ৰাজনৈতিক ষড়যন্ত্ৰ বলি নকৰে তাৰ বাবে অসম চৰকাৰক সকীয়াই দিয়ে সমিতিৰ সম্পাদক মাধৱ ৰাজবংশীয়ে।লগতে অনাগত দিনত অজনজাতীয় গাওঁ সমূহ বিটিআৰত অন্তৰ্ভুক্ত কৰা বিষয়টো চৰকাৰে পুনৰ বিবেচনা কৰক অন্যথা আগন্তুক পৰিষদীয় নিৰ্বাচনত ইয়াৰ উচিত উত্তৰ দিয়া হ'ব বুলি অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক মাধৱ ৰাজবংশীয়ে সংবাদ মেল যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

# বিশিষ্ট সাংবাদিক, সমালোচক হাইদৰ হুছেইনক সম্বৰ্ধনা তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ

## গামোচা,জাপি,শৰাই,মানপত্ৰৰে শুভেচ্ছা জ্ঞাপন বিশিষ্ট সাংবাদিক, সমালোচক হাইদৰ হুছেইনক

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১০ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বড়িগাঁওৰ তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ তৰফৰ পৰা আজি বৰভাগৰ সু-সন্তান,বড়িদতৰা গাঁৱৰ বাসিন্দা বিশিষ্ট সাংবাদিক, সমালোচক,বুদ্ধিজীৱী হাইদৰ হুছেইনলৈ বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। তেখেতে সমাজৰ হৈ কৰি অহা কৰ্মৰাজীৰ বাবে এনেদৰে বড়িদতৰাস্থিত বাসগৃহত তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ কৰ্মকৰ্তা সহিতে বড়িগাওঁবাসী ৰাইজে উপস্থিত হৈ এখনি ফুলাম গামোচা,এটা জাপি,এখন শৰাই,মানপত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে। তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ সভাপতি চফিকুল হকে আতধৰা অনুষ্ঠানটিত তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ সম্পাদক তফিকৰ ৰহমান,ইফটিকাৰ হুছেইন,শিক্ষক আনোৱাৰ হুছেইন,বড়িগাঁও পৰিচালনা সমিতিৰ সভাপতি গইনুৰ আলী, সম্পাদক হাফিজৰ ৰহমান,মইদুল ইছলাম, আব্দুল লুটফুৰ শ্বাহ আলম,ৰিতু আলী,আশ্ৰাফুল হুছেইন,আবেদ আলী,মিৰজাফৰ হুছেইন প্ৰমুখ্যে সংঘৰ কৰ্মকৰ্তা আৰু বড়িগাওঁ বাসী উপস্থিত থাকে। উল্লেখ্য যে বিশিষ্ট সাংবাদিক, সমালোচক হাইদৰ হুছেইনে শাৰীৰিক অসুস্থতাৰ বাবে নিজ বাসগৃহ বড়িদতৰাত থাকিবলৈ লয়। তেখেতক আজি তৰুণজ্যোতি সংঘ আৰু পুথিভঁড়ালৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে তেখেতৰ স্বাস্থ্যৰ সা খবৰ লোৱাৰ লগতে আশু-আৰোগ্য কামনা কৰে সংঘৰ কৰ্মকৰ্তা আৰু বড়িগাওঁ বাসী ৰাইজে।

## ইউ কে ইণ্টাৰপ্ৰাইজৰ লেহেমীয়া কামত অতিষ্ঠ ৰাইজ

# বাঘমাৰা চৰত দুবছৰেও সম্পূৰ্ণ নহ'ল বিদ্যুৎৰ ছাব ইষ্টেশনৰ কাম

**অসম বাৰ্তা, শিমলীতোলা, ১০ জুন ঃ** বাঘবৰ সমষ্টিৰ চৰাঞ্চলত বিদ্যুৎ সংযোগ কল্পনা কৰিব নোৱাৰা কাম বিধায়ক শ্বেৰমান আলী আহমেদৰ অক্লান্ত প্ৰচেষ্টাত চৰাঞ্চলবাসীয়ে বিদ্যুৎৰ পোহৰ পাবলৈ সক্ষম হয়। লাহে লাহে বিদ্যুৎৰ সংযোগে বিদ্যুৎৰ ওপৰত নিৰ্ভৰশীল কৰ্ম সংস্থাপন বঢ়ালে যেনে- গ্ৰীলৰ দোকান, বিভিন্ন ধৰণৰ মিল, ই-ৰিক্সা আদি কৰি প্ৰতিজন চৰাঞ্চলৰ সাধাৰণ মানুহৰ জীৱনত বিদ্যুৎ এক অবিচ্ছেদ্য অংশ হৈ পৰাৰ সময়তেই অনিয়মিত বিদ্যুৎতে জ্বলা কলা খুৱাইছে চেঙাৰ চৰাঞ্চলৰ ৰাইজক। ধূপধাৰা বিদ্যুৎ সংমণ্ডলৰ গাফিলতি বাবে প্ৰায়েই বিদ্যুৎ ব্যাহত হৈ থকাটো নিয়মত পৰিণত হৈছে। এজাক বৰষুণ দিলেই বা বতাহত গছৰ পাত এখিলা সৰিলেই বিদ্যুৎ কৰ্তন হোৱাটো এক সাধাৰণ ঘটনাত পৰিণত হৈছে। কিবা কাৰণত এবাৰ বিদ্যুৎ কৰ্তন হলে মাজে মাজে দুই-তিনি দিন বিদ্যুৎ নাহাটো নিয়মত পৰিণত হৈছে। প্ৰচণ্ড গৰমৰ মাজত যোৱা দুদিন ধৰি বিদ্যুৎ সংযোগ ব্যাহত হৈ আছে যদিও গুৰুত্ব নাই ধূপধাৰা বিদ্যুৎ উপ- সংমণ্ডলৰ বিষয়া কৰ্মচাৰীৰ। সঘনাই বিদ্যুৎ কৰ্তন, বিদ্যুতৰ লোড শ্বেডিংৰ দূৰ কৰিবলৈ মাননীয় বিধায়কৰ অশেষ প্ৰচেষ্টাত AIIB FUNDED SCHEM ৰ অধীনত এটি Electric Sub Station, Baghmara Char(33/11 KV) চৰাঞ্চলৰ ৰাইজে পাবলৈ সক্ষম হ'ল। বিধায়ক শ্বেৰমান আলী আহমেদৰ উপস্থিতিত ২০২৩ ৰ ১৭ মে তাৰিখত উদ্বোধন কৰে। এবছৰত কাম সম্পূৰ্ণ হ'ব লাগে যদিও কামৰ ঠিকা লাভ কৰা ইউ কে ইণ্টাৰপ্ৰাইজ নামৰ প্ৰতিষ্ঠানৰ লেহেমীয়া গতিৰ কাম বাবেই আজি দুবছৰ অতিক্ৰম কৰিলে তাৰ সম্পূৰ্ণ নহল কাম। ছাব ইষ্টেশনৰ কাম লেহেমীয়া গতিৰে কৰি আছে যদিও ছাব ইষ্টেশনৰ পৰা নতুনকৈ তিন তাৰৰ কাম প্ৰথম বছৰত কেৱল খুটা পুতি বহি থাকি এক বছৰ পিছত এতিয়া ছাব ইষ্টেশনৰ কাম সম্পূৰ্ণ হোৱাৰ পথত বৰ্তমান তিনি তাৰৰ কাম আৰম্ভ দিছে। বৰষুণৰ শব্দ আহিলেই বিদ্যুৎ বিছিন্ন, সদায় লোড শ্বেডিং প্ৰচণ্ড গৰমত অতিষ্ঠ আৰু অসহনীয় হৈ পৰা বিদ্যুৎৰ ওপৰত নিৰ্ভৰশীল মানুহৰ জীৱিকা বন্ধ পৰা উপক্ৰম হোৱা চৰাঞ্চলৰ মানুহখিনিৰ বিদ্যুৎৰ সমস্যা পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় চৰাঞ্চলৰ ছাব ইষ্টেশনৰ কাম সম্পূৰ্ণ কৰি ছাব ইষ্টেশনৰ পৰা বিদ্যুৎৰ যোগান ধৰা। বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষই চৰাঞ্চলৰ বিদ্যুৎৰ জলন্ত সমস্যা সমাধানৰ বাবে বিষয়টো কেনেদৰে লয় সেয়া হ'ব লক্ষ্যনীয়।

## পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি আৰু বিষয়বাচনী সভা সম্পন্ন

# ৰাজদ্বীপ চৌধুৰীক সভাপতি আৰু অবিনাশ কলিতাক সাধাৰণ সম্পাদকৰ দায়িত্ব

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১০ জুন ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি আৰু বিষয়বাচনী সভাখন আজি দিনৰ ভাগত খাটিকুছি মজলীয়া বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হয় । পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাজদ্বীপ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি আৰু বিষয়বাচনী সভাখনৰ আত তথা উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কেফাইট আহমেদে । প্ৰতিনিধি সভাখন উদ্বোধন কৰি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ তথ্য সম্পাদক ৰঞ্জিত শৰ্মাই ভাষণত আছুৰ লক্ষ্য উদ্দেশ্য সন্দৰ্ভত বিশদ বক্তব্য আগবঢ়াই । সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকন কলিতাই আছুৰ দৃষ্টিভংগী ব্যাখ্যা কৰি প্ৰতিনিধি সকলক ভাষণত আছুৰ নীতি নিয়ম মানি চলাৰ লগতে শৈক্ষিক , সামাজিক কাম কাজ সমূহত জড়িত হবলৈ আহ্বান জনায় ।প্ৰতিনিধি সভাখনত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা উৎপল কলিতা উপস্থিত থাকি প্ৰতিনিধি সকলক উদ্দেশ্যে বহুমূলীয়া ভাষণ আগবঢ়াই । ভাষণত ছাত্ৰ নেতা উৎপল কলিতাই ছাত্ৰ সন্থাৰ নীতি নিয়ম মানি চলাৰ লগতে নিষ্ঠা আৰু সততাৰে কাম কাজ কৰিবলৈ আহ্বান জনাই ।নৱগঠিত সমিতি খনে আগন্তুক দিনত শক্তিশালী ভাৱে ছাত্ৰছাত্ৰীৰ শৈক্ষিক , সামাজিক আৰু স্থানীয় সমস্যা সমূহৰ হকে অঞ্চলটোত কাম কাজ কৰিব বুলি আশা প্ৰকাশ কৰে ।প্ৰতিনিধি সভা খনত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক পৰিক্ষীত কুমাৰ , শিক্ষা সম্পাদক বিশ্বজিৎ মল্ল বুজৰ বৰুৱা আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ সভাপতি টিকেন বৰ্মন উপস্থিত থাকি ভাষণ আগবঢ়াই ।পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত বিভিন্ন শাখা ছাত্ৰ সন্থা আৰু বিদ্যালয় মহাবিদ্যালয় আছু গোটৰ প্ৰায় শতাধিক প্ৰতিনিধি উপস্থিত থকা প্ৰতিনিধি আৰু বিষয়বাচনী সভাখনত উৎপল কলিতা , ৰঞ্জিত শৰ্মা ,অমৰজ্যোতি দাস আৰু কেফাইট আহমেদক উপদেষ্টা , ৰাজদ্বীপ চৌধুৰীক সভাপতি , শংকৰ কলিতা , ধনজিৎ কলিতা , নিকুমনি বৰ্মনক উপ সভাপতি , অবিনাশ কলিতাক সাধাৰণ সম্পাদক , মানস কলিতা , কুলদ্বীপ দাস , অভিনাশ কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ এখন শক্তিশালী ৩০ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়

# জাঁজীৰ সু স্বাদু লিচুয়ে আকৰ্ষিত কৰিছে পথচাৰীক

**অসম বাৰ্তা , জাঁজী, ১০ জুন ঃ** অসম বিখ্যাত যোৰহাট-শিৱসাগৰ জিলাৰ জাঁজীৰ লিচু । মে' মাহ আৰম্ভ হোৱাৰ পৰা জাঁজী দলংৰ দুয়োপাৰে লিচু ব্যৱসায়ীয়ে হাতৰ মুঠিত বিক্ৰীৰ বাবে লিচু লৈ ক্ৰেতাক আকৰ্ষণ কৰে। আনহাতে যোৰহাট জিলাৰ পূব প্ৰান্তৰ জাঁজী দলঙৰ কাষত আৰু শিৱসাগৰ জিলাৰ জাঁজী গড়মূৰ তিনিআলিৰ ওচৰত পুৱাৰ পৰা সন্ধিয়া পৰ্যন্ত লিচু ব্যৱসায়ীয়ে লিচু বিক্ৰী কৰিয়েই পৰিয়াল চলাই গৈছে । তথ্য অনুসৰি এই লিচু স্থানীয় এলেকাৰ জাঁজী ,শেনচোৱা গাঁও,জামুগুৰি,বলমিয়া গাঁও, মাজৰ আলি,চাওদাং গাঁও, বেটনি চুক, অভিপুৰীয়া, চিৰিপুৰীয়া, ৰতনপুৰীয়া, ফুলপানিছিগা, গৰকোষ, খাটোৱাল, কঁঠালগুৰি ইত্যাদি অঞ্চলৰ পৰা সংগ্ৰহ কৰি ব্যৱসায়ীয়ে জাঁজীত বিক্ৰী কৰে। আনহাতে এই সু- স্বাদু ১০০টা লিচুৰ বৰ্তমান মূল্য ২৫০ টকাৰ পৰা ৩০০ টকা পৰ্যন্ত বিক্ৰী হৈ আছে। সমান্তৰাল ভাবে আগৰ তুলনাত এইবাৰ লিচুৰ চাহিদা তেনেই সীমিত। ইয়াৰোপৰি এই লিচু বাদুলি আৰু বিভিন্ন ধৰণৰ চৰাইয়ে যাতে লোকচান কৰিব নোৱাৰে তাৰ বাবে সংৰক্ষণ কৰিবলৈ বিশেষকৈ আঁঠুৱা আৰু লাইট ব্যৱহাৰ কৰা দেখা যায় । জানিব পৰা মতে প্ৰায় বিলাক ব্যৱসায়ীয়ে বৰ্তমান সময়ত লিচুৰ গছৰ সৈতে কিনি লয় । তদুপৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ জাঁজীৰ তিনিআলিত উজনি আৰু নামনি অসমৰ পথচাৰিয়ে যাতায়ত কৰোতে লিচু সংগ্ৰহ কৰা দেখা যায় । বৰ্তমান যোৰহাট আৰু শিৱসাগৰ জিলাৰ চাৰিলেন যুক্ত পথৰ দুয়ো কাষে হাতৰ মুঠিত লিচু লৈ উজনি নামনি পথচাৰিক আকৰ্ষিত কৰিছে লিচু ব্যৱসায়ীয়ে।

## মুকলি সভা উদ্বোধন কৰিব নলবাৰীৰ আয়ুক্তই

# মাখিবাহাত ১৩ জুনত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ অধিৱেশন

**অসম বাৰ্তা, টিহু, ১০ জুন ঃ** অসমৰ কৰ্মৰত সাংবাদিক আৰু সংবাদ কৰ্মীসকলৰ ন্যায্য প্ৰাপ্তিৰ হকে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা স্বৰ্ণ জয়ন্তী বৰ্ষ পূৰ্ণ কৰা অসম বাৰ্তাজীৱী সংঘৰ অন্তৰ্গত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ চতুৰ্থ দ্বিবাৰ্ষিক অধিৱেশনখন ১৩ জুনত জিলাখনৰ মাখিবাহা সভাৰ খলাত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উল্লেখ্য যে উক্ত অধিৱেশনখন ৮ জুনত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও বিশেষ অসুবিধাৰ বাবে পাঁচদিন পিছুৱাই দি ১৩ জুনত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। আৰু সেইমৰ্মে নলবাৰী জিলা বাৰ্তাজীৱী সংঘই ইতিমধ্যে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচী অনুসৰি ১৩ জুনৰ পুৱা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভকৰাৰ পিছতে অসম বাৰ্তাজীৱী সংঘই গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ পূৰ্ণ কৰা উপলক্ষে শিল্পী, সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ, সমাজকৰ্মী আদিকে ধৰি সমাজৰ বিভিন্ন স্তৰৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা পঞ্চাশ খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচীৰ পিছত দিনৰ ১১ বজাৰ পৰা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাৰ সভাপতিত্বত মুকলি সভা আৰম্ভহ'ব। নলবাৰী জিলাৰ জিলা আযুক্ত বৰ্ণালী ডেকাই উদ্বোধন কৰাৰ পিছতে মঙ্গল বন্তি প্ৰজ্বলন কৰিব কবি নিবন্ধকাৰ জোতিৰ্ময় শৰ্মাই ।উক্ত সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসুধন মেধি, ৰাজ্য চৰকাৰৰ মন্ত্ৰী ক্ৰমে চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্ল বৰুৱা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, অসম চলচ্চিত্ৰ, বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সিমান্ত শেখৰ, অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুট ৰাজ শৰ্মা, জ্যেষ্ঠ সাংবাদিক নৱনীতা কলিতা, মৰিগাঁও জিলাৰ উপ-আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য, নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মাধৱ চন্দ্ৰ ৰাজবংশী, টিহুৰ ৰাজহ চক্ৰ বিষয়া বিভাষ পাঠক, প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকা, বিশিষ্ট অৰ্থনীতিবিদ, স্তম্ভলেখক ড° দেবজিৎ মহন্ত, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মন, নলবাৰীৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া চুম্পি চুতীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি ভৱজিৎ বেজবৰুৱা, অসম জাতীয়তা বাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক মৃদুল তালুকদাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অৰূপ বৰপূজাৰী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধি বক্তা ৰাতুল পাটোৱাৰী, নলবাৰীৰ সমাজকৰ্মী দিলীপ কুমাৰ দাস, বিশিষ্ট অভিনেতা ধীৰেণ বৰ্মন, অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি অঞ্জন কুমাৰ শৰ্মা, ভাৰত বাৰ্তাজীৱী মহাসংঘৰ সদস্য কিশোৰজ্যোতি শৰ্মা, অসম বাৰ্তাজীৱী সংঘৰ সদস্য ভাস্কৰ শৰ্মা অতিথি হিচাপে উপস্থিত থাকিব। দুপৰীয়া প্ৰীতি ভোজনৰ পিছত বিয়লি ২.৩০ বজাৰ পৰা প্ৰতিনিধি আৰু বিষয় বাচনী সভা অনুষ্ঠিত হ'ব। অসম বাৰ্তাজীৱী সংঘৰ সাংগঠনিক সম্পাদক বশিষ্ঠ দেৱ ফুকনে উদ্বোধন কৰিবলগীয়া আৰু অসম বাৰ্তাজীৱী সংঘৰ কাৰ্যালয় সম্পাদক হেমন্ত বৰ্মন পৰ্যবেক্ষক হিচাপে উপস্থিত থাকিবলগীয়া প্ৰতিনিধি সভাতে আগন্তুক কাৰ্যকালৰ বাবে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ নতুন সমিতিখন গঠন কৰা হ'ব। সন্ধিয়া ৫ বজাত বিশিষ্ট নাট্যকাৰ নৰৰত্ন পাটোৱাৰীয়ে মুকলি কৰিবলগীয়া সমূহীয়া বন্তি খুলন কাৰ্যসূচীত জিলাখনৰ বহুকেই গৰাকী বিশিষ্ট ব্যক্তিয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছত অধিবেশনৰ সামৰণি পৰিব। অধিৱেশনৰ সকলোবোৰ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই কামনা কৰিছে।

# কলাঙ্গন একাডেমী নাজিৰাৰ উদ্যোগত সদৌ অসম ভিত্তিত চিত্ৰাংকণ প্ৰতিযোগিতা

**অসম বাৰ্তা , গেলেকী, ১০ জুন ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত লিগিৰি পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত দেওবাৰে কলাঙ্গন একাডেমীৰ উদ্যোগত আৰু কলাদৰ্শন ফাইন আৰ্ট আৰু সংগীত একাডেমীৰ সহযোগত সদৌ অসম ভিত্তিত চিত্ৰাংকণ প্ৰতিযোগিতা আয়োজন কৰা হয়। কলাঙ্গন একাডেমীৰ সঞ্চালক জিয়াউদ্দিন আহমেদে শুভ উদ্বোধন কৰা চিত্ৰাঙ্কণ প্ৰতিযোগিতাত নাজিৰাৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানতে কলাঙ্গন একাডেমীৰ বিভিন্ন বিভাগৰ বাৰ্ষিক পৰীক্ষাত বিগত বৰ্ষত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জনাই। উক্ত অনুষ্ঠানত সংবাদকৰ্মী ভাস্কৰজ্যোতি মহন্ত,কলাঙ্গন একাডেমীৰ শিক্ষকসকল ক্ৰমে চন্দ্ৰিকা নেওগ, প্ৰিঞ্চিপ্ৰিয়া বৰা, নমি টাইৰায়, নিৰৱ টাইৰায়, জেবিনা বেগম উপস্থিত থাকে।

# ডিব্ৰুগড়ত টাই আহোম সকলক জনজাতিকৰণ, স্বায়ত্ব-শাসনৰ দাবীত বিশাল সমদল টাইপাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ জুন ঃ** টাই আহোম সকলক জনজাতিকৰণ, স্বায়ত্ব-শাসনৰ দাবীত আজি (৯-৬-২০২৫) ডিব্ৰুগড় চহৰত এক বিক্ষোভ কাৰ্য্যসূচী ৰূপায়ন কৰে টাই আহোম যুৱ পৰিষদ,অসমে। টাই আহোম যুৱ পৰিষদ অসম (টাইপা)ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ডিব্ৰুগড় নগৰৰ চৌকিডিঙ্গীস্থিত সাহিত্য সভা ভৱনৰ পৰা ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়লৈ এক বিশাল প্ৰতিবাদী সমদল বাহিৰ কৰে। বৰ্তমান বিজেপিৰ মিত্ৰজোঁট চৰকাৰে নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত টাই আহোমকে ধৰি অসমৰ ছয় জনগোষ্ঠীক শাসনলৈ আহিলেই জনজাতিকৰণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল কিন্তু শাসনৰ বাঘজৰি হাতলৈ অহাত ছয় জনগোষ্ঠীক দিয়া প্ৰতিশ্ৰুতি কাৰ্যকৰী নকৰি চৰম প্ৰতাৰণা কৰি অহা অভিযোগত আজি পুনৰ ডিব্ৰুগড় মহানগৰত চৰকাৰ বিৰোধী শ'গানেৰে আকাশ -বতাহ কঁপাই তোলে টাইপাই। এই বিক্ষোভ প্ৰতিবাদী কাৰ্যসূচীত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও বিজয় ৰাজকোঁৱৰ, কাৰ্যকৰী সভাপতি ৰুদ্ৰ সাগৰ বুঢ়াগোহাঁই, যুটীয়া সম্পাদক মনোৰঞ্জন গগৈ প্ৰমুখ্য কেইবাজনো কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াই অংশ গ্ৰহণ কৰে। অহা ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ পূৰ্বে টাই আহোম জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে তেঁওলোকে এই ক্ষেত্ৰত ক্ষান্ত হৈ নাথাকে। টাইপাৰ সমিতিয়ে মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সমালোচনা কৰে আৰু আন্দোলনৰ কাৰ্যসূচী ৰূপায়ন কৰাৰ হুংকাৰ দিয়ে টাইপাই। প্ৰতিবাদী কাৰ্যসূচীৰ শেষত ডিব্ৰুগড়ৰ জিলা আয়ুক্তৰ যোগেদি অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ এখন দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# ধমধমাৰ বনভাগ বতাহগিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বৰ্মনৰ ব্যতিক্ৰমী পদক্ষেপে আকৰ্ষিত কৰিছে ৰাইজক

**অসম বাৰ্তা, ধমধমা, ১০ জুন ঃ** নলবাৰী জিলাৰ ধমধমা নিকটৱৰ্তী আগশাৰীৰ চৰকাৰী শিক্ষানুষ্ঠান বনভাগ বতাহগিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বৰ্মনে প্ৰতি দিনে চাৰি-পাঁচটাকৈ শ্ৰেণীকোঠাত পাঠদান কৰি থকাটোৱে বৃহত্তৰ নলবাৰী জিলাত এতিয়া বহুলভাৱে চৰ্চিত বিষয় হৈ পৰিছে । উল্লেখযোগ্য যে বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে কাৰ্যালয়কেন্দ্ৰিক সকলোবোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীক ইংৰাজী,সংস্কৃত,গণিত,সমাজ বিজ্ঞান বিষয়ৰ পাঠদান কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক আৰু বিভাগীয় কৰ্তপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। তেখেতৰ সুদক্ষ নেতৃত্বত থকা বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী গোটৰ প্ৰশংসনীয় কৰ্মৰাজিৰ বাবে বিদ্যালয়খনৰ নিকটৱৰ্তী আঠখনকৈ গাঁৱৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনত অধ্যয়ন কৰি আছে। ছাত্ৰ-ছাত্ৰীক শৈক্ষিক, সামাজিক, নৈতিকভাৱে বহুখিনি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কোনো দিনে চেষ্টাৰ ত্ৰুটি নকৰা বৰ্মনৰ বিদ্যালয়খনৰ প্ৰতি থকা আন্তৰিকতা দেখি অধ্যক্ষ বৰ্মনক স্থানীয় ৰাইজে প্ৰশংসাৰে উপচাই পেলাইছে । বৰ্তমান সময়ত চৰকাৰী বিদ্যালয়ৰ প্ৰতি একাংশৰ নেতিবাচক ধাৰণা থকাৰ সময়তে বনভাগ বতাহগিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিৱেশ দেখি নলবাৰী জিলাৰ শিক্ষা বিভাগে অধ্যক্ষ হিতেশ বৰ্মনৰ লগতে শিক্ষক-কৰ্মচাৰীক আন্তৰিকতাৰে শ'লাগিছে।

# দুলীয়াজান সপ্তসুৰ সংগীত কলা একাডেমীৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, দুলীয়াজান, ১০ জুন ঃ** দুলীয়াজানৰ অন্যতম সাংস্কৃতিক প্ৰতিষ্ঠান সপ্তসুৰ সংগীত কলা একাডেমীৰ কালি প্ৰথম বৰ্ষত ভৰি দিয়া উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উপস্থিতিত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰথম প্ৰতিষ্ঠা দিৱস আনন্দ-উল্লাসেৰে উদযাপন কৰা হয়।বন্তিপ্ৰজ্বলনে অনুষ্ঠানটি শুভাৰম্ভ কৰে একাডেমী খনৰ অধ্যক্ষা স্বপ্নালী চুতীয়াই। লগতে ছাত্ৰ ছাত্ৰী উত্তৰণৰ ক্ষেত্ৰত অভিভাৱক দায়িত্ব আৰু ভূমিকা বিষয়লৈ এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয় ।অনুষ্ঠানটি আতধৰে একাডেমীৰ সঞ্চালক প্ৰানপ্ৰতিম দত্তই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লোককৃষ্টিৰ সাধক সমাজসেৱক নয়নমনি বৰুৱা, আটাছুৰ কেন্দ্ৰীয় সমিতি উপদেষ্টা অনিল গগৈ, সপ্তসুৰ আধ্যত্মিক সাহিত্য সংস্কৃতি সাধনা কেন্দ্ৰৰ সভাপতি তুলেন ফুকন ,সম্পাদক পল্লৱ দত্ত, সমাজসেৱক প্ৰমোদ দত্ত, কুশল হাজৰিকা। উক্ত অনুষ্ঠানতে সপ্তসুৰ পৰিয়ালৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী ক্ৰমে অৰ্চিতা ৰাজখোৱা, গাৰ্গী চুতীয়া, মনপ্ৰীয়া হাজৰিকা , মেঘাশ্ৰী দত্ত, পাৰ্থপ্ৰতিম দত্ত, আকাশদীপ বড়া, ৰূপজ্যোতি দত্ত, চয়ানিকা গগৈক অভিনন্দন জনোৱা হয়। শেষত সকলোলৈ শলাগৰ শৰাই আগবঢ়াই একাডেমীৰ সাধাৰণ সম্পাদক ৰুবুল গগৈৰে

# বকোৰ চন্দ্ৰা বাংকিকোঠ গাঁৱত এগৰাকী বোৱাৰী নিৰুদ্দেশৰ ঘটনা

**অসম বাৰ্তা, বকো, ১০ জুন ঃ** যোৱা মাহৰ ২৭ তাৰিখৰ পৰা সন্ধানহীন হৈ আছে বকো চন্দ্ৰা বাংকিকোঠ গাঁৱৰ মহিলা গৰাকী। এনে এক নিৰুদ্দেশৰ ঘটনা সংঘটিত হৈছে বকোৰ চন্দ্ৰা বাংকিকোঠ গাঁৱত। তেৰ দিন ধৰি নিৰুদ্দেশ হৈ আছে চন্দ্ৰা বাংকিকোঠ গাঁৱৰ ৰূপালী ৰাভা(৩৫) নামৰ বোৱাৰী এগৰাকী। বকোৰ শিংৰা লুকী এছ বি আই বেংকত পুৱা প্ৰায় ১০ বজাত পাছবুক একাউণ্ট আপডেট কৰিবলৈ যোৱা বোৱাৰী গৰাকী উভতি নাহিল। উক্ত দিনটোৰ পৰা ফোন কৰিও নোপোৱাত এতিয়া উদ্বিগ্ন হৈ পৰিছে স্বামী অজয় ৰাভাৰ লগতে পৰিয়ালটো। ইফালে সময় বাগৰি যোৱাৰ পিছতো ঘৰখনত সন্ধিয়া পৰলৈ বিচাৰ খোঁচাৰ কৰিও ঘৰখনত আজিলৈ উভতি নহাত এতিয়া কান্দোনত ভাগি পৰিছে দুৰ্ভগীয়া পৰিয়ালটো। উক্ত ঘটনা সন্দৰ্ভত ইতিমধ্যে মন্দিৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও এতিয়ালৈকে কোনো সুং সুত্ৰ পোৱা নাই দুৰ্ভগীয়া পৰিয়ালটোৰে। কোনো সুহৃদয়বান লোকে সন্ধান পালে 9394338663 অথবা 9101268793 নম্বৰত যোগাযোগৰ বাবে আহ্বান জনাইছে পৰিয়ালৰ লোকে।

# শিৱসাগৰত অ' এন জি চি পূৰ্বাঞ্চল এমপ্ল'ইজ এছ'ছিয়েচনৰ উদ্যোগত অভিনন্দন-২০২৫ সম্পন্ন

**ষ্টাফৰিপটাৰ, শিৱসাগৰ, ১০ জুন ঃ** শিৱসাগৰ শিৱসাগৰ আৱাসী এলেকাস্থিত বিষয়া সংঘৰ প্ৰেক্ষাগৃহত তেল আৰু প্ৰাকৃতিক গেছ নিগম, অসম সম্পদৰ একমাত্ৰ স্বীকৃতিপ্ৰাপ্ত শ্ৰমিক সংগঠন অ' এন জি চি পূৰ্বাঞ্চল এমপ্'ইজ এচ'ছিয়েচন(অ পি ই এ)ৰ উদ্যোগত চলিত বৰ্ষত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নিগম পৰিয়ালবৰ্গৰ সু-খ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ - ছাত্ৰী সকলৰ এক মনোজ্ঞ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। দিল্লী পাব্লিক স্কুল, নাজিৰাৰ শিক্ষয়িত্ৰী বিউটী দত্তই আঁত ধৰা অভিনন্দন অনুষ্ঠানটিত সদৌ ভাৰত অ' এন জি চি ট্ৰেড ইউনিয়ন সমন্বয়ৰক্ষী সমিতিৰ মুখ্য সমন্বয়ক তথা অ' এন জি চি পূৰ্বাঞ্চল এমপ'ইজ এচ'ছিয়েচনৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাই অভিনন্দন-২০২৫ৰ আদৰণি ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ বাবে নিজকে উৎকৃষ্ট মানৱ সম্পদ হিচাবে গঢ় দিয়াৰ আহ্বান জনাই আৰু নৱ প্ৰজন্মৰ শৈক্ষিক উত্তৰণৰ লগতে দেশ সেৱাৰ বাবে দায়বদ্ধতাৰে অ' এন জি চি আৰু অ' এন জি চি পূৰ্বাঞ্চল এমপ'ইজ এচ'ছিয়েচনে আগবঢ়াই অহা প্ৰচেষ্টাৰ এক চমু আভাস ডাঙি ধৰে। মাঙ্গলিক বন্তি প্ৰজ্বলনৰ পাছতে 'অ' এন জি চি সংগীতে'ৰ শুভাৰম্ভ হোৱা অনুষ্ঠানটোৰ বিশিষ্ট অতিথি হিচাবে বীৰাঙ্গনা সতী সাধিনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ, উপন্যাসিক, কবি, লেখক ড° জ্যোতিপ্ৰসাদ শইকীয়া , বিশিষ্ট চিন্তাবিদ, লেখক , সমালোচক ময়ুৰ বৰা, সুদক্ষ ছাত্ৰ সংগঠক তথা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত থাকি সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰাৰ লগতে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰি উৎসাহিত কৰে। ভাষণ প্ৰসঙ্গত ড° জ্যোতিপ্ৰসাদ শইকীয়াই কয় যে "পেছাগত বৃত্তিৰ বাবে নম্বৰৰ পিছত দৌৰাতকৈ সঠিক জ্ঞান অৰ্জন কৰি প্ৰকৃতাৰ্থত নিজকে 'মানুহ' হিচাবে প্ৰতিষ্ঠা কৰাৰ বাবে চেষ্টা কৰিব লাগে। যাৰ বাবে অভিভাৱক সকলে সন্তানৰ চিন্তাশক্তিৰ প্ৰখৰতা, আত্মবিশ্লেষণ, আত্মমূল্যায়ন আৰু সৃষ্টিশীলতাৰ প্ৰতি অধিক গুৰুত্ব দিব লাগিব" । ঠিক সেইদৰে ময়ুৰ বৰাই কয় যে "ব্যক্তিগত স্বাৰ্থক প্ৰাধান্য নিদি সামাজিক দায়বদ্ধতাৰে বহু কেৰিয়াৰ বাছনি কৰিব পৰা যায়। স্বৰ্গদেউ সকলৰ দিনৰে পৰা শিৱসাগৰৰ যি অৱদান আৰু অৰুণোদয়কে আদি কৰি বিগত সময়ৰ ভাষা, সাহিত্য, ক'লা-সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আৰু বৌদ্ধিক ক্ষেত্ৰখনত শিৱসাগৰৰ কণ্ঠৰ ফচল আজিও সমগ্ৰ অসমে ভোগ কৰিবলৈ সক্ষম হৈছে। সেই ধাৰাবাহিকতা আৰু গুণগৰিমা অক্ষুন্ন ৰাখিবলৈ আজিৰ প্ৰজন্মই চেষ্টা কৰিব লাগে।" পিতৃ মাতৃক ভগৱানৰ জ্ঞান দি ভৱিষ্যত জীৱনত আগবাঢ়ি যোৱাৰ লগতে সামাজিক তথা নৈতিক দায়বদ্ধতা বৃদ্ধি কৰিবলৈ আৰু নতুন শিক্ষা নীতিৰ ইতিবাচক দিশ আঙুলিয়াই দিয়াৰ লগতে ছাত্ৰ ছাত্ৰী সকলৰ প্ৰতিযোগিতামূলক মনক অধিক শক্তিশালী কৰি নিজৰ লক্ষ্যত উপনীত হ'বলৈ সমীৰণ ফুকনে আহ্বান জনায়। অসম সম্পদৰ বিষয়া-কৰ্মচাৰী সকলৰ কৃতীমান ছাত্ৰ-ছাত্ৰী সকলক বিশেষকৈ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ পৰা ৯৬.৮৩ শতাংশৰ দায়ান মিৰচাব শইকীয়া , দিল্লী পাব্লিক স্কুল নাজিৰাৰ পৰা ৯৫.৬ শতাংশৰ চৈয়দ শ্বামিমকে ধৰি সৰ্বমুঠ ২২ জন আৰু উচ্চতৰ মাধ্যমিকত চুড়ান্ত পৰীক্ষাত নাজিৰাৰ দিল্লী পাব্লিক স্কুলৰ পৰা ৯৫.৪ শতাংশৰ ইমতিয়াজ বাহাৰ তাপাদাৰ, ৯২.২ শতাংশৰে দিল্লী পাব্লিক স্কুলৰ সুবৰ্ধনা দাস আৰু মাৰিয়াস পাব্লিক স্কুল, গুৱাহাটীৰ চৈয়দা আৰিচা নাৰদিনকে ধৰি মুঠ ১৩ জন ৮০ শতাংশৰো অধিক নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক গামোচা, অভিনন্দন পত্ৰ, উপহাৰ আদি আগবঢ়াই অভিনন্দন জনোৱা হয়। উক্ত অনুষ্ঠানতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত শিৱসাগৰ জিলাৰ ভিতৰতে 'চি বি এছ চি' আৰু 'চেবা' শিক্ষা ব্যৱস্থাত ৯৭.৬ শতাংশ আৰু ৯৬.৬৭ শতাংশৰে শিৱসাগৰ জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা মেধাৱী ছাত্ৰী ক্ৰমে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, শিৱসাগৰৰ হিয়াস্মিতা দত্ত আৰু গৌৰিসাগৰ শংকৰদেৱ বিদ্যা মন্দিৰৰ অসিক্লী কাশ্যপক বিশেষভাৱে অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠাত অ' এন জি চি সদৌ ভাৰত অনুসুচিত জাতি-জনজাতি কল্যাণ সংস্থা, সদৌ ভাৰত অ' এন জি চি অন্যান্য পিছপৰা জাতি-অতি পিছপৰা জাতি কৰ্মচাৰী কল্যাণ সংস্থা, দিল্লী পাব্লিক স্কুল, আদৰ্শ বিদ্যা ভৱন, কেন্দ্ৰীয় বিদ্যালয়, শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, অ'এন জি চি ৰকাৰ্হ মহিলা সমিতি, অ পি ই এৰ বিষয়ববীয়া, কৰ্মকৰ্তাসহ নিগমৰ প্ৰায় দুই শতাধিক বিষয়া কৰ্মচাৰী উপস্থিত থকা অনুষ্ঠানটোত উদ্যোগতা সকলৰ হৈ অ' পি ই এৰ তৰফৰ পৰা বিশ্বজিৎ চলিহাই শলাগৰ শৰাই আগবঢ়াই। অনুষ্ঠানত উপস্থিত অতিথি সকলৰ উপৰিও শিৱসাগৰৰ সচেতন ৰাইজে যোৱা বৰ্ষৰ পৰা আৰম্ভ কৰা অ' এন জি চি পূৰ্বাঞ্চল এমপ'ইজ এচ'ছিয়েচনৰ এনে অনুপ্ৰেৰণামূলক ইতিবাচক পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতে ইয়াৰ ধাৰাবাহিকতা আৰু পৰিসৰ বৃদ্ধিৰ কামনা কৰে।

## সম্পাদকীয়

|| ১২ জুন, ২০২৫, বৃহস্পতিবাৰ ||

# হিংসাৰ জুই

মণিপুৰত কেইদিনমান শান্তিৰ পিছত পুনৰ হিংসাৰ জুই জ্বলিছে। বিভিন্ন ঠাইত প্ৰতিবাদ আৰু অগ্নিসংযোগৰ ঘটনা ঘটিছে। ৰাস্তা-ঘাটত সুৰক্ষা বাহিনীয়ে কঠোৰ পহৰা দিছে। বহু অঞ্চলত কাৰ্ফিউ বলবৎ কৰা হৈছে আৰু ইণ্টাৰনেট সেৱাও বন্ধ কৰা হৈছে। এইবাৰৰ হিংসাৰ প্ৰত্যক্ষ কাৰণ মৈতেই সম্প্ৰদায়ৰ এজন নেতা আৰু আন চাৰিজন ব্যক্তিৰ গ্ৰেপ্তাৰ যদিও, ইয়াৰ মূল কাৰণ ২০২৩ চনত হোৱা জাতিগত হিংসাৰ সৈতে জড়িত। প্ৰশ্ন উঠিছে যে জাতিগত ভিত্তিত মানুহৰ খং কিয় শান্ত হোৱা নাই? মানুহক ভাৱনাত্মকভাৱে উত্তেজিত কৰাৰ আঁৰত কোন আছে? কিয় এনে হয় যে মানুহে যিকোনো সাধাৰণ ঘটনাকে সম্প্ৰদায়ৰ সৈতে জড়িত কৰি ৰাস্তালৈ ওলাই আহে আৰু হিংসাত্মক আচৰণ কৰে?

২০২৩ চনৰ পৰা মণিপুৰত জাতিগত সংঘৰ্ষ চলি আছে। তাৰ পৰা হিংসাত বহু লোকৰ মৃত্যুও হৈছে আৰু মেইটেই আৰু কুকি দুয়োটা সম্প্ৰদায়ৰ হাজাৰ হাজাৰ লোকক বাস্তুচ্যুত হ'বলগীয়া হৈছে। হিংসাৰ ধাৰাবাহিকতা বৰ্তি থকাৰ বাবে এন. বীৰেন সিঙেও ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী পদ হেৰুৱাবলগীয়া হৈছিল। তাৰ পিছত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হৈছে। আৰু পৰৱৰ্তী সময়ছোৱাত ৰাজ্যখনত কোনোধৰণৰ হিংসাৰ ঘটনা হোৱা নাছিল। অনুমান কৰা হৈছিল যে এতিয়া অৱস্থা স্বাভাৱিক হৈ আহিছে। কিন্তু ৰাজ্যখনত শান্তিৰ পৰিৱেশ বেছিদিন টিকি নাথাকিল। মূলতঃ, চিবিআয়ে গত দেওবাৰে মেইটেই সংগঠন অৰম্বাই টেঙোল (এটি)ৰ সদস্য কানন সিঙক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ উপৰিও আন চাৰিজন ব্যক্তিকো গ্ৰেপ্তাৰ কৰা হৈছিল। এইসকলৰ বিৰুদ্ধে ২০২৩ চনত হোৱা হিংসাৰ সৈতে জড়িত বিভিন্ন অপৰাধমূলক কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ আছে। গৱেষণা সংস্থাৰ মতে, অভিযুক্ত কানন সিং মণিপুৰ পুলিচৰ হেড কনষ্টেবল আছিল, কিন্তু ২০২৫ চনৰ মাৰ্চত অস্ত্ৰ পাচাৰৰ সৈতে জড়িত বিভিন্ন অপৰাধমূলক কাৰ্যত লিপ্ত হোৱাৰ বাবে তাক বৰ্খাস্ত কৰা হৈছিল। চিবিআইৰ এই কাৰ্য্যৰ পিছত ৰাজ্যৰ বিভিন্ন অংশত হিংসাত্মক প্ৰতিবাদ আৰম্ভ হ'ল। এই সম্পূৰ্ণ ঘটনাৱলীত মন কৰিবলগীয়া কথা হ'ল যে যদি কোনো ব্যক্তিক হিংসাত্মক আৰু অপৰাধমূলক কাৰ্যত লিপ্ত হোৱাৰ অভিযোগত কাৰ্য্য কৰা হয়, তেন্তে ইয়াক কিয় এটা বিশেষ সম্প্ৰদায়ৰ সৈতে জড়িত কৰি চোৱা হৈছে? ক'ৰবাত কোনোৱে মানুহক উত্তেজিত কৰি নিজৰ ব্যক্তিগত স্বাৰ্থ সাধন কৰিবলৈ চেষ্টা কৰি আছে নেকি? লগতে প্ৰশাসনিক কৰ্মচাৰী আৰু জনপ্ৰতিনিধিসকলৰো এই দায়িত্ব আছে যে তেওঁলোকে জনতাৰ খং শান্ত কৰিবলৈ সংশ্লিষ্ট লোকৰ সৈতে ততালিকে সম্বন্ধ স্থাপন কৰে। প্ৰতিবাদকাৰীসকলেও এই কথা বুজিব লাগিব যে হিংসা কোনো সমস্যাৰ সমাধান হ'ব নোৱাৰে। যদি তেওঁলোকৰ নেতাৰ বিৰুদ্ধে অভিযোগৰ বিষয়ে কোনো সন্দেহ থাকে, তেন্তে ন্যায়পালিকাৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। ৰাস্তাত উগ্ৰ আচৰণ কৰি আৰু ৰাজহুৱা সম্পত্তি নষ্ট কৰিলে একো লাভ হ'ব নোৱাৰে।

# জীৱন মানেই সংগ্ৰাম

**নৰেন হাজৰিকা**

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জখলাত উঠি উন্নতিৰ চৰম শিখৰত আৰোহণ কৰা বুলি মানুহে যিমানেই জয়গানৰ শ্ল'গান নিদিয়ক কিয় এতিয়াও মানুহে কিন্তু আদিমতাক বিদায় দিব পৰা নাই। প্ৰত্যেকজন মানুহৰ অন্তৰতেই সেই আদিম প্ৰবৃত্তিসমূহ এতিয়াও লুকাই আছে। সময় আৰু সুযোগ পালেই সেই আদিম প্ৰবৃত্তিসমূহে সাৰ পাই উঠে। প্ৰতিজন মানুহৰ মাজতেই লুকাই আছে আদিমতা তথা বন্যপ্ৰাণীৰ হিংস্ৰতা। আজিও মানুহে সেই আদিম যুগৰ দৰেই নাঙঠ হৈ থকাৰ প্ৰৱণতা আছেই। সেয়া সময় আৰু সুযোগ পালেই জাগ্ৰত হৈ উঠে। এতিয়াও মানুহে সেই আদিম প্ৰবৃত্তি সমূহ- যুদ্ধ, হিংসা, হত্যা, লালসা, স্বাৰ্থপৰতা আদি এৰিব পৰা নাই। দুৰ্বলীৰ ওপৰত সবলীৰ অত্যাচাৰ, বশীকৰণ, বঞ্চনা শোষণ, নিপীড়ণ আজিও চলি আছে। জনসংখ্যাৰ বিস্ফোৰণৰ ফলত দেশত দিনে দিনে বাঢ়ি গৈছে নানাধৰণৰ সমস্যা। আগতে এজন মানুহে ঘৰ-দুৱাৰ সাজি, খেতি-বাতি কৰি খাই থকা মাটিকেইডৰা আজি ১০-১২ টাৰ মাজত ভাগ হৈ গ'ল। ভয়ংকৰ ৰূপত দেখা দিছে খাদ্য তথা বাসগৃহৰ সমস্যাই। কিন্তু এই খিনিতে এটা কথা অতি লক্ষণীয় যে আজি কোনোবাই এসাজ ভাতৰ বাবে, এটি বাসগৃহৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে, মূৰে মাটি খান্দি কষ্ট কৰিবলগীয়া হৈছে; কিন্তু কোনোবাই প্ৰয়োজনতৈক অধিক সম্পদ আহৰণ কৰি সম্পত্তিৰ পাহাৰ গঢ়িছে। বৰ্তমান সময়ত একাংশ দিনক দিনে ধনী হৈ গৈছে আৰু একাংশই হিতাধিকাৰীৰ শাৰীতে থাকি সন্তুষ্টি লভিছে। অনাগত দিনতো যিমানেই জনসংখ্যাৰ বিস্ফোৰণ ঘটিব সিমানেই ভয়ংকৰ হৈ উঠিব খাদ্য, বাসগৃহৰ সমস্যাই। তেতিয়াই এতিয়াৰ হিতাধিকাৰীৰ শাৰীত থাকি সন্তুষ্টি লভি থকা শ্ৰেণীটোও কিন্তু হিংসুক হৈ পৰিব। অৱশ্যে তেতিয়ালৈ বহু দেৰী হৈ যায়। কিয়নো সেই সময়ত প্ৰয়োজন হ'বগৈ এখন যুদ্ধৰ। এই দুৰ্বল শ্ৰেণীটোৱে যেতিয়া নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে মূৰ তুলি থিয় হ'ব আৰু তেতিয়াই আৰম্ভ হ'ব শ্ৰেণী সংগ্ৰাম। সেই সংগ্ৰামত দুয়োটা শ্ৰেণীৰেই অৰ্থাৎ সবলী আৰু দুৰ্বলীৰ বিস্তৰ ক্ষতি হ'ব। খ্যাতনামা বিজ্ঞানী ডাৰউইনৰ সূত্ৰ অনুসৰি - প্ৰতিটো জীৱই নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'ব লগীয়া হয় আৰু এই সংগ্ৰামত শক্তিশালী সকলেই জয়লাভ কৰে। এই শক্তি অৰ্থ শক্তি অথবা অস্ত্ৰ শক্তি নহয়। জীয়াই থকাৰ বাবে প্ৰয়োজন হোৱা শক্তি। পৰিৱেশৰ শক্তি। পৰিৱেশে বাধ্য কৰাব। কিয়নো যদি কেৱল শাৰীৰিক শক্তিয়েই বাচি থকাৰ উপায় হ'লহেঁতেন, তেনেহ'লে তেতিয়াৰ জুৰাচিক যুগৰ ডাইন'ছৰ পৃথিৱীৰ পৰা কাহানিও বিলুপ্ত হৈ নগ'লহেতেন। একেদৰে অৰ্থ শক্তিয়েই যদি নিৰাপত্তা সুনিশ্চিত কৰাত সক্ষম হ'লহেঁতেন তেনেহলে ইউৰোপৰ সমৃদ্ধিশালী এসময়ৰ ৰোমান সাম্ৰাজ্য, ভাৰতৰ স্বৰ্ণ যুগৰ গুপ্ত সাম্ৰাজ্য, মোগল সাম্ৰাজ্য অথবা ফ্ৰান্সৰ শক্তিশালী লুই ৰাজবংশৰ কেতিয়াও পতন নহ'লহেঁতেন। এতিয়াও পৃথিৱীৰ বহু দেশৰ মাজত ভিতৰি ভিতৰি নিজৰ শক্তি বৃদ্ধিৰ বাবে পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিযোগিতা চলিয়েই আছে। যিয়েনেকি মানৱ জাতিক ধ্বংসৰ মুখলৈ ঠেলি নিছে। কিন্তু ইয়াৰ পৰিবৰ্তে যদি মানুহে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে বন্ধুত্বসুলভ সম্পৰ্ক, পৰস্পৰৰ মাজত সহায়-সহযোগিতা, মানৱীয়তা মনোভাৱ গঢ়ি তোলাৰ লগতে সেই আদিম প্ৰবৃত্তি সমূহ বিসৰ্জন দিলেহেঁতেন, তেনেহ'লে সঁচাকৈয়ে পৃথিৱীখন ধুনীয়া হৈ থাকিলেহেঁতেন। পৃথিৱীৰ বুকুত জন্ম লাভ কৰা আশ্চৰ্যজনক বিভিন্ন প্ৰজাতিৰ জীৱকুল তথা উদ্ভিদবোৰ কিন্তু কঠোৰ জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'ব নোৱাৰা বাবেই অধিকাংশই চিৰকালৰ বাবে বিলুপ্ত হৈ গৈছে। পৰিৱেশৰ লগত নিজকে খাপ খুৱাই জীয়াই থকাৰ উপযোগীকৈ যিয়ে নিজকে সজাই তুলিব পৰা নাই, সি চিৰদিনৰ বাবেই নোহোৱা হৈ গৈছে। উল্লেখ্য যে পৰিৱেশ অনুযায়ীয়েই জীৱসমুহে বৈশিষ্ট্য অৰ্জন কৰে। শ্ৰমৰ অভ্যাস নথকা অথবা প্ৰকৃতিৰ পৰিৱেশত খাপ খাব নোৱাৰা জীৱকুল পৃথিৱীৰ পৰা বিলুপ্ত হৈ গ'ল। কিন্তু শ্ৰমৰ অভ্যাস থকা জীৱকুল, গ্ৰীষ্ম আৰু শীত উভয়তে খাপ খাব পৰা জীৱবোৰ লুপ্ত হৈ নগ'ল, বৰঞ্চ সেই সমূহ জীৱই নিজৰ বংশ বৃদ্ধিহে কৰি গৈ আছে। সেয়েহে এটা কথা সত্য যে জীৱন মানেই সংগ্ৰামেই। অৰ্থাৎ যি কৰ্ম কৰে, শ্ৰম কৰে সি কেতিয়াও হাৰি যাব নোৱাৰে, হেৰাই যাব নোৱাৰে। কৰ্ম কৰা তথা শ্ৰমৰ অভ্যাসে জীৱকুলক যি কোনো পৰিৱেশতে খাপ খুৱাই জীয়াই থকাত সহায় কৰে। ফলত পৰিৱেশ সুন্দৰ হৈ পৰিব। অন্যথা ভাৰসাম্যহীন পৰিৱেশৰ বাবে মানুহো পৃথিৱীৰ বুকুৰ পৰা ডাইন'ছৰৰ দৰেই লুপ্ত হৈ যাবলৈ বেছিপৰ নালাগিব।

# সাম্প্ৰতিক প্ৰেক্ষাপটত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ আৰু প্ৰাসংগিকতা

**কনমনি নাথ**

সাম্প্ৰতিক প্ৰেক্ষাপটত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ আৰু প্ৰাসংগিকতা খুবেই প্ৰয়োজনীয়তা আছে বুলি অনুভৱ কৰো, কিয়নো অসমীয়া সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙনি আগবঢ়াই অহা মহান ব্যক্তি সকলৰ ভিতৰত অন্যতম এগৰাকী ব্যক্তি হ'ল, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভা সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিমত্তা আছিল। যেতিয়া তেওঁৰ বয়স ১০ বছৰ আছিল তেতিয়াই ঢাকাত এখন "উদ্দু" নাটকত অভিনয় কৰি সকলোৰে



হৃদয়স্পৰ্শ কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ৰাভাই প্ৰথম যি এখন নাটক কৰিবলৈ সুযোগ পালে তেতিয়াৰ পৰাই অসমীয়া সাহিত্য, সংস্কৃতি ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াইছিল। ঠিক সেইদৰে তেওঁ কবিতা, গল্প, প্ৰবন্ধ, উপন্যাস ৰচনা কৰাৰ উপৰিও সংগীত আৰু কলাৰ মাধ্যমেৰে অসমীয়া সমাজ ব্যৱস্থাত বিশেষ অৰিহণা যোগাইছিল। যাক আমি কেতিয়াও পাহৰিব নোৱাৰা এক অধ্যায়। প্ৰতিটো কবিতা, গানৰ মাজেৰে সুন্দৰকৈ অসমীয়া সমাজ ব্যৱস্থাৰ প্ৰতিচ্ছবি দাঙি ধৰিছিল আৰু প্ৰাকৃতিক পৰিৱেশৰ সুন্দৰ ছবি প্ৰতিফলিত হৈছিল। যি গানে মানুহৰ হৃদয়ত গভীৰ ভাবে খাজ সুমুৱাই মন-প্ৰাণ জয় কৰিব পাৰিছিল। তেওঁৰ গানৰ মধুৰতা এনেকুৱা, - "বিলতে হালিছে ধুনীয়া পদুমী, ফুলনিত ফুলিছে ফুল।" ৰাভা দেৱৰে সুন্দৰ এটি গানৰ কলি যি গানে সকলোৰে মনত বৰ্তমানো কোলাহল তুলি প্ৰকাশিত হৈছিল মিঠা অনুভূতি, প্ৰেম আৰু ভাল পোৱা। ঠিক সেইদৰে ভাৰতীয় আন্দোলনৰ সময় চোৱাত বিষ্ণুপ্ৰসাদ ৰাভা দেৱে লিখা কবিতা আৰু গীতৰ মাজেৰে যুৱক-যুৱতীসকলক প্ৰেৰণা আৰু সাহস দিয়াৰ উদ্দেশ্যে লিখি গৈছিল। তেওঁৰ কলমেৰে নিগৰিছিল স্বাধীনতাৰ গান,

''স্বাধীন চিতীয়া হালোৱা ডেকা ৰণুৱা।
পঞ্চায়েতী যুগৰ ন মনৰে মনুৱা
যুঁজিব সমৰত লগৰীয়া বনুৱা।।"

এনেদৰে বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সমাজ, সংস্কৃতি, আৰু সংগীত জগতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে তেওঁৰ সংগীত সমূহক "ৰাভা সংগীত" হিচাপে ঘোষণা কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভা অকল সাহিত্য, সংগীত জগতত সীমাবদ্ধ নাথাকি অভিনয় মাধ্যমেৰে চলচ্চিত্ৰ জগত খনটো বিশেষ অৰিহণা আগবঢ়াইছিল।

প্ৰথম অসমীয়া কথাছবি 'জয়মতী' নিৰ্মাণত জ্যোতি প্ৰসাদ আগৰৱালাক বিভিন্ন ক্ষেত্ৰত সহায় কৰাৰ উপৰিও তেখেতে 'জয়মতী' বোলছবিৰ নৃত্য পৰিচালনা হিচাপে কাম কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ এনেধৰণৰ আগ্ৰহ আৰু ভিন্ন প্ৰতিভা প্ৰদৰ্শনত আপুত হৈ তেখেতৰ সাংস্কৃতিক বৰঙনিলৈ সন্মান জনাই সেই সময়ৰ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য 'ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনে' আৰু তেখেতক ১৯৩৯ চনত 'কলাগুৰু' উপাধি প্ৰদান কৰিছিল আৰু তেতিয়াৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' নামেৰে জনাজাত হৈছিল।



এই মহান ব্যক্তি গৰাকী ওপৰত উল্লিখিত কাৰ্য্য সমূহৰ উপৰি অসমীয়া সাহিত্যৰ জগত খনত ভিন্ন প্ৰবন্ধ লিখি সাহিত্য ক্ষেত্ৰখন উজলাই তুলিছিল। যি অৱদানে বৰ্তমান আমাৰ সাহিত্য ভঁৰাল চহকী কৰি জিলিকাই ৰাখিছে। জীৱনৰ প্ৰায় শেষ মুহূৰ্তত অসমীয়া সাহিত্য, জগতখন অধিক চহকী কৰি মৃত্যুৰ পূৰ্বে এটা গান ৰচনা কৰি এনেকৈ গাইছিল,

'এয়ে মোৰ শেষ গান,
মোৰ জীৱন-নাটৰ শেষ ৰাগিনী, কল্যাণ খৰমান "

তেখেত ভগৱানৰ আন এক মানৱ ৰূপ ধাৰণ কৰি সমাজ ব্যৱস্থাত তেওঁৰ সৃষ্টি সমূহ বিলাই দিছিল আৰু সেই সৃষ্টি সমূহ আমাৰ সমাজে পৰিচালনা কৰাৰ ক্ষেত্ৰত বহু বিসংগতিয়ে জুৰুলা কৰাৰ ফলস্বৰূপে আজিৰ সমাজ ব্যৱস্থাত নতুন নতুন ঘটনা বিৰাজ কৰি চৌদিশে হাহাকাৰ লগাই আছে। যেতিয়া তেওঁৰ মৃত্যু হৈছিল তাৰ পিছৰে পৰাই বিষ্ণুপ্ৰসাদ ৰাভা দেৱক সন্মান জনাই অসমত ২০ জুন তাৰিখে ৰাভা দিৱস হিচাপে পালন কৰি আহিছোঁ।

তেখেত আমাৰ মাজত নাই যদিও ৰাভা দেৱৰ সৃষ্টি সমূহ আমি সততা আৰু শুদ্ধকৈ প্ৰয়োগৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লৈ হলেও আমাৰ সমাজ ব্যৱস্থাত গীত, মাত, কবিতা সমূহক অসমৰ চুকে কোণে ৰজন জনাই ইয়াৰ প্ৰভাৱ বিস্তাৰ কৰি ৰাভা দেৱৰ সৃষ্টি সমূহ আমাৰ সমাজত অমৰ কৰি ৰাখিব লাগিব। আৰু বৰ্তমানৰ নৱপ্ৰজন্মসকলক মহান ব্যক্তি গৰাকীৰ বিষয়ে সুন্দৰ ভাবে বুজাই তেওঁৰ নীতি-আদৰ্শ অনুসৰণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ উপৰি শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত ৰাভা দেৱৰ বিষয়ে বহল ভিত্তিত আলোচনা কৰিব পৰাকৈ পাঠ্যপুথিত সন্নিবিষ্ট কৰাটো বাধ্যতমূলক কৰিব লাগিব। তেতিয়া আমাৰ সমাজ জীৱনৰ প্ৰতিটো দিশে নৱপ্ৰজন্মসকলে সুন্দৰভাৱে, পুংখানুপুংখ ভাবে বুজিলৈ আগবাঢ়িলে গোটেই জীৱনৰ গতি পথত কোনো জটিলতাৰ সন্মুখীন নহব বুলি বিশ্বাস কৰিব পাৰি।

*পৰিৱেশৰ ওপৰত নৱীকৰণযোগ্য শক্তিৰ প্ৰভাৱৰ কথা ক'লে, ইয়াৰ সবাতোকৈ ডাঙৰ সুবিধা হ'ল কাৰ্বন নিৰ্গমন হ্ৰাস। জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ ফলত উৎপন্ন গ্ৰীণহাউচ গেছৰ নিৰ্গমন জলবায়ু পৰিৱৰ্তনৰ অন্যতম প্ৰধান কাৰণ। নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰে এই নিৰ্গমন হ্ৰাস কৰি পৰিৱেশৰ স্থিৰতা ৰক্ষাত অৰিহণা যোগায়। সৌৰ আৰু বায়ুশক্তিৰ উৎপাদন প্ৰক্ৰিয়াত কাৰ্বন নিৰ্গমন প্ৰায় শূন্য। তথাপি, নৱীকৰণযোগ্য শক্তিৰ কিছুমান দিশৰ পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱো আছে। যেনে, ডাঙৰ জলবিদ্যুৎ প্ৰকল্পৰ বাবে বান্ধ নিৰ্মাণৰ ফলত স্থানীয় জীৱবৈচিত্ৰ্যৰ ওপৰত প্ৰভাৱ পৰে, যেনে মাছৰ প্ৰজাতিৰ স্থানান্তৰ বাধাগ্ৰস্ত হোৱা বা নদীৰ প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি। একেদৰে, বায়ু টাৰ্বাইনৰ ঘূৰ্ণনৰ ফলত চৰাইৰ জনসংখ্যাৰ ওপৰত কিছু প্ৰভাৱ পৰে, যদিও নতুন ডিজাইনৰ টাৰ্বাইনৰ জৰিয়তে এই প্ৰভাৱ হ্ৰাস কৰাৰ চেষ্টা চলিছে। জৈৱশক্তিৰ উৎপাদনৰ ক্ষেত্ৰতো কিছুমান পৰিৱেশগত প্ৰত্যাহ্বান আছে, যেনে জৈৱ ইন্ধনৰ উৎপাদনৰ বাবে কৃষি ভূমিৰ ব্যৱহাৰৰ ফলত খাদ্য উৎপাদনৰ ওপৰত প্ৰভাৱ। এই সমস্যাসমূহ সমাধানৰ বাবে পৰিৱেশবান্ধৱ প্ৰযুক্তিৰ উন্নয়ন আৰু পৰিৱেশৰ ওপৰত প্ৰভাৱৰ মূল্যায়নৰ প্ৰয়োজন। উদাহৰণস্বৰূপ, জৈৱশক্তিৰ উৎপাদনৰ বাবে অ-খাদ্য শস্যৰ ব্যৱহাৰ বা বৰ্জ্যৰ পৰা শক্তি উৎপাদনৰ পদ্ধতিৰ উন্নয়নৰ জৰিয়তে পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ।*

# নৱীকৰণযোগ্য শক্তিৰ ভৱিষ্যৎ

**হিমাংশু ৰণ্জন ভূঞা**

বিশ্বৰ শক্তিৰ পৰিস্থিতি এতিয়া এক অভূতপূৰ্ব পৰিৱৰ্তনৰ সন্মুখীন। জীৱাশ্ম ইন্ধনৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা, পৰিৱেশৰ ক্ষতি, জলবায়ু পৰিৱৰ্তনৰ তীব্ৰতা, আৰু শক্তিৰ চাহিদাৰ ক্ৰমবৰ্ধমান বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত নৱীকৰণযোগ্য শক্তি এতিয়া বিশ্বৰ শক্তিৰ ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত এক অপৰিহাৰ্য শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে। সৌৰশক্তি, বায়ুশক্তি, জলশক্তি, জৈৱশক্তি, ভূ-তাপীয় শক্তি, আৰু অন্যান্য নৱীকৰণযোগ্য শক্তিৰ উৎসসমূহে শক্তিৰ চাহিদা পূৰণৰ লগতে পৰিৱেশৰ স্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত অভূতপূৰ্ব সম্ভাৱনা প্ৰকাশ কৰিছে।

নৱীকৰণযোগ্য শক্তিৰ মূল আকৰ্ষণ হ'ল ইয়াৰ পুনৰুৎপাদনৰ ক্ষমতা আৰু পৰিৱেশৰ ওপৰত ন্যূনতম ক্ষতিকাৰক প্ৰভাৱ। এই শক্তিৰ উৎসসমূহ প্ৰকৃতিৰ পৰা পোৱা সম্পদৰ ওপৰত নিৰ্ভৰশীল, যিবোৰ অফুৰন্ত আৰু পৰিৱেশৰ সৈতে সামঞ্জস্যপূৰ্ণ। সৌৰশক্তিৰ ক্ষেত্ৰত, সূৰ্যৰ পোহৰৰ পৰা বিদ্যুৎ উৎপাদনৰ প্ৰযুক্তি শেহতীয়া দশকবোৰত অভূতপূৰ্বভাৱে উন্নত হৈছে। ফটোভোল্টেইক কোষৰ কাৰ্যক্ষমতা বৃদ্ধিৰ লগতে উৎপাদনৰ খৰচ হ্ৰাসৰ ফলত সৌৰশক্তি এতিয়া বহু দেশত জীৱাশ্ম ইন্ধনৰ তুলনাত অধিক সাশ্ৰয়ী হৈ পৰিছে। উদাহৰণস্বৰূপ, ভাৰতৰ দৰে দেশত সৌৰশক্তিৰ প্ৰকল্পৰ সংখ্যা আৰু ক্ষমতা দ্ৰুতগতিত বৃদ্ধি পাইছে। জাতীয় সৌৰ মিছনৰ জৰিয়তে ভাৰতত গ্ৰাম্য অঞ্চলতো সৌৰশক্তিৰ জৰিয়তে বিদ্যুৎৰ সুবিধা সম্প্ৰসাৰিত হৈছে, যাৰ ফলত শিক্ষা, স্বাস্থ্যসেৱা, আৰু কৃষিৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। বায়ুশক্তিৰ ক্ষেত্ৰতো একেধৰণৰ অগ্ৰগতি পৰিলক্ষিত হৈছে। উন্নত টাৰ্বাইন ডিজাইন, উচ্চ ক্ষমতাসম্পন্ন ব্লেড, আৰু অফশ্ব'ৰ বায়ু ফাৰ্মৰ সম্প্ৰসাৰণৰ জৰিয়তে বায়ুশক্তিৰ উৎপাদন ক্ষমতা বহুগুণে বৃদ্ধি পাইছে। উত্তৰ সাগৰৰ অফশ্ব'ৰ বায়ু ফাৰ্মসমূহে ইউৰোপৰ শক্তিৰ চাহিদাৰ এক গুৰুত্বপূৰ্ণ অংশ পূৰণ কৰিছে। জলশক্তিৰ ক্ষেত্ৰত ডাঙৰ বান্ধৰ পৰা সৰু সৰু ৰান-অৱ-ৰিভাৰ প্ৰকল্পলৈকে বিভিন্ন প্ৰযুক্তিৰ প্ৰয়োগে এই খণ্ডৰ সম্ভাৱনা বৃদ্ধি কৰিছে। তথাপি, ডাঙৰ বান্ধৰ পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱৰ বাবে সৰু সৰু প্ৰকল্পৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। জৈৱশক্তিৰ ক্ষেত্ৰত কৃষি আৰু জৈৱিক বৰ্জ্যৰ পৰা শক্তি উৎপাদনৰ নতুন নতুন পদ্ধতিৰ উন্নয়ন ঘটিছে, যাৰ ফলত বৰ্জ্য ব্যৱস্থাপনাৰ লগতে শক্তিৰ উৎপাদনৰ সম্ভাৱনা বৃদ্ধি পাইছে। ভূ-তাপীয় শক্তিৰ ব্যৱহাৰ যদিও ভৌগোলিকভাৱে সীমিত, তথাপি ইয়াৰ স্থিৰতা আৰু নিৰ্ভৰযোগ্যতাৰ বাবে ই কিছুমান অঞ্চলত গুৰুত্বপূৰ্ণ শক্তিৰ উৎস হৈ পৰিছে। উদাহৰণস্বৰূপ, আইচলেণ্ডৰ দৰে দেশত ভূ-তাপীয় শক্তিৰ ব্যৱহাৰে শক্তিৰ চাহিদাৰ এক বৃহৎ অংশ পূৰণ কৰিছে।

প্ৰযুক্তিগত উন্নতিৰ কথা ক'লে, নৱীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত গৱেষণা আৰু উদ্ভাৱনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শক্তি সঞ্চয়ৰ প্ৰযুক্তিৰ উন্নতিৰ জৰিয়তে সৌৰ আৰু বায়ুশক্তিৰ মতো অস্থিৰ শক্তিৰ উৎসসমূহৰ ব্যৱহাৰ অধিক নিৰ্ভৰযোগ্য হৈ পৰিছে। লিথিয়াম-আয়ন বেটাৰীৰ উপৰিও নতুন নতুন শক্তি সঞ্চয় পদ্ধতি যেনে ফ্ল' বেটাৰী, হাইড্ৰ'জেন-ভিত্তিক সঞ্চয়, আৰু তাপীয় সঞ্চয়ৰ উন্নয়ন ঘটিছে। এই প্ৰযুক্তিসমূহে শক্তিৰ চাহিদা আৰু যোগানৰ মাজৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰিছে। হাইড্ৰ'জেন-ভিত্তিক শক্তি সঞ্চয় ব্যৱস্থাই শক্তিৰ দীৰ্ঘম্যাদী সঞ্চয়ৰ সম্ভাৱনা প্ৰকাশ কৰিছে, যাৰ ফলত ঋতুভিত্তিক শক্তিৰ চাহিদা পূৰণ কৰা সম্ভৱ হৈছে। তদুপৰি, স্মাৰ্ট গ্ৰিড প্ৰযুক্তিৰ ব্যৱহাৰে শক্তি বিতৰণ ব্যৱস্থাৰ দক্ষতা বৃদ্ধি কৰিছে। এই গ্ৰিডসমূহে শক্তিৰ উৎসসমূহৰ মাজত সংযোগ স্থাপন কৰি চাহিদা অনুযায়ী শক্তি বিতৰণৰ ক্ষেত্ৰত নমনীয়তা প্ৰদান কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু তথ্য বিশেষণৰ প্ৰয়োগে শক্তিৰ ব্যৱহাৰৰ পূৰ্বাভাস দিয়া আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপ, কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সৌৰ আৰু বায়ুশক্তিৰ উৎপাদনৰ পূৰ্বাভাস দিয়া সম্ভৱ হৈছে, যাৰ ফলত গ্ৰিডৰ স্থিৰতা বৃদ্ধি পাইছে। তদুপৰি, নৱীকৰণযোগ্য শক্তিৰ উৎপাদনৰ সৈতে জড়িত যন্ত্ৰপাতিৰ উন্নতিৰ জৰিয়তে শক্তিৰ ক্ষতি হ্ৰাস পাইছে। উদাহৰণস্বৰূপ, উন্নত ইনভাৰ্টাৰৰ ব্যৱহাৰে সৌৰশক্তিৰ পৰা বিদ্যুৎৰ ৰূপান্তৰৰ দক্ষতা বৃদ্ধি কৰিছে।

শেহতীয়া বছৰবোৰত এই খণ্ডত বিনিয়োগৰ পৰিমাণ বৃদ্ধি পাইছে। ব্যক্তিগত খণ্ডৰ উপৰিও চৰকাৰী সংস্থাসমূহে নৱীকৰণযোগ্য শক্তিৰ প্ৰকল্পত পুঁজি নিয়োগ কৰিছে। এই বিনিয়োগে নতুন নতুন প্ৰযুক্তিৰ উন্নয়নৰ লগতে নিয়োগৰ সুযোগ সৃষ্টি কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত সৌৰ আৰু বায়ু শক্তিৰ প্ৰকল্পৰ জৰিয়তে লাখ লাখ নতুন কৰ্মসংস্থানৰ সৃষ্টি হৈছে। চীনত সৌৰ পেনেলৰ উৎপাদন আৰু স্থাপনৰ জৰিয়তে হাজাৰ হাজাৰ নতুন নিয়োগৰ সৃষ্টি হৈছে। ইয়াৰ উপৰিও, নৱীকৰণযোগ্য শক্তিৰ উৎপাদন খৰচ হ্ৰাসৰ ফলত এই শক্তিৰ উৎসসমূহ জীৱাশ্ম ইন্ধনৰ তুলনাত অধিক প্ৰতিযোগিতামূলক হৈ পৰিছে। গ্ৰাম্য অঞ্চলত, য'ত পৰম্পৰাগত বিদ্যুৎ গ্ৰিডৰ সংযোগ নাই, সৌৰশক্তি আৰু সৰু সৰু বায়ু টাৰ্বাইনৰ ব্যৱহাৰে অৰ্থনৈতিক উন্নয়নৰ নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপ, আফ্ৰিকাৰ কিছুমান দেশত সৌৰশক্তিৰ জৰিয়তে গ্ৰাম্য অঞ্চলত বিদ্যুৎৰ সুবিধা প্ৰদান কৰা হৈছে, যাৰ ফলত স্থানীয় ব্যৱসায় আৰু কৃষিৰ উন্নতি হৈছে। তথাপি, প্ৰাথমিক বিনিয়োগৰ উচ্চ খৰচ আৰু অবকাঠামোৰ সীমাবদ্ধতাৰ বাবে কিছুমান উন্নয়নশীল দেশত নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই সমস্যা সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বিনিয়োগৰ প্ৰয়োজন। উদাহৰণস্বৰূপ, বিশ্ব বেংক আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংস্থাই উন্নয়নশীল দেশসমূহত নৱীকৰণযোগ্য শক্তিৰ প্ৰকল্পৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিছে।

পৰিৱেশৰ ওপৰত নৱীকৰণযোগ্য শক্তিৰ প্ৰভাৱৰ কথা ক'লে, ইয়াৰ সবাতোকৈ ডাঙৰ সুবিধা হ'ল কাৰ্বন নিৰ্গমন হ্ৰাস। জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰৰ ফলত উৎপন্ন গ্ৰীণহাউচ গেছৰ নিৰ্গমন জলবায়ু পৰিৱৰ্তনৰ অন্যতম প্ৰধান কাৰণ। নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰে এই নিৰ্গমন হ্ৰাস কৰি পৰিৱেশৰ স্থিৰতা ৰক্ষাত অৰিহণা যোগায়। সৌৰ আৰু বায়ুশক্তিৰ উৎপাদন প্ৰক্ৰিয়াত কাৰ্বন নিৰ্গমন প্ৰায় শূন্য। তথাপি, নৱীকৰণযোগ্য শক্তিৰ কিছুমান দিশৰ পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱো আছে। যেনে, ডাঙৰ জলবিদ্যুৎ প্ৰকল্পৰ বাবে বান্ধ নিৰ্মাণৰ ফলত স্থানীয় জীৱবৈচিত্ৰ্যৰ ওপৰত প্ৰভাৱ পৰে, যেনে মাছৰ প্ৰজাতিৰ স্থানান্তৰ বাধাগ্ৰস্ত হোৱা বা নদীৰ প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি। একেদৰে, বায়ু টাৰ্বাইনৰ ঘূৰ্ণনৰ ফলত চৰাইৰ জনসংখ্যাৰ ওপৰত কিছু প্ৰভাৱ পৰে, যদিও নতুন ডিজাইনৰ টাৰ্বাইনৰ জৰিয়তে এই প্ৰভাৱ হ্ৰাস কৰাৰ চেষ্টা চলিছে। জৈৱশক্তিৰ উৎপাদনৰ ক্ষেত্ৰতো কিছুমান পৰিৱেশগত প্ৰত্যাহ্বান আছে, যেনে জৈৱ ইন্ধনৰ উৎপাদনৰ বাবে কৃষি ভূমিৰ ব্যৱহাৰৰ ফলত খাদ্য উৎপাদনৰ ওপৰত প্ৰভাৱ। এই সমস্যাসমূহ সমাধানৰ বাবে পৰিৱেশবান্ধৱ প্ৰযুক্তিৰ উন্নয়ন আৰু পৰিৱেশৰ ওপৰত প্ৰভাৱৰ মূল্যায়নৰ প্ৰয়োজন। উদাহৰণস্বৰূপ, জৈৱশক্তিৰ উৎপাদনৰ বাবে অ-খাদ্য শস্যৰ ব্যৱহাৰ বা বৰ্জ্যৰ পৰা শক্তি উৎপাদনৰ পদ্ধতিৰ উন্নয়নৰ জৰিয়তে পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱ হ্ৰাস কৰা সম্ভৱ।

সামাজিক গ্ৰহণযোগ্যতাৰ দিশৰ পৰা নৱীকৰণযোগ্য শক্তিৰ ভৱিষ্যৎৰ ক্ষেত্ৰত জনসাধাৰণৰ সচেতনতা আৰু সমৰ্থন অতি গুৰুত্বপূৰ্ণ। বহু দেশত চৰকাৰৰ নীতি আৰু প্ৰণোদনাৰ জৰিয়তে নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। উদাহৰণস্বৰূপ, ভাৰতত জাতীয় সৌৰ মিছনৰ জৰিয়তে সৌৰশক্তিৰ সম্প্ৰসাৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তথাপি, গ্ৰাম্য অঞ্চলত সচেতনতাৰ অভাৱ আৰু প্ৰযুক্তিগত জ্ঞানৰ সীমাবদ্ধতাৰ বাবে কিছুমান ক্ষেত্ৰত এই শক্তিৰ ব্যৱহাৰ সীমিত হৈ আছে। শিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে এই সমস্যা সমাধান কৰা সম্ভৱ। ইয়াৰ উপৰিও, নৱীকৰণযোগ্য শক্তিৰ প্ৰকল্পসমূহৰ স্থানীয় সম্প্ৰদায়ৰ সৈতে সংযোগ স্থাপনৰ প্ৰয়োজন। স্থানীয় লোকৰ সৈতে পৰামৰ্শ আৰু তেওঁলোকৰ মতামত গ্ৰহণৰ জৰিয়তে প্ৰকল্পৰ গ্ৰহণযোগ্যতা বৃদ্ধি পায়। উদাহৰণস্বৰূপ, সৌৰশক্তিৰ প্ৰকল্পৰ ক্ষেত্ৰত গ্ৰাম্য অঞ্চলৰ লোকসকলক প্ৰশিক্ষণ প্ৰদান কৰি তেওঁলোকক প্ৰকল্পৰ সৈতে জড়িত কৰিলে স্থানীয় অৰ্থনীতিৰ উন্নতিৰ লগতে সামাজিক গ্ৰহণযোগ্যতাও বৃদ্ধি পায়। তদুপৰি, নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰৰ জৰিয়তে গ্ৰাম্য অঞ্চলত শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সুবিধা বৃদ্ধি পাইছে। উদাহৰণস্বৰূপ, সৌৰশক্তিৰ জৰিয়তে গ্ৰাম্য বিদ্যালয়সমূহত আলোক ব্যৱস্থা আৰু কম্পিউটাৰৰ সুবিধা প্ৰদান কৰা হৈছে, যাৰ ফলত শিক্ষাৰ মান উন্নত হৈছে।

নীতি-নিৰ্ধাৰণৰ ক্ষেত্ৰত নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণৰ বাবে স্থিৰ আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন। বহু দেশত চৰকাৰে নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰৰ বাবে ভৰ্তুকি, কৰ ৰেহাই, আৰু অন্যান্য প্ৰণোদনা প্ৰদান কৰিছে। ইউৰোপীয় ইউনিয়নৰ গ্ৰীণ ডিলৰ জৰিয়তে ২০৫০ চনৰ ভিতৰত কাৰ্বন নিৰপেক্ষতা অৰ্জনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ভাৰততো ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নৱীকৰণযোগ্য শক্তিৰ ক্ষমতা অৰ্জনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তথাপি, নীতিৰ অস্থিৰতা আৰু আমলাতান্ত্ৰিক জটিলতাৰ ফলত বিনিয়োগকাৰীৰ আস্থা হ্ৰাস পায়। এই সমস্যা সমাধানৰ বাবে স্পষ্ট আৰু স্থিৰ নীতিৰ প্ৰয়োজন। ইয়াৰ উপৰিও, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন। জলবায়ু পৰিৱৰ্তনৰ মতো বিশ্বজনীন সমস্যাৰ সমাধানৰ বাবে দেশসমূহৰ মাজত প্ৰযুক্তি আৰু জ্ঞানৰ আদান-প্ৰদান অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপ, উন্নত দেশসমূহৰ পৰা উন্নয়নশীল দেশসমূহলৈ প্ৰযুক্তি হস্তান্তৰৰ জৰিয়তে নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ ত্বৰান্বিত কৰা সম্ভৱ। উদাহৰণস্বৰূপ, আন্তঃৰাষ্ট্ৰীয় সৌৰ জোটৰ জৰিয়তে বিভিন্ন দেশৰ মাজত সৌৰশক্তিৰ প্ৰযুক্তি আৰু অভিজ্ঞতাৰ আদান-প্ৰদান ঘটিছে।

ভৱিষ্যতে নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণৰ বাবে কেইবাটাও দিশৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। প্ৰযুক্তিগত উন্নয়নৰ লগতে অবকাঠামোৰ উন্নতিৰ প্ৰয়োজন। শক্তি সঞ্চয়ৰ ক্ষমতা বৃদ্ধি আৰু গ্ৰিডৰ স্থিৰতা নিশ্চিত কৰাৰ বাবে নতুন প্ৰযুক্তিৰ প্ৰয়োজন। অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সমাধানৰ বাবে প্ৰাথমিক বিনিয়োগৰ খৰচ হ্ৰাস আৰু বিনিয়োগকাৰীৰ বাবে সুবিধা প্ৰদানৰ প্ৰয়োজন। পৰিৱেশৰ ওপৰত নৱীকৰণযোগ্য শক্তিৰ প্ৰকল্পৰ নেতিবাচক প্ৰভাৱ হ্ৰাসৰ বাবে গৱেষণা আৰু উন্নয়নৰ প্ৰয়োজন। সামাজিক সচেতনতা বৃদ্ধিৰ বাবে শিক্ষা আৰু প্ৰচাৰৰ প্ৰয়োজন। আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে জ্ঞান আৰু প্ৰযুক্তিৰ আদান-প্ৰদান বৃদ্ধিৰ প্ৰয়োজন। তদুপৰি নৱীকৰণযোগ্য শক্তিৰ প্ৰকল্পৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা আৰু নীতিৰ স্থিৰতাৰ প্ৰয়োজন। উদাহৰণস্বৰূপ, নীতিৰ অস্থিৰতাৰ ফলত বিনিয়োগকাৰীৰ আস্থা হ্ৰাস পায়, যাৰ ফলত প্ৰকল্পৰ অগ্ৰগতি বাধাগ্ৰস্ত হয়।

ভাৰতৰ পৰিপ্ৰেক্ষিতত নৱীকৰণযোগ্য শক্তিৰ ভৱিষ্যৎ অতি সম্ভাৱনাময়। ভাৰতৰ জাতীয় সৌৰ মিছন আৰু বায়ুশক্তিৰ সম্প্ৰসাৰণৰ পৰিকল্পনাই ইতিমধ্যে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নৱীকৰণযোগ্য শক্তিৰ ক্ষমতা অৰ্জনৰ লক্ষ্যৰে ভাৰত এই ক্ষেত্ৰত নেতৃত্ব দিবলৈ সাজু হৈছে। তথাপি, এই লক্ষ্য অৰ্জনৰ বাবে অবকাঠামোৰ উন্নতি, বিনিয়োগৰ বৃদ্ধি, আৰু জনসাধাৰণৰ সচেতনতাৰ প্ৰয়োজন। গ্ৰাম্য অঞ্চলত সৌৰশক্তিৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষা, স্বাস্থ্যসেৱা, আৰু কৃষিৰ উন্নতি সম্ভৱ। গ্ৰাম্য অঞ্চলত সৌৰশক্তিৰ জৰিয়তে পানীৰ পাম্প, আলোক ব্যৱস্থা, আৰু কৃষিৰ সঁজুলিৰ ব্যৱহাৰৰ জৰিয়তে স্থানীয় অৰ্থনীতিৰ উন্নতি হৈছে। তদুপৰি, ভাৰতৰ দৰে দেশত জৈৱশক্তিৰ সম্ভাৱনা অতি উচ্চ, কিয়নো কৃষি আৰু জৈৱিক বৰ্জ্যৰ পৰিমাণ অতি বেছি। এই বৰ্জ্যৰ পৰা শক্তি উৎপাদনৰ জৰিয়তে বৰ্জ্য ব্যৱস্থাপনাৰ লগতে শক্তিৰ চাহিদা পূৰণ কৰা সম্ভৱ। নৱীকৰণযোগ্য শক্তিৰ ভৱিষ্যৎৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। জলবায়ু পৰিৱৰ্তনৰ মতো বিশ্বজনীন সমস্যাৰ সমাধানৰ বাবে দেশসমূহৰ মাজত প্ৰযুক্তি আৰু জ্ঞানৰ আদান-প্ৰদান অতি প্ৰয়োজনীয়। পেৰিছ জলবায়ু চুক্তিৰ জৰিয়তে বিভিন্ন দেশে কাৰ্বন নিৰ্গমন হ্ৰাসৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে, আৰু নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ এই লক্ষ্য অৰ্জনৰ অন্যতম প্ৰধান উপায়। তদুপৰি, উন্নত দেশসমূহৰ পৰা উন্নয়নশীল দেশসমূহলৈ প্ৰযুক্তি হস্তান্তৰৰ জৰিয়তে নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ ত্বৰান্বিত কৰা সম্ভৱ। জাৰ্মানীৰ দৰে দেশৰ পৰা উন্নত বায়ু টাৰ্বাইনৰ প্ৰযুক্তি উন্নয়নশীল দেশসমূহলৈ হস্তান্তৰ কৰাৰ ফলত বায়ুশক্তিৰ সম্প্ৰসাৰণ ত্বৰান্বিত হৈছে।

সামৰণিত ক'ব পাৰি যে নৱীকৰণযোগ্য শক্তিৰ ভৱিষ্যৎ অতি সম্ভাৱনাময়। প্ৰযুক্তিগত উন্নতি, অৰ্থনৈতিক সুবিধা, পৰিৱেশৰ স্থিৰতা, সামাজিক গ্ৰহণযোগ্যতা, আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে এই শক্তিৰ উৎসসমূহ বিশ্বৰ শক্তিৰ চাহিদা পূৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তথাপি, প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। নৱীকৰণযোগ্য শক্তিৰ সম্পূৰ্ণ সম্ভাৱনা কাৰ্যকৰী কৰাৰ বাবে সকলোৱে সহযোগিতাৰ প্ৰয়োজন। এই শক্তিৰ উৎসসমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে আমি এক স্থিৰ, সমৃদ্ধ, আৰু পৰিৱেশবান্ধৱ ভৱিষ্যৎ গঢ়ি তুলিব পাৰিম।

ফোন ঃ ৯৮৬৪৫৩৯৯৬৬

# বকোৰ বড়গাওঁ বাকাৰাপাৰাত শিংৰা নৈৰ বুকুত জাহ গৈছে চপৰা চপৰে গড়া

**অসম বাৰ্তা, বকো, ১০ জুন ঃ** কামৰূপ জিলাৰ বকোৰ বড়গাওঁ বাকাৰাপাৰা-বড়গাওঁ ভালাপাৰা হৈ শিংৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথৰ কাষতে লাগি থকা শিংৰা নৈৰ গড়া খহনীয়াৰ ফলত যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পাৰে ভয়ানক বিপদ। নৈৰ বুকুত জাহ গৈছে চপৰা চপৰে গড়া। পানীয়ে ক্ৰমান্বয়ে খহাই লৈ গৈছে নদীৰ গৰা। বকোৰ বড়গাওঁ বাকাৰাপাৰাৰ- বড়গাওঁ ভালাপাৰা হৈ শিংৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথ। বিগত ২০১৪ চনৰ বিধ্বংসী বানপানীয়ে পথটো খণ্ড বিখণ্ড কৰি পথ যোগাযোগ বিচ্ছিন্ন কৰি পেলায়। তাৰ পিছতেই বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ তৎপৰতাত সমগ্ৰ বিষয়টোৰ সম্পৰ্কে অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আৱেদন নিৱেদন কৰিও আজিলৈ নাপালে কোনো ধৰণৰ ফলপ্ৰসূ সঁহাৰি। স্থানীয় বিধায়িকাৰ ভূমিকাক লৈও ক্ষোভ উজাৰিলে ৰাইজে। অন্যহাতে মৰণত শৰণ দি এই পথ ছোৱাৰে নিতৌ অহা যোৱা কৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক,কৃষকৰ লগতে অন্যান্য লোকো আৰু নিৰ্বাচনৰ সময়ত ভোটদানৰ বাবে যাব লাগে এই পথ ছোৱাৰেই। এতিয়া অৱশিষ্ট অংশখিনিও খহাই নিলে বৃহৎ ক্ষতিৰ সন্মুখীন হ'ব বিস্তীৰ্ণ কৃষিভূমি, চহা কৃষক। ইফালে কম দিনৰ ভিতৰতে উপযুক্ত ব্যৱস্থা নল'লে ক্ষতিসাধন হ'ব, এনে আশংকাত দিন কটাইছে ৰাইজে।



# বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধান তথা বানবিধ্বস্তসকলৰ সংস্থাপনৰ দাবীত তিনিচুকীয়াত 'আছু'ৰ অৱস্থান ধৰ্মঘট

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১০ জুন ঃ** তিনিচুকীয়া জিলাৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান আৰু বান বিধ্বস্তসকলৰ সংস্থাপনৰ দাবীত অলপতে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই জিলা সদৰত এক ৩ ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। তিনিচুকীয়া জিলাৰ বিভিন্ন অঞ্চল দশক দশক ধৰি বান গৰাখহনীয়াৰ কৱলত পৰি জুৰুলা হৈ আহিছে। উল্লেখ্য যে, বান আৰু গৰাখহনীয়াৰ ফলত জিলাখনৰ বহু গাঁঞ্জও নিঃচিহ্ন হৈ পৰা লগতে হাজাৰ হাজাৰ লোকৰ ঘৰ-বাৰী তথা ভেঁটি উচন পৰাত বহু পৰিয়াল আজিও আশ্ৰয় শিবিৰত এক দুৰ্বিসহ জীৱন যাপন অতিবাহিত কৰি আছে। কিন্তু চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই এইক্ষেত্ৰত আজিকোপতি কোনোধৰণৰ সুদূৰপ্ৰসাৰী কাৰ্যব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। এই সন্দৰ্ভত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওঁঞ্জগ আৰু সাধাৰণ সম্পাদক কনচেং গগৈয়ে কয়, "খনিজ সম্পদ, বনজ সম্পদত চহকী তিনিচুকীয়া জিলাই ৰাজহৰ নামত চৰকাৰক বছৰি কোটি কোটি টকা দি আছে। কিন্তু জিলাখনৰ আন সমস্যাসমূহৰ লগতে অন্যতম প্ৰধান তথা জ্বলন্ত সমস্যা বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধানৰ কাৰণে কোনোধৰণৰ দীৰ্ঘম্যাদী পদক্ষেপ গ্ৰহণ নকৰাটো অতি দুৰ্ভাগ্যজনক। গতিকে, বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান নোহোৱা পৰ্যন্ত ছাত্ৰ সন্থাৰ ধাৰাবাহিক আন্দোলন অব্যাহত থাকিব। লগতে তিনিচুকীয়া জিলাবাসীক কৰা অৱহেলাৰ ফল চৰকাৰে আগন্তুক দিনত ভুগিব লাগিব।" তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ প্ৰায় ৪ শতাধিক ছাত্ৰ-কৰ্মীৰ উপস্থিতিত গ্ৰহণ কৰা ধৰ্মঘটস্থলীত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁই, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জীতেন্দ্ৰ চুতীয়াই উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। সমৰ গোহাঁইয়ে কয় যে, চৰকাৰে অতিশীঘ্ৰে বান-গৰাখহনীয়া সমস্যা সমাধানৰ কাৰণে স্থায়ী পদক্ষেপ নকৰিলে আগন্তুক নিৰ্বাচনৰ সময়ত গাঁৱে-ভূঞে, চহৰে-নগৰে ৰাইজক লগত লৈ ছাত্ৰ সন্থাই ঐক্যবদ্ধভাৱে প্ৰতিবাদ সাব্যস্ত কৰিব। আজিৰ কাৰ্যসূচীত জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় দিপাংকৰ বুঢ়াগোহাঁই আৰু টংকেশ্বৰ শইকীয়াৰ লগতে মটক যুৱ-ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাংঠনিক সম্পাদক দীপাংকৰ ৰাজখোৱা আৰু জিলাৰ সভাপতি-সম্পাদকদ্বয় উপস্থিত থাকে।


# বকোৰ বড়গাঁও বাকাৰাপাৰাত শিংৰা নৈৰ বুকুত জাহ গৈছে চপৰা চপৰে গড়া

**অসম বাৰ্তা, বকো, ১০ জুন ঃ** কামৰূপ জিলাৰ বকোৰ বড়গাওঁ বাকাৰাপাৰা- বড়গাওঁ ভালাপাৰা হৈ শিংৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথৰ কাষতে লাগি থকা শিংৰা নৈৰ গড়া খহনীয়াৰ ফলত যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পাৰে ভয়ানক বিপদ। নৈৰ বুকুত জাহ গৈছে চপৰা চপৰে গড়া। পানীয়ে ক্ৰমান্বয়ে খহাই লৈ গৈছে নদীৰ গৰা। বকোৰ বড়গাওঁ বাকাৰাপাৰাৰ- বড়গাওঁ ভালাপাৰা হৈ শিংৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী পথ। বিগত ২০১৪ চনৰ বিধ্বংসী বানপানীয়ে পথটো খণ্ড বিখণ্ড কৰি পথ যোগাযোগ বিচ্ছিন্ন কৰি পেলায়। তাৰ পিছতেই বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ তৎপৰতাত সমগ্ৰ বিষয়টোৰ সম্পৰ্কে অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আৱেদন নিৱেদন কৰিও আজিলৈ নাপালে কোনো ধৰণৰ ফলপ্ৰসূ সঁহাৰি। স্থানীয় বিধায়িকাৰ ভূমিকাক লৈও ক্ষোভ উজাৰিলে ৰাইজে। অন্যহাতে মৰণত শৰণ দি এই পথ ছোৱাৰে নিতৌ অহা যোৱা কৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক,কৃষকৰ লগতে অন্যান্য লোকো আৰু নিৰ্বাচনৰ সময়ত ভোটদানৰ বাবে যাব লাগে এই পথ ছোৱাৰেই। এতিয়া অৱশিষ্ট অংশখিনিও খহাই নিলে বৃহৎ ক্ষতিৰ সন্মুখীন হ'ব বিস্তীৰ্ণ কৃষিভূমি, চহা কৃষক। ইফালে কম দিনৰ ভিতৰতে উপযুক্ত ব্যৱস্থা নল'লে ক্ষতিসাধন হ'ব, এনে আশংকাত দিন কটাইছে ৰাইজে।


# কচুৱাত পথ দুৰ্ঘটনাত গুৰুতৰ আহত তিনি

**অসম বাৰ্তা, কচুৱা, ১০ জুন ঃ** নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত মাধৱপাৰাত আজি পুৱাই এক পথ দুৰ্ঘটনা সংঘটিত হয়। মাধৱপাৰাৰ পৰা কামপুৰ অভিমুখে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই গড়কাপ্টানী পথত বাগৰি পৰে এখন টেম্পু। দুৰ্ঘটনাত পাঁচজনকৈ যাত্ৰী আহত হয়, ইয়াৰে তিনিজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। গুৰুত্বৰ ভাৱে আহত লোকসকলৰ পৰিচয় জানিব পৰা হোৱা নাই যদিও আহত লোক সকলক ততাতৈয়াকৈ স্থানীয় ৰাইজে উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সংঘটিত হোৱা গাড়ীখনৰ নম্বৰ হ'ল AS-02-CC-0648, দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছত গাড়ী চালকজনে সেই ঠাইৰ পৰা পলায়ন কৰে বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাস্থলীত কচুৱা আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।



# দিহিং নৈৰ গড়া খহনীয়াৰ ৰুদ্ৰ ৰূপ

# কাল অমানিশা কঢ়িয়াই আনিছে জাগুনৰ তিনিখনকৈ গাঁৱলৈ

**অসম বাৰ্তা, জাগুন, ১০ জুন ঃ** সপোন দেখাই যেন ভুল আছিল তেওঁলোকৰ,জীৱন সংগ্ৰামৰ মাজেৰে তিল তিলকৈ গঢ় দিয়া নিজৰ খেতিৰ মাটি দৰা সপোনৰ ঘৰখন এতিয়া অতীত হোৱাৰ পথত। দিক বিদিক হেৰুৱাই পেলোৱা এক দুৰ্বিসহ জীৱন গাথা। সংগ্ৰাম কৰাৰো যেন সাহস নাইকীয়া হৈ পৰিছে এই সকল লোকৰ।মাৰ্ঘেৰিটা সম জিলাৰ টিৰাপ মৌজাৰ অন্তৰ্গত জাগুনৰ দিহিং নৈপৰীয়া কেইবাখনো গাঁৱৰ ৰাইজৰ মাজত বৰ্তমানে এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। বাৰিষাৰ আগমনৰ লগে লগে বছৰটোৰ প্ৰথমটো বাঢ়নী পানীয়ে একপ্ৰকাৰ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে নৈপৰীয়া ৰাইজৰ মাজত। গড়া খহনীয়াৰ কৱলত পৰি শ শ বিঘা কৃষি ভূমি নৈৰ বুকুত বিলীন হৈ পৰিছে। জাগুনৰ দিহিং নৈৰ কাষৰীয়া কথা চেমা,কথা আদৰ্শ,কথা কাষৰনিকে ধৰি কেইবাখনো গাঁৱৰ কৃষিজীৱী ৰাইজৰ অস্তিত্ব এতিয়া বিপদাপন্ন হৈ পৰিছে। ইয়াৰোপৰি ১৯৭৪ চনত স্থাপন হোৱা কথাচেমা চৰকাৰী প্ৰাথমিক বিদ্যালয় খনৰ প্ৰতিও তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে দিহিং নৈৰ এই গড়া খহনীয়াই। বিগত কেইবা বছৰ ধৰি ভুক্তভোগী ৰাইজে এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাক আৱেদন নিবেদন কৰি আহিছে যদিও কেৱল নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি আৰু আশ্বাস দিয়াৰ বাদে আজি পৰ্য্যন্ত কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। উক্ত স্পৰ্শকাতৰ বিষয়টোৰ এক স্থায়ী সমাধানৰ বাবে নৈ পৰীয়া ৰাইজে আৱেগিক কণ্ঠৰে বিভাগীয় মন্ত্ৰী পিযুষ হাজৰিকা আৰু স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাক কাতৰ আহ্বান জনাইছে।

# অনাতাঁৰ শিল্পী জুপিতৰা বৰঠাকুৰৰ কণ্ঠত বিশিষ্ট গীতিকাৰ প্ৰশান্ত বৰদলৈৰ নতুন গীত উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ জুন ঃ** অসমীয়া গীতি-সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়োৱা, অসমীয়া সংগীত জগতৰ এগৰাকী অন্যতম গীতিকাৰ, প্ৰশান্ত বৰদলৈয়ে লেখা আৰু সুৰাৰোপ কৰা "অহাৰ বাতৰি পাই" -শীৰ্ষক এটি নতুন গীত তেখেতৰ ডিব্ৰুগড়ৰ চিৰিং চাপৰিৰ আৱাসত ৮ জুনত শুভমুক্তি দিয়া হয় ।অনাতাঁৰ শিল্পী অসমৰ এক প্ৰসিদ্ধ মহিলা কন্ঠ জুপিতৰা বৰঠাকুৰে কন্ঠ দনা কৰিছে গীতটিত। গজলৰ আভাস থকা গীতটিৰ সংগীত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ এ গ্ৰেডপ্ৰাপ্ত স্বাক্ষৰ শৰ্মাৰ। সান্তনু ৰঞ্জন বৰঠাকুৰে তবলাত সহযোগ কৰা গীতটিৰ ক'ভাৰ পেজ সজাইছে আৰোহণ বৰঠাকুৰে। উন্মোচনী অনুষ্ঠানত ডিব্ৰুগড়ৰ সংগীত ক্ষেত্ৰত কেইবা দহকধৰি প্ৰতিনিধিত্ব কৰি অহা অধিকাংশ প্ৰবীন শিল্পী অনুষ্ঠানত উপস্থিত থাকে ।সম্প্ৰতি জনপ্ৰিয়তা লাভ কৰা অসমীয়া বোলছবি ভাইমন দাৰ সংগীতৰ মেন্দলীনত বিশেষ ভাৱে অৰিহণা থকা দেবজিৎ গগৈৰ লগতে শিল্পী তথা প্ৰসিদ্ধ সুৰকাৰ ৰাজেন গোহাঁই, শিল্পী সুৰেশ হাতীমুৰীয়া, শিল্পী চান্টু কটকী,শিল্পী বিপুল ফুকন, সমাজ কৰ্মী ৰণজিতা বৰদলৈ ।সাংবাদিক ৰতন হাজৰিকা,যুৱ গীতিকাৰ তথা সাংবাদিক জেচিম আহমেদ,যুৱ সংগীত ব্যৱস্থাপক প্ৰসন্ন জ্যোতি দাসসহ ভালেমান সংগীত অনুৰাগী অনুষ্ঠানত উপস্থিত থাকে।

# শিৱসাগৰৰ বাঢ়ৈটিঙত সাঁতুৰিবলৈ গৈ যুৱকৰ মৃত্যু

**অসম বাতা, দিচাংমুখ, ১০ জুন ঃ** শিৱসাগৰ জিলাৰ শুকানপুখুৰী মেৰবিল অঞ্চলৰ এজন ২২ বছৰীয়া যুৱক পুখুৰীত সাঁতুৰিবলৈ গৈ অকালতে জীৱন হেৰুওৱাৰ ঘটনাত অঞ্চলটোৰ শোকৰ ছাঁ পৰিছে। মৃদুপৱন চেতিয়া নামৰ যুৱকজনে বৃহত্তৰ বাঢ়ৈটিং অঞ্চলৰ গুদামঘৰৰ ওচৰৰ এটি পুখুৰীত সাতুৰিবলৈ গৈ মৃত্যুক সাৱটি ল'বলগীয়া হয়। ঘটনাৰ বিৱৰণী অনুসৰি, মৃদুপৱন চেতিয়াই তেওঁৰ আঠজন বন্ধু সুব্ৰত চেতিয়া, ৰাজ চাংমাই, আকাশ জ্যোতি চাংমাই, বিকাশ চাংমাই, দ্বীপজ্যোতি চাংমাই, কল্যাণ চাংমাই, সুদীপ্ত চুতীয়া আৰু সমুজ্বল বৰুৱাৰ সৈতে পুখুৰীত সাঁতুৰিবলৈ গৈছিল। সেই সময়তে মৃদুপৱন চেতিয়া পানীত ডুব যোৱাৰ দৃশ্য দেখিবলৈ পায় বন্ধুকেইজনে। বন্ধুবৰ্গই তেওঁৰ প্ৰাণ ৰক্ষাৰ চেষ্টা চলাই যদিও যুৱকজনক ৰক্ষা কৰিব নোৱাৰিলে। স্থানীয় ৰাইজে মৃদুপৱনক উদ্ধাৰ কৰি ততালিকে প্ৰগতি চিকিৎসালয়লৈ লৈ যোৱাৰ ব্যৱস্থা কৰে যদিও চিকিৎসালয়ত উপস্থিত হোৱাৰ পূৰ্বে মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে। ঘটনাৰ খবৰ লাভ কৰি আৰক্ষীৰ দল চিকিৎসালয়ত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। পৰৱৰ্তী পৰ্যায়ত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৃদুপৱন চেতিয়া শুকান পুখুৰী মেৰবিল নিবাসী নিৰেণ চেতিয়া আৰু অঞ্জু চেতিয়াৰ একমাত্ৰ পুত্ৰ আছিল। গড়গাঁও মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰজনৰ মৃত্যুৱে বতৰাই পৰিচিতসকলক শোকস্তব্ধ কৰি তুলিছে।

# পুৰণিগুদামৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত বিকল ষ্ট্ৰীট লাইট

## ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ চূড়ান্ত গাফিলতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামেৰে পাৰ হৈ যোৱা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ ডিভাইদাৰত থকা ষ্ট্ৰীট লাইট এটা-এটাকৈ বিকল হৈ পৰা দেখা গৈছে ।স্থানীয় লোকে অভিযোগ কৰা অনুসৰি, কিছুদিন ধৰি লাইট সমূহ জ্বলি থাকি ৰাষ্ট্ৰীয় ঘাইপথটোত এক সুন্দৰ পৰিবেশ সৃষ্টি হৈছিল যদিও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ চূড়ান্ত গাফিলতিৰ বাবে পুৰণিগুদাম গড়মূৰৰ পৰা কেঞাপট্ৰিলৈকে এটা-এটাকৈ বিকল হৈ পৰিছে লাইটসমূহ ।বিশেষকৈ বহিৰাগত নিৰ্মাণ কোম্পানীয়ে পথটো নিৰ্মাণ কৰি লাইট সমূহ আঁৰি দিয়ে যদিও কেইদিনমান জ্বলি থাকি লাইট সমূহ নজ্বলা হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ।বৰ্তমান সময়ত দুই-এটা লাইট কোনোবা স্থানত জ্বলি থাকিলেও চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিশাৰ সৌন্দৰ্য্যৰ পৰা বঞ্চিত হৈছে পথচাৰীৰ লগতে স্থানীয় ৰাইজ ।ইফালে, পথটো নিৰ্মাণ কাৰ্য্য চলি থকাৰ সময়ত নিৰ্মাণ কোম্পানীয়ে বহু গাফিলতি আৰু অনুন্নত মাণদণ্ডৰে কাম কৰি আঁতৰি যায় আৰু পথটোৰ মাণদণ্ড নিম্নগামী হোৱা পৰিলক্ষিত হৈছে ।নিৰ্মাণ কাৰ্য্য চলি থকা সময়ত সংবাদ মাধ্যমত কোম্পানীৰ গাফিলতিৰ সম্পৰ্কে বাতৰি পৰিবেশন হোৱাৰ পিছটো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল ।বৃহৎ-বৃহৎ বহিৰাগত কোম্পানীয়ে স্থানীয় লোকৰ মতামতক আওকান কৰি কাম কৰি যোৱাৰ পিছত এতিয়া নিশা সুন্দৰ পৰিবেশৰ বাবে থকা লাইট সমূহ জ্বলি নথকাত বহিৰাগত কোম্পানীৰ গা এৰা দিয়া স্বভাৱ ওলাই পৰে ।বৰ্তমান সময়ত লাইট সমূহ জ্বলোৱাৰ ব্যৱস্থা কৰিবলৈ স্থানীয় লোকে নগাঁও জিলা আয়ুক্তক দাবী জনাইছে।

# ভূৰাগাঁৱত চৰকাৰী গাঁওপ্ৰধানৰ ছত্ৰছায়াত খিলঞ্জীয়া লোকৰ ভূমিত সন্দেহযুক্ত লোকক সংস্থাপনৰ অভিযোগ

**অসম বাৰ্তা, ভূৰাগাঁও, ১০ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত এগৰাকী চৰকাৰী গাঁও প্ৰধানৰ ছত্ৰচায়াত খিলঞ্জীয়া লোকৰ ভূমিত সন্দেহজনক লোকক স্থায়ী ভাৱে বসতি প্ৰদান কৰিবলৈ দিয়া গুৰুতৰ অভিযোগ উত্থাপন হৈছে।ঘটনাটো সংঘটিত হৈছে ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত খহনীয়াত বিধ্বস্ত জটিয়াবড়ি গাঁৱত ।অভিযোগ মতে,সন্দেহজনক লোকৰ ত্ৰানকৰ্তাৰ ৰূপত দেখা দিয়া চৰকাৰী গাঁও প্ৰধানজন হৈছে বংশীৰাম শইকীয়া।খিলঞ্জীয়া অসমীয়া লোকসকলৰ মাটি বৃহৎ পৰিমাণৰ ধনৰ লেনাদেনাৰ বিনিময়ত সন্দেহজনক লোকক নিগাজীকৈ থাকিবলৈ দিয়াৰ বিস্ফোৰক অভিযোগ খহনীয়াত বিধবস্ত ভুক্তভোগী গাঁওবাসীৰ ।গাঁওবাসীৰ অভিযোগ অনুসৰি বংশীৰাম শইকীয়া নামৰ গাঁও প্ৰধানজনে চৰকাৰী নীতি-নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি জটিয়াবড়ি গাঁও বাসীক লুণ্ঠন চলাই আহিছে ।গাঁওপ্ৰধান গৰাকীয়ে খিলঞ্জীয়া ৰাইজক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে সন্দেহজনক লোকৰ প্ৰতি দৰদ দেখুৱাইছে।উল্লেখ্য যে ২০১০ চনত ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াত জটিয়াবড়ি গাঁওখন চিৰদিনৰ কাৰণে খহনীয়াত জাহ গৈছিল ।পাছত খহনীয়াত জাহ যোৱা গাঁওখন চৰ পৰি ২০১৪ চনত পুনৰ মাটি খিনি ঘূৰাই পাইছিল ।এই সন্দৰ্ভত গাঁওবাসীয়ে কৰা অভিযোগ মতে,ঘূৰাই পোৱা গাঁৱৰ ভূমি সমূহ তেতিয়াৰ পৰাই গাঁওপ্ৰধান গৰাকীৰ দায়িত্বত লীজত দিছিল। সেই অনুসৰি গাঁওপ্ৰধান গৰাকীয়ে একাংশ লোকক ভূমি সমূহ লীজত দিছিল।পাছত গোজেই গজালি মেলি এতিয়া সেই মাটিত ঘৰ বাৰি বান্ধি নিগাজি হ'বলৈ ধৰিছে একাংশ সন্দেহযুক্ত লোক ।উল্লেখ্য যে যিখিনি সময়ত সন্দেহযুক্ত লোকক উচ্ছেদ কৰি ৰাজ্যখনৰ খিলঞ্জীয়া লোক তথা ভূমিপুত্ৰ সকলৰ ভূমি বেথখল মুক্ত কৰিবলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী গৰাকীয়ে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে, তেনে সময়ত এগৰাকী চৰকাৰী গাঁওপ্ৰধানে খিলঞ্জীয়াৰ ভূমিত সন্দেহযুক্ত লোকক আশ্ৰয় দিয়া খবৰে এতিয়া সৰ্বত্ৰে প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে ।এনে ক্ষেত্ৰত খহনীয়াত সৰ্বস্ব হেৰুৱাই অ'ত ত'ত বস বাস কৰা পূৰ্বৰ জটিয়াবড়ি গাঁওবাসীয়ে তেওঁলোকৰ চৰকাৰী গাঁওপ্ৰধান বংশীৰাম শইকীয়াৰ বিৰুদ্ধে উচিত তদন্ত কৰি খিলঞ্জীয়া অসমীয়া ৰাইজৰ মাটি সন্দেহযুক্ত লোকৰ পৰা ওভতাই দিয়াৰ বাবে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মালৈ কাতৰে আহ্বান জনাইছে।

# গোলাঘাট জিলাৰ চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নাই পাঠ্যপুথি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১০ জুন ঃ**অসম চৰকাৰৰ শিক্ষা বিভাগৰ ফোপোলা স্বৰূপ উদঙাই দিলে গ্ৰামাঞ্চলৰ এখন বিদ্যালয়ে। চলিত শিক্ষাবৰ্ষই আঢ়ৈ মাহ অতিক্ৰম কৰিলে,অথচ এই পৰ্যন্ত চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰীয়ে লাভ কৰা নাই পাঠ্যপুথি। এক প্ৰকাৰ শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী । গোলাঘাট জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ফলঙনি আঞ্চলিক ছাত্ৰ সন্থাই আজি এক স্মাৰক পত্ৰযোগে গোলাঘাটৰ আয়ুক্তক অৱগত কৰে যে বৃহত্তৰ মৰঙী মৌজাৰ ফলঙনি বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়, ফলঙনি উচ্চ মাধ্যমিক বিদ্যালয়,অসমী উচ্চ মাধ্যমিক বিদ্যালয়, বালিজান শংকৰজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰীয়ে শিক্ষা বৰ্ষৰ আঢ়ৈমাহ পাৰ হোৱাৰ পিছতো ভূগোল, বিজ্ঞান, সমাজ বিজ্ঞান, গণিত, অৰ্থনৈতিক বিজ্ঞান, অসমীয়া আদি পাঠ্যপুথি বিদ্যালয়ত উপলব্ধ নহয়। যাৰ ফলত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে ছাত্ৰ সমাজ। ইপিনে ১৮ জুন তাৰিখৰ পৰা প্ৰথমটো গোট পৰীক্ষা অনুষ্ঠিত হ'ব ।ইয়াকলৈ ছাত্ৰ -ছাত্ৰীসকল বিপাঙত পৰাই নহয় ছাত্ৰ -ছাত্ৰীৰ শিক্ষাৰ অধিকাৰ কুক্ষিগত কৰাৰ অধিকাৰ শিক্ষা বিভাগে ক'ত পালে বুলিও প্ৰশ্ন উঠিছে। উল্লেখ্য ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে শিক্ষাৰ ক্ষেত্ৰত আমোল পৰিৱৰ্তন কৰা বুলি সততে চন্তালি মাৰি আহিছে কিন্তু এই বিদ্যালয় সমূহত বৰ্তমান লৈকে পাঠ্যপুথি যোগান নধৰা বিষয়টো শিক্ষা বিভাগৰ ফোপোলা স্বৰূপ উদঙাই দিছে।

# প্ৰাক্তন আছু নেতা গুনীন্দ্ৰনাথ গগৈৰ দেহাৱসান

**অসম বাৰ্তা, টিংৰাই, ১০ জুন ঃ** ডিগবৈ জ্যোতিনগৰ নিবাসী জনপ্ৰিয় সমাজকৰ্মী, প্ৰাক্তন আছু নেতা,ডিগবৈ সাহিত্য সেৱা সমিতিৰ উপ-সভাপতি, ডিগবৈ ৰঙালী বিহু সমিতিৰ মুখ্য কাৰ্য্যকৰী উপদেষ্টা,লায়ন্স ক্লাব,ডিগবৈৰ সক্ৰিয় সদস্য গুনীন্দ্ৰ নাথ গগৈ হৃদৰোগত আক্ৰান্ত হৈ আজি পুৱা ৬-৫০ বজাত নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। ঐতিহাসিক অসম আন্দোলনত ডিগবৈ আছুক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰা প্ৰাক্তন ছাত্ৰ নেতা গুণীন্দ্ৰ নাথ গগৈ শংকৰ জন্মোৎসব পালন সমিতি, ভূপেন হাজৰিকা ফেন ক্লাবকে আদি কৰি ডিগবৈৰ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডলৰ অৱসৰী কৰ্মচাৰী গগৈয়ে এগৰাকী সফল ব্যৱসায়ী হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছিল। ডিগবৈৰ সামাজিক সাংস্কৃতিক জীৱনৰ এক অভিন্ন অংগ গগৈৰ মৃত্যুত সমগ্ৰ ডিগবৈতে শোকৰ ছাঁ পৰে। কালিলৈ পুৱা ৯ বজাত লায়ন্স ক্লাব ডিগবৈৰ চৌহদত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হব। মৃত্যুৰ সময়ত তেখেতে পত্নী, দুগৰাকী জী, এজন পুত্ৰসহ বহুতো আত্মীয় স্বজন এৰি থৈ যায়। তেখেতৰ মৃত্যুত ডিগবৈ প্ৰেছ ক্লাৱ,ডিগবৈ ৰঙালী বিহু পালন সমিতি,ডিগবৈ সাহিত্য সেৱা সমিতি,ভূপেন হাজৰিকা ফেন ক্লাবকে আদি কৰি বিভিন্ন জাতীয় জনগোষ্ঠীয় দল সংগঠন,অনুষ্ঠান- প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।




# লাহৰিজানত গো-মাংস কটা ৪ জনক জে'ল হাজোতলৈ প্ৰেৰণ খটখটী আৰক্ষীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, বোকাজান, ১০ জুন ঃ** যোৱা ৭ জুনৰ ঈদ-উল-আজহাৰৰ দিনা বোকাজানৰ অসম-নগালেণ্ড সীমান্তৰ লাহৰিজানৰ বাছবাৰীত গো-মাংস কটাক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। লাহৰিজানৰ বাছবাৰীত উক্তদিনা দুপৰীয়া প্ৰায় ১২-৩০ বজাত একাংশ লোকে গৰু কাটি থকা প্ৰত্যক্ষ কৰিছিল বিশ্ব হিন্দু পৰিষদ বজংৰ দলৰ কেইগৰাকীমান সদস্যই। এই গৰু কাটি থকা ঠাইডোখৰৰ পৰা প্ৰায় ৩০ মিটাৰ আঁতৰেই আছে দুটাকৈ মন্দিৰ - ক্ৰমে এটা শিৱ মন্দিৰ আৰু আনটো শ্ৰীশ্ৰী অনুকুল ঠাকুৰ হিন্দু মন্দিৰ। চৰকাৰে গৰু কুৰবানিৰ ক্ষেত্ৰত নিযেধাজ্ঞা দিয়াৰ পাছতো উক্ত অঞ্চলত গো-মাংস কটা প্ৰত্যক্ষ কৰি বিশ্ব হিন্দু পৰিষদ বজংৰ দলৰ লগতে স্থানীয় হিন্দু লোকসকল ওলাই আহি ইয়াৰ প্ৰতিবাদ কৰাত দুয়ো পক্ষৰ মাজত কথাৰ কটাকটি হোৱাৰ লগতে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত এই সন্দৰ্ভত খটখটী আৰক্ষীক খবৰ দিয়াত বোকাজান মহকুমাৰ মহকুমা আৰক্ষী বিষয়া, খটখটী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ এটা আৰক্ষীৰ দল উক্ত স্থানত উপস্থিত হৈ কটা গো মাংসখিনি জব্দ কৰি থানালৈ লৈ গৈছিল। পাছত এই সন্দৰ্ভত পূব কাৰ্বিআংলঙৰ বিশ্ব হিন্দু পৰিষদ বজংৰ দলৰ হৈ সুবোধ কুমাৰ সিঙে খটখটী থানাত এখন এজাহাৰ দাখিল কৰিছিল। খটখটী আৰক্ষীয়ে এই এজাহাৰৰ ভিত্তিত ৫৯/২০২৫ নম্বৰ এক গোচৰ পঞ্জীয়ন কৰি ভাৰতীয় ন্যায় সংহিতাৰ ১৯৬/৩(৫) বি এন এছ আৰ/ডব্লিউৰ ১৩ ধাৰাৰ কেটল প্ৰিজাৰভেশ্যন এক্ট-২০২১১ অধীনত ইতিমধ্যে লাহৰিজান বস্তিৰ প্ৰয়াত আব্দুল মাল্লিক মুল্লাহৰ পুত্ৰ মহম্মদ আব্দুল মান্নান, লাহৰিজান নতুন বস্তিৰ মহম্মদ য়ুচুফ আলীৰ পুত্ৰ মহম্মদ আমীৰ হুছেইন, ডিমাপুৰৰ নিউ মাৰ্কেটৰ ১৯ নং ৱাৰ্ডৰ প্ৰয়াত আব্দুল শুকুৰৰ পুত্ৰ মহম্মদ নুৰ আহমেদ আৰু বৰপেটা জিলাৰ খৰধৰা পাটহৰৰ বাসিন্দা প্ৰয়াত জাচিমৰ পুত্ৰ মহম্মদ মানচেৰ আলীক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতালৈ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত খটখটী থানা কমিটীয়ে এখন সংবাদমেলৰো আয়োজন কৰে। সংবাদমেলত থানা কমিটীয়ে কয় যে গো-মাংস কটাৰ ক্ষেত্ৰত নিযেধাজ্ঞা থকাৰ পাছতো লাহৰিজান অঞ্চলত এনেদৰে মন্দিৰৰ কাষত গো-মাংস কটাতো অপৰাধ হৈছে। সেয়েহে দোষীয়ে এই ক্ষেত্ৰত শাস্তি পাব লাগে আৰু এই বিষয়ক লৈ যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নহয় তাৰ প্ৰতিও সকলোলৈকে কাতৰ আহ্বান জনায়।

# ৰূপহীহাট আৰক্ষীৰ জালত দুই ড্ৰাগছ সৰবৰাহকাৰী

## জব্দ ৭৪ টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ

**অসম বাৰ্তা ৰূপহীহাট, ১০ জুন ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান অব্যাহত আছে ।ৰূপহীহাট আৰক্ষীয়ে যোৱা নিশা এক গোপন সূত্ৰৰ পম খেদি পূব ছাইদৰীয়া আৰু পশ্চিম শালপাৰাত ড্ৰাগছৰ বিৰুদ্ধে পৃথকে পৃথকে চলাই এক অভিয়ান ।আৰক্ষীৰ অভিয়ানত ৭৪ টাকৈ ড্ৰাগছ ভৰ্তি কন্টেইনাৰৰ সৈতে আটক কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীক ।ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুটা হল পূব ছাইদৰীয়াৰ আতাবুৰ ৰহমান আৰু পশ্চিম শালপাৰাৰ গুলজাৰ হুছেইন ।আৰক্ষীয়ে পূব ছাইদৰীয়াৰ আতাবুৰ ৰহমানৰ পৰা ৬৮ টা আৰু পশ্চিম শালপাৰাৰ গুলজাৰ হুছেইনৰ পৰা ৬ টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰ জব্দ কৰে ।জব্দকৃত ড্ৰাগছ খিনিৰ ওজন ১০.৭৯ গ্ৰাম ।উল্লেখ্য যে ধৃত সৰবৰাহকাৰী দুটাই পূৰ্বেও ড্ৰাগছসহ আটক হৈ জেল-হাজতৰ ভাত খাই আহিছে ।ৰূপহীহাট আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুটাক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে ।



শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি বিশেষ পৃষ্ঠা

# মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ গুৰুজনাৰ অঙ্কীয়া নাট্যাৱলী

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ প্ৰপন্ন শিষ্য 'বঢ়াৰ পো' নামেৰে খ্যাত তীক্ষ্ণ বুদ্ধিসম্পন্ন, বহুমুখী প্ৰতিভাধাৰী, প্ৰভাৱশালী পুৰুষ আছিল শ্ৰীশ্ৰী মাধৱদেৱ। গভীৰ শাস্ত্ৰজ্ঞানৰ থকাৰ লগতে গুৰুসেৱাৰ অন্যতম আদৰ্শ দি থৈ যোৱা আৰু বহু কালজয়ী সাহিত্য সৃষ্টিকৰ্তা আছিল মাধৱদেৱ গুৰুজনা। অসমৰ বৈষ্ণৱধৰ্মক সু-সংগঠিত কৰি তোলাত যেনেদৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পিছতে মহাপুৰুষ মাধৱদেৱৰ ভূমিকাই প্ৰধান তেনেকৈ অসমীয়া সাহিত্যক সুপ্ৰতিষ্ঠিত কৰি তোলা টো গুৰুজনাৰ পিছতে মাধৱদেৱৰ অৱদান প্ৰধান। নিজকে দাসৰোদাস বুলি অনুভৱ কৰা নিস্পৃহ মাধৱদেৱে শংকৰদেৱ গুৰুজনা জীয়াই থাকোতেই প্ৰভাৱশালী ব্যক্তিত্ব আৰু প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটাই।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পিছতে মাধৱদেৱ উত্তৰাধিকাৰী ধৰ্মপ্ৰচাৰক, একেধাৰে কবি, নাট্যকাৰ তথা কলাকাৰ হিচাপে সু-প্ৰতিষ্ঠিত। গুৰুজনাৰ জীৱনকালত মাধৱদেৱৰ প্ৰতিভা সম্পূৰ্ণ বিকাশ নহ'লেও গুৰুৰ সাহায্য, অনুপ্ৰেৰণা আৰু নিৰ্দেশত আৰম্ভণি হৈ পৰৱৰ্তীকালত নিজৰ সৃষ্টিৰে জীৱন সমৃদ্ধ কৰে। গুৰুজনাৰ সমস্ত দায়িত্ব কান্ধ পাতি লৈ মাধৱদেৱে দক্ষতাৰে সেই দায়িত্ব পালন কৰি সৃষ্টি কৰি যোৱা সাহিত্য সম্ভাৰ সমূহ হ'ল - নামঘোষা,ভক্তি ৰত্নাৱলী, জন্ম ৰহস্য,ৰামায়ণ আদিকাণ্ড, নামমালিকা, ৰাজসূয়, অৰ্জুন ভঞ্জন, ভোজন বিহাৰ,চোৰধৰা,ভূমি লোটোৱা, পিম্পৰা গুচোৱা, বৰগীত,ভটিমা। শ্ৰেণী হিচাপে ভাগ কৰিলে -

ক)তত্বমূলক ৰচনা- নামঘোষা, ভক্তি ৰত্নাৱলী,জন্ম ৰহস্য,নামমালিকা।

খ) কাব্য -ৰাজসূয়, আদিকাণ্ড ৰামায়ণ।

গ) দৃশ্য কাব্য বা নাট -(ঝুমুৰা) অৰ্জুন ভঞ্জন, ভোজন বিহাৰ, চোৰধৰা, পিম্পৰা গুচোৱা,ভূমি লোটোৱা।

ঘ)গীত-বৰগীত, ভটিমা।

ইয়াৰ উপৰিও মাধৱদেৱৰ নামত উল্লেখিত কিন্তু স্বীকৃতিপ্ৰাপ্ত নোহোৱা নাটক তথা পুথি টোসমূহ হ'ল ভূষণ হৰণ,ৰাস ঝুমুৰা,কোটোৱা খেলা,ব্ৰহ্মা মোহন,ৰামযাত্ৰা, গোবৰ্ধন যাত্ৰা নৃসিংহ যাত্ৰা,আদি চৰিত আদি। কীৰ্তনৰ ধ্যান বৰ্ণনো মাধৱদেৱ গুৰুজনাৰ ৰচনা বুলি কোৱা হয়। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ এই সাহিত্য সম্ভাৰসমূহৰ ভিতৰত কেৱল নাট কেইখনৰ এক অৱলোকন দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদাংক অনুসৰণ কৰি মাধৱদেৱে নাট ৰচনা কৰিলেও আংগিক তথা নাটকীয় কলা-কৌশলৰ তেওঁ স্বকীয়তা প্ৰদৰ্শন কৰিছে। গুৰুজনাৰ নাটত সংস্কৃতত নান্দী,প্ৰৰোচন আৰু নাটকীয় কাহিনীসূচক আন আন শ্লোক থাকে।নান্দী শ্লোকত নান্দী গীত,প্ৰস্তাৱনা,দেৱ ভটিমা, মুক্তিমংগল ভটিমা আদি থাকে কিন্তু মাধৱদেৱৰ নাটত এইবোৰ নাথাকে।কেৱল ভোজন বিহাৰ আৰু ব্ৰহ্মা মোহনাত দেৱ ভটিমা আছে। ইয়াৰ উপৰিও এওঁৰ নাটত প্ৰস্তাৱনাৰ কথাসূত্ৰ দিয়াৰ পাছতহে প্ৰৱেশৰ গীত আৰম্ভ হয়। গুৰুজনাৰ নাটৰ কাহিনীৰ ক্ৰমবিকাশ শ্লোক,কথাসূত্ৰ,বচন আৰু গীত এই চাৰি অংগাংগীযুক্ত হৈ থাকে লগতে সূত্ৰধাৰে এক বিশেষ ভূমিকা গ্ৰহণ কৰে কিন্তু মাধৱদেৱৰ নাটত সূত্ৰধাৰ ভূমিকা প্ৰধান বুলি কব নোৱাৰি। সেইদৰে গুৰুজনাৰ সূত্ৰ,কথা,গীতৰ ভাষা ব্ৰজাবুলি কেৱল বিলাপৰ পৰ্যায়বোৰ প্ৰাচীন অসমীয়া কিন্তু মাধৱদেৱৰ গীত আৰু চৰিত্ৰৰ মুখৰ ভাষা প্ৰাচীন অসমীয়া। মাধৱদেৱৰ আটাইকেইখন নাটৰ নায়ক শিশু কৃষ্ণ। কৃষ্ণৰ ল'ৰালিকালৰ বালসুলভ দুষ্টালি,ঠেহ,অভিমান বা চাতুৰিক কেন্দ্ৰ কৰি নাটকেইখনৰ কথাবস্তু নিৰ্মিত হৈছে।শ্ৰীকৃষ্ণৰ শিশু ৰূপটোৱে মাধৱদেৱক বেছিকৈ আকৰ্ষণ কৰিছিল বাবে হয়তো প্ৰতিখন নাটৰ মাজেদি শ্ৰীকৃষ্ণৰ মনুষ্য ৰূপটোৰ লগে লগে জগতৰ ঈশ্বৰ দেৱাদিদেৱ পূজ্য পৰম ব্ৰহ্ম ৰূপটো ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে।

অৰ্জুন ভঞ্জনঃ

মাধৱদেৱ গুৰুজনাৰ নাট্যধৰ্মী ৰচনাসমূহৰ ভিতৰত একমাত্ৰ 'অৰ্জুন ভঞ্জন ' ই প্ৰথম আৰু একমাত্ৰ পূৰ্ণাংগ নাট। বাকীকেইখন নাটকত কাহিনীৰ নিটোল ৰূপ ফুটি নুঠালে চাই পূৰ্ণাংগ নাট নুবুলি সেইবোৰক 'ঝুমুৰা' বুলি আখ্যা দিছে। অৱশ্যে ভোজন বিহাৰ আৰু ব্ৰহ্মা মোহন এই দুখনক এখন বুলি ধৰিলে এইখনো এখন পূৰ্ণাঙ্গ নাট হিচাপে পাব পাৰি। অৰ্জুন ভঞ্জন নাটৰ মূল ভাগৱত পুৰাণৰ দশমস্কন্ধ। দশমস্কন্ধ ভাগৱতৰ নৱমৰ পৰা দশম অধ্যায়ত এই নাটৰ কাহিনীভাগ বৰ্ণিত হৈছে।নাটত সংযুক্ত নন্দ-যশোদাৰ দাম্পত্য কলহৰ বৰ্ণনাখিনি মূল ভাগৱতৰ নহয় নাট্যকাৰ নিজস্ব সৃষ্টি।নাটখনত নান্দীসহ চাৰিটা শ্লোক আছে। যি কেইটা বিল্বমংগলৰ কৃষ্ণ -কৰ্ণামৃতৰ পৰা সংগ্ৰহ কৰা। এই নাটকখনৰ বিষয়বস্তুৰ তিনিটা স্তৰ পোৱা যায়। প্ৰথম শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ স্নেহপূৰ্ণ বিৰোধ, দ্বিতীয় যমলাৰ্জুন ভঙ্গ আৰু তৃতীয় নন্দ -যশোদাৰ কলহ।

দশমস্কন্ধৰ মতে যশোদাই এদিন একান্তমনে পুত্ৰ কৃষ্ণৰ গুণানুকীৰ্তন কৰি দধিমথন কৰি থাকোতে কৃষ্ণই আহি স্তন পান কৰিব বিছাৰিলে। যশোদাই আথেবেথে লৈ কৃষ্ণক স্তনপান কৰাই থাকোতে গাখীৰ উতলি পৰিল তাকে দেখি যশোদাই কৃষ্ণক এৰি আঁতৰি যোৱাত কৃষ্ণৰ খং উঠিল আৰু খঙতে কৃষ্ণই দধি-ভাণ্ড ভাঙাৰ ভাঙি লৱণু খাবলৈ ধৰিলে। এনেদৰে কৃষ্ণৰ দুষ্টালি আৰু উৎপাতত বাঢ়ি গ'ল আৰু লৱণু খোৱাৰ লগতে নষ্ট কৰি পেলাই বান্দৰক খাব দিব ধৰিলে। যশোদা অহা দেখি কৃষ্ণ ভিৰাই দৌৰিব ধৰিলে যাতে মাকে ধৰিব নোৱাৰে। কৃষ্ণক শাসন কৰিবৰ মনেৰে যশোদাই হাতত এছাৰি লৈ কৃষ্ণক খেদি গ'ল আৰু ভয়ত কৃষ্ণ দৌৰি থাকিল। অৱশেষত কৃষ্ণক ধৰিলে আৰু শাস্তি দিয়াৰ উদ্দেশ্য কৃষ্ণক পঘাৰে বান্ধিব খুজিলে। গোপী সকলে বাধা দিলে যদিও যশোদাৰ খং দুগুনে বাঢ়ি গ'ল আৰু ঘৰৰ সমস্ত ৰছী যোৱা দি বান্ধিবলৈ চেষ্টা কৰিলে। কিন্তু কৃষ্ণৰ ঐশ্বৰিক মহত্বৰ বাবে বান্ধিবলৈ সক্ষম নহ'ল যশোদা। অৱশেষত মাতৃৰ পৰিশ্ৰম দেখি ভকতবৎসল কৃষ্ণই নিজেই বন্ধন মানি ললে আৰু যশোদাই উৱালত বান্ধি থ'লে। কিন্তু উৱালত বান্ধি ৰাখিলেও কৃষ্ণ উৱালৰ সৈতে চুঁচৰি গৈ অৰ্জুন গছত খুন্দা মাৰি পাৰ হৈ যোৱাৰ লগে লগে তাৰ পৰা দুজন শ্ৰীমন্ত পুৰুষৰ আৱিৰ্ভাৱ হ'ল আৰু কৃষ্ণক সেৱা জনাই কৃষ্ণৰ নিৰ্দেশিত নিজ স্থানলৈ গমন কৰিলে(উল্লেখযোগ্য যে কুবেৰৰ দুই পুত্ৰ মণিগ্ৰীৱ আৰু নলকুবেৰ নাৰদৰ দ্বাৰা শাপভ্ৰষ্ট হৈ গোকুলত অৰ্জুন গছ হৈ আছিল। শ্ৰীকৃষ্ণৰ পাদস্পৰ্শত দুয়ো শাপমুক্ত হৈছিল) বৃক্ষ ভঙাৰ শব্দ শুনি নন্দকে ধৰি সকলো গোৱাল দৌৰি আহিল কিন্তু বতাহ-বৰষুণ নাই অথচ দুজোপা প্ৰকাণ্ড গছ উভালি পৰাত বিস্মিত হ'ল। কৃষ্ণক উৱালত বান্ধি থোৱা অৱস্থাত দেখি নন্দৰজা বেদনাহত হ'ল আৰু কৃষ্ণক কোলাত তুলি লৈ ঘৰৰ ভিতৰলৈ গ'ল।

"হাসিলন্ত কোনে হেন কৰিলন্ত বুলি।
বান্ধ মেলি কৃষ্ণক লৈলা তুলি।।"(দশম)

নন্দৰজাই কৃষ্ণৰ বন্ধন খুলি দি যশোদাক ৰাক্ষসীৰ সৈতে তুলনা কৰি তীব্ৰভাৱে গালি পাৰিবলৈ ধৰিলে।

"তোহো কি নিমিত্ত মানুষ ভেলি ৰাক্ষসীতো অধিক"।

যশোদায়ো মুখ খুলি প্ৰতিবাদ কৰি কলে যে তেওঁ ঘৰৰ গৃহিণী। গতিকে ঘৰৰ সমস্ততে তেওঁৰ অধিকাৰ আছে। বৃদ্ধ নন্দক কোনে সোধে। যশোদাৰ কথাত নন্দ নিৰুত্তৰ হৈ ৰ'ল। এনেদৰে নাটকখনিৰ সামৰণি পৰে।

অৰ্জুন ভঞ্জন নাটক খনত মাধৱদেৱে বহুকেইটা মুখ্য-গৌণ চৰিত্ৰৰ সংযোগ ঘটাইছে। ইয়াৰে মুখ্য চৰিত্ৰ কেইটা হৈছে- শ্ৰীকৃষ্ণ, যশোদা, নন্দ। ইয়াৰোপৰি গৌণ চৰিত্ৰত আছে ৰোহিনী, গোৱাল-গোৱালী, কুবেৰৰ পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱ। নাটকখনৰ চৰিত্ৰ নিৰ্দিষ্ট নহয়। প্ৰয়োজনত গোৱাল-গোৱালীৰ সংখ্যা বঢ়াব বা কমাব পৰা যায়।

এই নাটকখনৰ মূল নায়ক শিশু কৃষ্ণ। য'ত শিশু কৃষ্ণই মনুষ্য ৰূপলৈ গোপীৰ গৃহত ক্ষীৰ-লৱণু চোৰ কৰি খায়, দধিভাণ্ড ভাঙি মাৰাৰ ভয়ত দৌৰি পলায়ন কৰি আৰু ধৰা পৰি মাকক আমনি কৰি স্তনপান কৰোৱা ৰূপ দেখুওৱা হৈছে। দুষ্ট,অঘাইটং, বাকচতুৰ, বুদ্ধিমান শিশু কৃষ্ণৰ চৰিত্ৰ চিত্ৰনটো মাধৱদেৱৰ বিশেষ বিশেষত্ব। ইয়াৰ উপৰিও মাধৱদেৱে কৃষ্ণৰ এক দুমুখীয়া ব্যক্তিত্বৰ কথাও প্ৰকাশ কৰিছে নাটকখনত। শিশু কৃষ্ণ হৈ মাতৃ স্নেহত আপ্লুত আৰু নিজৰ ঐশ্বৰিক শক্তিৰ প্ৰদৰ্শন।

চোৰধৰাঃ

মহাপুৰুষ মাধৱদেৱ গুৰুজনাৰ 'চোৰধৰা' এখনি ক্ষুদ্ৰ পৰিসৰৰ নাটক। নাটখনৰ মূল 'ভাগৱত পুৰাণ' নহয়, বিল্বমঙ্গল স্তোত্ৰহে। এটি নান্দী শ্লোকৰে আৰম্ভ হোৱা নাটকখনিৰ মূল চৰিত্ৰ শিশু কৃষ্ণ।কৃষ্ণই লৱণু চুৰি কৰি খাই, নষ্ট কৰে কিন্তু মাতৃ যশোদা আৰু গোপীসকলক প্ৰায়েই ফাঁকি দি আহিছিল। এদিন হঠাতেই লৱণু চুৰি কৰি থকা অৱস্থাতে শ্ৰীকৃষ্ণ এগৰাকী গোপিনীৰ ঘৰত হাতে-লোটে ধৰা পৰাত গোপীগৰাকীয়ে দুৱাৰ বন্ধ কৰি ওচৰ-চুবুৰীয়া গোপীসকলক মাতি সকলোৰে সহযোগত কৃষ্ণক ধৰিলে। আৰু কৰ্তৃত্বৰ সুৰত কৈছিল

"আহে কানাই,তুহু লৱণু চুৰি কৰিয়ে বাৰম্বাৰ হামাক ভাণ্ডিয়ে যাসি,আজু কহা যাবহো? ৰহ ৰহ হামাৰ হাতে পড়লি,তোহাৰি ভাৱনা চুৰ কৰবো।"

শ্ৰীকৃষ্ণয়ো লগৰ লগৰীয়াসকলক মাতি আনি গোপীসকলে তেওঁক মিছাকৈয়ে দোষাৰোপ কৰা বুলি ওলোটাই গোপীসকলকহে জগৰীয়া কৰিলে। উপায়হীন হৈ গোপীসকলে কৃষ্ণক এৰি দিলে যদিও কৃষ্ণই পুনৰ গোপীসকলক ওলোটাই লৱণু দাবী কৰিলে। গোপীনীসকলেও শ্ৰীকৃষ্ণৰ নৃত্যৰ বিনিময়ত লৱণু দিবলৈ মান্তি হ'ল আৰু শ্ৰীকৃষ্ণই লৱণু খাই খাই নৃত্য আৰম্ভ কৰিলে

"নাচতু গোবিন্দ গোপিনী আগে।
কৰ পাতি পাতি লৱণু মাগে।।"

ইফালে শ্ৰীকৃষ্ণই পুৱাতে খেলিবলৈ গৈ বেলি ভাটি দিয়ালৈকে ঘৰলৈ উভতি নহাত মাতৃ যশোদা অতিশয় চিন্তিত হ'ল আৰু চাৰিওফালে শ্ৰীকৃষ্ণক বিচাৰিবলৈ ধৰিলে। পুত্ৰৰ চিন্তাত মাতৃহৃদয় বেদনাত ছট্ ফটাই উঠিছে, আউলী বাউলী হৈ মাটিত বাগৰি পৰিছে। যশোদাৰ মাতৃ হৃদয় চিৰন্তন আকুলতা আৰু পুত্ৰস্নেহ বিগলিত হৃদয়ৰ কাৰুণ্য অতি চমৎকাৰ গীতত ফুটি উঠিছে

"বিহানে বৰাইল খেড়ি খেলাইবাৰ তৰে।
ভৈ গৈল বিয়াল পুতা এভো নাইল ঘৰে।।

———ন———

ধৰণী লুটিয়া মুৰুচিত ভয়ো মাই।
কহয় মাধৱ হৰি বিনে গতি নাই।।"

সেইসময়তে চুবুৰিৰ এগৰাকী গোপীৰ মুখেদি শ্ৰীকৃষ্ণৰ বৃত্তান্ত শুনি গোপীগৰাকীৰ সৈতে শ্ৰীকৃষ্ণৰ ওচৰত উপস্থিত হ'লগৈ। যশোদাক গোপীগৰাকীয়ে শ্ৰীকৃষ্ণই যে নানান চোৰ-চাতুৰীৰে গোপীসকলক পৰাভূত কৰি নানাবিধ কৌতুকেৰে নৃত্যৰ যোগেদি গোকুলবাসীৰ মনত আনন্দ প্ৰদান কৰিছে।গোপীৰ কথাত যশোদাই পৰম আনন্দিত হ'ল ।মাকক দেখি কৃষ্ণই নিৰ্দোষী প্ৰমাণ কৰিবলৈ ক'লে যে লগৰ লগৰীয়াৰ সৈতে খেলি থাকোঁতে তেওঁক মিছাকৈয়ে চোৰ বুলি ধৰি হাৰাশাস্তি কৰিছে। শ্ৰীকৃষ্ণৰ মুখত অভিযোগৰ কথা শুনি আৰু প্ৰাণপুত্ৰক নিদাৰুণ ব্যৱহাৰ কৰা বুলি জানি যশোদাৰ বৰ খং উঠিল আৰু গোপীসকলক গালি পাৰি শ্ৰীকৃষ্ণক কোলাত লৈ মৰম কৰি পুনৰ সেই ঠাইলৈ নাহিবৰ বাবে সকীয়াই দি যশোদা গুচি গ'ল।

নাটকখনিত কৃষ্ণৰ লৱণু চোৰ কাৰ্যৰ দ্বাৰা গোপীসকলক সংসাৰিক মায়া-মোহত নিবৃত্তি ঘটাই ছে।লৱণু হ'ল মায়াৰ প্ৰতীক যি গোপীসকলৰ আদৰৰ বস্তু ইয়াত গোপীসকলে লৱণুৰ মায়া ত্যাগ কৰিব নোৱাৰি শ্ৰীকৃষ্ণক লৱণু চোৰ বুলি অপযশ দিছে।মায়া হ'ল অজ্ঞানতাৰ কাৰণ। মায়াত আৱদ্ধ বা অন্ধ মানুহে কৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্য উপলব্ধি কৰিব নোৱাৰি পাৰমাৰ্থিক আনন্দ লাভৰ পৰা বঞ্চিত হয়। এই নাটখনত ভগৱান কৃষ্ণত এই লৱণু অৰ্পণৰ যোগেদি মায়াৰ অপসাৰণ ঘটে, পাৰমাৰ্থিক সুখ আৰু ভগৱৎ প্ৰেমৰ সূচনা হয় যে দাঙি ধৰিব চেষ্টা কৰিছে। আজন্ম সাধনা আৰু পুণ্যৰ ফল শ্ৰীকৃষ্ণক হাতত পায়ো মায়াত বন্দী হোৱা বাবে যশোদা আৰু গোপীসকলে এই তত্ব উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাই। এনে মায়াজনিত প্ৰবৃত্তিৰ পৰা মায়ামুক্ত নিবৃত্তিৰ পথলৈ অগ্ৰসৰ হোৱাত শ্ৰীকৃষ্ণই গোপীসকলক সহায় কৰিছে।

পিম্পৰা গুচোৱাঃ

মহাপুৰুষ মাধৱদেৱৰ পিম্পৰা গুচোৱা এখন শিশু উপযোগী ধেমেলীয়া নাট বা ঝুমুৰা। ইয়াত শিশু কৃষ্ণই গোৱালৰ ঘৰত খীৰ লৱণু চুৰি কৰি খাই ধৰা পৰাৰ এটি ধেমেলীয়া দৃশ্য দিয়া হৈছে।পিম্পৰা গুচোৱা নাটকত গোৱালিনীসকলে মাখন চোৰ বুলি কৃষ্ণক ধৰিছে, ধূৰ্ত কৃষ্ণই নিজকে বলোভদ্ৰৰ ভায়েক বুলি পৰিচয় দি নিজৰ ঘৰ বুলি ভুলতে গোপীৰ ঘৰত সোমোৱা, পৰুৱা গুচাবলৈহে লৱণু-কলহত হাত দিয়া আৰু হেৰোৱা গৰু পোৱালিটোৰ কথা সুধিবলৈহে শুই থকা শিশুক জগোৱা বুলি জীয়া ফাঁকি দি পলাব খোজোঁতেই গোপীয়ে বচনত তস্কৰৰ চাতুৰি, নয়নত ছলনাময় অশ্ৰু আৰু কৃষ্ণৰ মুখত লৱণুৰ গোন্ধ পোৱা কথাখিনিয়ে নাট্যকাৰে নিজভাৱে কিছু কথা সংযোজন কৰিছে।

"হৰি বোলে গোপী বড় দোষ পাইলি বাছি।
পিম্পৰা গুছাইতে লাগি হাত দিয়া আছিল।।"

উপায়হীন হৈ গোপীসকলে যশোদাৰ ওচৰত গোচৰ দিলে। গোপীসকলৰ উপৰ্যুপৰি অভিযোগত যশোদা পৰম লজ্জিত হ'ল আৰু শ্ৰীকৃষ্ণক পুনৰ গোৱালীপাৰালৈ নাযাবৰ বাবে সকিয়াই দিলে।

"যাদৰ নযায়ো নাযায়ো তুমি গোৱালীৰ পাড়া।
কতনো সহিব মঞি তোমাৰ ঝগৰা।।"

মাকৰ গালিত অসন্তুষ্ট হৈ শ্ৰীকৃষ্ণই অভিমানত জ্বলি উঠিছে আৰু কংস নগৰী মধুপুৰলৈ পলাই যাব বুলি মাকক ভয় খুৱাইছে।

"অপমান সহিবাক নপাৰি পলায়া যাইবো কংসৰ নগৰী মধুপুৰী।"

শ্ৰীকৃষ্ণই ইতিমধ্যে যশোদাৰ মাতৃ-হৃহৃদয়ৰ স্বৰূপ উপলব্ধি কৰিছে আৰু কৈছে যে তেওঁৰ হৃদয়ত শ্ৰীকৃষ্ণৰ প্ৰতি মৰম থকাহেঁতেন তেওঁক কেতিয়াও সামান্য অপৰাধতে গুৰু দণ্ড নিদিলেহেঁতেন। যশোদাই দুই কড়া মূল্যৰ পুৰণি কলচি এটা ভাঙোতেই শ্ৰীকৃষ্ণক অঘাইটং চোৰৰ দৰে বান্ধিছে, 'লৱণু চোৰ' বুলি দুৰ্যশ জাপি দিছে। ৰজাৰ কুমাৰ হৈও শ্ৰীকৃষ্ণই দুৰ্গম সংকট বনত গৰু চাৰি পেট প্ৰৱৰ্তন কৰিছে; তথাপিও যশোদাৰ তেওঁলৈ দয়া-মৰম নাই । এনেদৰে মাতৃ-পুত্ৰৰ স্নেহসিক্ত বিৰোধৰ ছবি নাট্যকাৰে অতি সুন্দৰ ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। অতি কম পৰিসৰৰ ভিতৰতে নাটখনত শ্ৰীকৃষ্ণৰ চাতুৰীয়ে চূড়ান্ত ৰূপ লাভ কৰিছে। নাটকীয় গীতৰ যোগেদি নাট্যকাৰে এই পৰিস্থিতি সুন্দৰ ৰূপত ফুটাই তুলিবলৈ সক্ষম হৈছে।

মহাপুৰুষ দুজনাই ৰচনা কৰা অঙ্কীয়া নাটসমূহত ৰস সৃষ্টিৰ পৰিবৰ্তে ভগৱানৰ ঐশ্বৰিক মহিমা প্ৰকাশৰ দিশতহে অধিক গুৰুত্ব দিছিল। মাধৱদেৱৰ নাটকেইখনত শিশুকৃষ্ণৰ বালসুলভ দুষ্টালি আৰু চাতুৰি বহুলভাৱে প্ৰদৰ্শন কৰা হৈছে। পিম্পৰা গুচোৱা নাটখনত মুখ্য চৰিত্ৰ শিশু কৃষ্ণ চোৰ- চাতুৰীৰ কথাই প্ৰাধান্য লাভ কৰিছে। 'পিম্পৰা গুছোৱা'ত শ্ৰীকৃষ্ণৰ বাকচাতুৰ্য, উপস্থিত বুদ্ধি আৰু অভিমানী চৰিত্ৰটো স্পষ্ট ৰূপত ফুটি উঠিছে।এই চৰিত্ৰটোত শিশুৰ দৰে চুৰ কৰি খোৱা প্ৰবৃত্তি, বিচৰা বস্তু নাপালে আঁকোৰ -গজালি দি লাগি থকা শিশুৰ বিশেষত্ব দেখা গৈছে। অৰ্থাৎ চিৰশিশুৰ সকলোবোৰ লক্ষণেৰে পৰিপৰ্ণ মাধৱদেৱৰ শিশু শ্ৰীকৃষ্ণ।

ভোজন বেহাৰ ঃ

'ভোজন বেহাৰ' নাটকৰ মূল ভাগৱতৰ দশম স্কন্ধ। এই স্কন্ধৰে ত্ৰয়োদশ অধ্যায়ত নাটকীয় বিষয়বস্তুৰ অন্তৰ্গত কাহিনীভাগ বৰ্ণিত হৈছে। মাধৱদেৱে কাহিনীভাগৰ নাট্যৰূপ প্ৰদান কৰোঁতে নাটকীয় প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল ঘটনাৰ কিছু সালসলনি ঘটাইছে। নাটখনৰ নান্দী শ্লোকটো মাধৱদেৱৰ স্বৰচিত। 'আদি দশম'ত মহাপুৰুষজনাই মূল কাহিনীভাগৰ বৰ্ণনাত কৈছে-

"কদাচিত বনত ভুঞ্জিবে আশা কৰি।
প্ৰভাতে উঠিয়া শিঙ্গা ডাক দিলা হৰি।।
নিশান বুজিয়া গোপশিশু অসংখ্যাত।
লৈলা শিকিয়াত বান্ধি কান্ধে দধি ভাত।।
গাবে গাৱে অসংখ্য দামুৰি আগ কৰি।
লৰি গৈলা হাতে শিঙ্গা বেত বাশী ধৰি।।"

'ভোজন বেহাৰ' নাটৰ এটি গীতত 'কৰত গোপাল ভোজন বেৱহাৰা'- বুলি উল্লেখ কৰিছে। এই ব্যৱহাৰ শব্দৰ পৰাই বেহাৰ শব্দটি উদ্ভৱ হৈছে। বেৱহাৰ-বেহাৰ। বিৰিঞ্চিকুমাৰ বৰুৱা সম্পাদিত 'অঙ্কীয়া নাট'ত নাটখনৰ নামকৰণ কৰা হৈছে 'ভোজন বিহাৰ' ৰূপে।' ডঃ পূৰ্ণানন্দ শইকীয়াই মাধৱদেৱৰ ভক্তি সাহিত্যতো 'ভোজন বিহাৰ' নামটিকে ৰাখিছে।

'দশমস্কন্ধ ভাগৱত'ৰ উল্লেখিত উক্ত অধ্যায়টিত শ্ৰীকৃষ্ণৰ ভোজন বেহাৰ লীলাৰ চিত্ৰ অতি মনোগ্ৰাহী কৰি তুলিছে। নাটকৰ এই কাহিনীভাগত বৃন্দাবনত গোপবালকসকলৰ সৈতে শ্ৰীকৃষ্ণই গৰু চৰোৱা আৰু তেওঁলোক সদলবলে বনভোজ খাবলৈ বহোতেই গৰুবোৰ হঠাতেই অন্তৰ্ধান হোৱা আৰু পাছত শ্ৰীকৃষ্ণই তাৰ অনুসন্ধান কৰা এই সমস্ত ঘটনা লিপিবদ্ধ হৈছে। উল্লেখযোগ্য যে দশমত বৰ্ণিত উপৰিউক্ত কাহিনীভাগত শ্ৰীকৃষ্ণ আৰু গোপবালকসকলহে আছে; নাট্যকাৰ মাধৱদেৱে 'ভোজন বেহাৰ' লীলাৰ তাৎপৰ্য সদৰী কৰিবৰ বাবে নাটখনত নাৰদ চৰিত্ৰৰ অৱতাৰণা কৰিছে, লগতে নাৰদৰ কৃষ্ণস্তুতি আৰু প্ৰসাদ গ্ৰহণৰ যোগেদি শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে।'ভোজন বেহাৰ' প্ৰকৃতাৰ্থত এখনি গীতিনাট্য। নাটখনত ভটিমা আৰু গীতৰ মাধ্যমেৰে ভোজন কৰ্ম পৰিবেশন কৰা হৈছে; কিয়নো ভোজন কৰ্মপ্ৰধান; হাতৰ অঙ্গী-ভঙ্গী আৰু হাঁহি-কৌতুকেই এনে কৰ্মৰ মূল সহায়ক। নান্দীশ্লোকৰে আৰম্ভ হোৱা নাটখনি পিছত ভটিমা যোগেদি যশোদাই শ্ৰীকৃষ্ণক জগাই গোপশিশুসকলৰ লগত বৃন্দাবনৰ যমুনাতীৰত গো-ধেনু চলাবৰ বাবে কৈছে

"প্ৰাতস সময়ে যশোদা জননী
মুখ চুম্বিত শ্যাম জগাৱনকু।
উঠ মেৰি লাল মদন গোপাল
আৰে তেৰি গোৱাল বোলাৱনকু ।। (ভটিমা)

প্ৰাত্যহিক জীৱনৰ কাযসূচীৰ দৰে আজি কাৰ্যসূচী বেলেগ আছিল বাবে পৰম আনন্দেৰে সাজি কাছি আহিছিল কিয়নো

"আজু বন মহ কৰব ভোজন
জানিয়া শিশুসকলে।
কৰিয়া যতন সাজি দধি অন
খাইল সব কতুহলে।।

যমুনা তীৰত শ্ৰীকৃষ্ণৰ সমন্বিত গোপ শিশু সকলে ভোজন পৰ্ব কৰিলে

পৰম ক্ষুধাতুৰ হুয়া কৃষ্ণক মধ্য কৰিএ দধি ভাণ্ড মেলিয়ে ভোজন কৰত। কাহো সিকিয়া, কাহো পাশন ,কাহো পুষ্পপত্ৰ, ফল পল্লৱ নানাবিধ পাত্ৰ বিধান কৰিএ অন্ন ভোজন কৰত ,যৈচে পদ্মৰ চকাক পত্ৰে আবৰল।।

ভোজন বেহাৰ নাটখনত ভগৱান শ্ৰীকৃষ্ণৰ ভকত-বৎসল গুণ প্ৰকাশ পাইছে। কৃষ্ণই লগৰীয়া গোপ-বালকসকলক ভোজন কৰাই পিছত নিজে অন্ন গ্ৰহণ কৰিছে। শ্ৰীকৃষ্ণৰ এনে কাৰ্যত দেৱতাসকল পৰম সন্তুষ্ট হৈ আকাশৰ পৰা তেওঁৰ শিৰত পুষ্পাঞ্জলি দিছে। ভোজন কৰি থকা সময়তে মহামুনি নাৰদ শ্ৰীকৃষ্ণৰ ওচৰত উপস্থিত হৈ স্তুতি সহকাৰে তেওঁৰ পৰা ভক্তি-প্ৰেম কামনা কৰিছে আৰু গোপশিশুসকলৰ পৰা প্ৰসাদ গ্ৰহণ কৰি কৃতাৰ্থ হৈছে। এনে সময়তে তৃণৰ লোভত গো-বৎসসমূহ দৃষ্টিৰ অগোচৰ ঠাইলৈ আঁতৰি যোৱাত ভকত- বৎসল শিশুসকলৰ ভোজন কৰ্মত বাধাৰ সৃষ্টি হ'বলৈ নিদি নিজে গো-বৎসৰ অনুসন্ধান কৰিব ধৰিছে। গো-বৎস বিচাৰি কোনো সন্ধান নাপাই শ্ৰীকৃষ্ণ পূৰ্বৰ ঠাইলৈ ঘূৰি আহি গোপবালকসকলকো আগৰ ঠাইত নেদেখিলে। সেয়েহে ভকত-বৎসল শ্ৰীকৃষ্ণই ভকতৰ স্নেহত আকুল হৈ বিলাপ কৰিবলৈ ধৰিলে-

"হা হা ৰাম, বৎসসব কাহে গেল?
শ্ৰীদাম সুদাম ভায়াসব কাহে গেল?
অন্ন ভোজন আজু বৰি পৰমাদ ভেল।"

শেষত যোগৰ জৰিয়তে গো-বৎস আৰু গোপবালকসকল ব্ৰহ্মাই লুকুৱাই থোৱা বুলি তেওঁ জানিব পাৰিলে। তেতিয়া কৃষ্ণই যিমানবোৰ গোপ আৰু গৰু আছিল আটাইবোৰৰে ৰূপ ধাৰণ কৰি থাকিল। ব্ৰহ্মাই আহি গোপ আৰু গৰু আটাইবোৰকে দেখা পাই আচৰিত হৈ লুকুৱাই থোৱা গহবৰত গৈ চালে। তাতো আটাইবোৰ আছে। গন্তি কৰি চালে লেখে লেখে আছে। আকৌ বৃন্দাবনলৈ আহি গৰু আৰু শিশুবোৰক দেখি ব্ৰহ্মাই কোনটো সঁচা কোনটো মিছা নিশ্চিত কৰিব নোৱৰা অৱস্থা হ'ল। ব্ৰহ্মাই তথা লাগি চাই থাকোতে কৃষ্ণই গোপ-গৰুৰ ৰূপ এৰি আটাইবোৰতে চতুৰ্ভুজ ৰূপ ধাৰণ কৰিলে। ইয়াকে দেখি হংসযানৰ পৰা ব্ৰহ্মা বাগৰি পৰিল। মাত কথা নাইকিয়া হ'ল। ব্ৰহ্মাৰ অৱস্থা দেখি কৃষ্ণই ব্ৰহ্মৰূপ এৰি নিজৰ ৰূপ ধাৰণ কৰিলে। বহ্মাই চকু মেলি চাই বৃন্দাবনত কৃষ্ণক দেখি স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণ সন্তুষ্ট হৈ ব্ৰহ্মাক পঠিয়াই দিলে আৰু নিজৰ মায়াবলেৰে শিশুসকলক ভোজন কৰা স্থানলৈ আনিলে। আগৰ দৰে তেওঁলোক মণ্ডলাকাৰে বহি থাকিল। কৃষ্ণই দামুৰি বোৰৰে সৈতে তাঁলৈ আহিল। শিশুসকলে কলে- 'আহে কৃষ্ণ তুহো কি সত্বৰে আৱল: হামু তোহাক চাৰি একগ্ৰাসা নাহি খাৱল: জদি প্ৰত্যয় নাজাৰ তবে সপত কৰবো।' তাৰ পাছত সকলোৱে আনন্দ কৰি ভোজন কৰিলে আৰু দামুৰি লৈ গকুললৈ

অজয় বৰুৱা

প্ৰত্যাৱৰ্তন কৰিলে। নাটকখনত ব্ৰহ্মাৰ চুৰিকাৰ্য প্ৰদৰ্শন কৰা নাই, তাৰ আভাসহে দিয়া হৈছে। নাটৰ শেষত সংযোজিত গীতটিত ভকত-বৎসল শ্ৰীকৃষ্ণৰ হৃদয়ৰ ব্যাকুলতা অতি উজ্জ্বল ৰূপত ফুটাই তোলা হৈছেঃ

"উপৰে উৰয় পাখি তাৰে পুছে কানু।
এপন্থে দেখিলা যাইতে হামাৰি বৎস ধেনু।।"

মাধৱদেৱ গুৰুজনাই গীতৰ যোগেদি ব্ৰহ্মাৰ চুৰি কাৰ্যৰ আভাস দিয়া নাটখনত নান্দীশ্লোক, ভটিমা,সূত্ৰধাৰৰ বচনো গীতৰ দ্বাৰাই দাঙি ধৰিছে ইয়াত তিনিটা ভটিমা,তিনিটি সংস্কৃত শ্লোক আৰু তিনিটি সুদীৰ্ঘ গীত সন্নিবিষ্ট কৰিছে যিবোৰে নাটখনিৰ সৌন্দৰ্য বৃদ্ধিত সহায় কৰিছে।

ভূমি লোটোৱা ঃ

মাধৱদেৱ গুৰুজনাৰ ভূমি লেটোৱা ঝুমুৰাখন শ্ৰীকৃষ্ণৰ ল'ৰালি কালৰ একোটা বিশেষ পৰিস্থিতিত ঘটা ক্ষুদ্ৰ ঘটনাক লৈ ৰচিত। নাটকখনিৰ মূল "বিল্বমঙ্গল"ৰ 'কৃষ্ণকৰ্ণামৃত'ৰ এটা শ্লোকৰ আধাৰ হিচাপে লৈ মাধৱদেৱে এই ঝুমুৰাখনিৰ কাহিনীভাগত এটি নাটকীয় ৰূপ দিছে। ভূমি লেটোৱা ঝুমুৰাখনৰ কাহিনীৰ কোনো বিকাশ নাই। শ্ৰীকৃষ্ণই মাটিত বাগৰি কন্দাৰ কথা আছে বুলিয়েই ঝুমুৰাখনিক ভূমি লেটোৱা ঝুমুৰা বোলা হৈছে। ঝুমুৰাখনিত বিভিন্ন ৰাগ তালযুক্ত পাঁচটি গীত সংযোজিত কৰা হৈছে।

এদিনাখন শিশু কৃষ্ণই ঘৰত গাখীৰ -লৱণু চুৰি কৰি খাই থাকোঁতে মাতৃ যশোদাই দেখা পালে। যশোদাৰ ভয়ত কৃষ্ণই মাকক ফাঁকি দিবলৈ হাতৰ বাঁহীটো লুকাই গাখীৰৰ পাত্ৰটো একাষৰীয়াকৈ থৈ মাটিত বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। তাকে দেখি মাতৃ যশোদাই স্নেহেৰে কানাইয়ে কিয় মাটিত বাগৰি কান্দিছে তাকে সুধিলে। কৃষ্ণই কান্দি কান্দি মাকক সুধিলে যে ভাণ্ডত লুকাই থোৱা লৱণুবোৰ কোনে খালে বুলি। শিশু কৃষ্ণৰ অভিমান দেখি মাকৰ হৃদয় পুত্ৰস্নেহত পমি গ'ল। কৃষ্ণক সান্ত্বনা দিবলৈ বান্দৰে সকলো লৱণু খালে বুলি কৈ পুত্ৰৰ গাৰ ধূলি পৰিষ্কাৰ কৰি কোলাত তুলি ল'লৈ। যশোদাৰ ঘৰত গাখীৰ লৱণুৰ কি অভাৱ, সেয়ে পুত্ৰক কৈছে যে যিমান ইচ্ছা সিমান লৱণু খাবলৈ। কৃষ্ণই যশোদাৰ ওচৰত আদৰ দেখুৱাই কৈছে যে সি বৰকৈ ভোকত কাতৰ হৈছে। মাতৃ যশোদায়ো গোৱালসকলে নতুন গাখীৰ আনিলে নতুনকৈ লৱণু মথি কৃষ্ণক দিব বুলি বুজনি দিলে। যশোদাৰ কথাত মান্তি হৈ মাকৰ কোলাত উঠি স্তনপান কৰিলে। ক্ষন্তেক পিছতেই দুষ্ট কৃষ্ণই পুনৰ মাতৃ যশোদাৰ পৰা লৱণু খুজি আমনি কৰিবলৈ ধৰিলে। উপায়হীন হৈ যশোদাই সাঁচি ৰখা নতুন লৱণু পুত্ৰ কৃষ্ণক খাবলৈ দিলে। তাকে খাই শ্ৰীকৃষ্ণই আনন্দত মতলীয়া হৈ নৃত্য কৰিবলৈ ধৰিলে।

মহাপুৰুষ মাধৱদেৱৰ চোৰধৰা, পিম্পৰা গুচোৱা,ভূমি লেটোৱা এই তিনিখন নাটৰ মূল বিষয়বস্তু শিশু কৃষ্ণৰ চৌৰ্য কৰ্ম দেখুওৱা হৈছে। য'ত মাতৃ-পুত্ৰৰ অপত্য স্নেহ , চিৰন্তন মানবীয় অনুভূতিৰ প্ৰকাশ কৰিছে।এই নাট বা ঝুমুৰা সমূহত শিশু কৃষ্ণৰ বালকসুলভ ক্ৰিয়াকলাপ, স্বাভাৱিক মানৱ শিশুৰূপে শীশুৰ ভেম, অভিমান, উদ্ভগুলি, চাতুৰী,লঘু বিষয়বস্তু, সুমধুৰ বাক্যৰস, আৰু বাৎসল্য ভাৱৰ প্ৰাধান্যতাই এক বিশেষ মাত্ৰা প্ৰদান কৰি আহিছে আৰু অনাদি কাললৈ তেখেতৰ সৃষ্টিৰাজিয়ে তেখেতক বৈষ্ণৱ সাহিত্যৰ লগতে অসমীয়া সমাজতো চিৰযুগমীয়া কৰি ৰাখিব।

*সহায়ক গ্ৰন্থ-*
*অংকীয়া নাটৰ বিচাৰ আৰু বিশ্লেষণ - যতীন বৰা*
*নাটক প্ৰাচীন আৰু আধুনিক - ড° প্ৰফুল্ল কুমাৰ নাথ*
*বাৎসল্য প্ৰেমত ভক্তি কাব্য -ড° প্ৰভাত গোস্বামী*
*অঙ্কীয়া নাট - ড° বিৰিঞ্চি কুমাৰ বৰুৱা*

বৈষ্ণৱ ধৰ্মৰ লাইখুঁটা

# মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ

■ সমীৰ ৰিমাল

"মই দুৰাচাৰ কেৱল তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ ।।"

শংকৰদেৱৰ দৰেই মাধৱদেৱো বহুমুখী প্ৰতিভাৰ গৰাকী আছিল। তেওঁ একেধাৰে ধৰ্মপ্ৰচাৰক, ভক্ত, কবি, নাট্যকাৰ, আৰু সুগায়ক আছিল। মহাপুৰুষ শংকৰদেৱৰ জীৱিত অৱস্থাতে মাধৱদেৱে মাধৱ কন্দলীৰ 'ৰামায়ণৰ' লুপ্ত হোৱা আদি কাণ্ড আৰু উত্তৰা কাণ্ড দুটা পূৰ কৰিবলৈ 'ৰামায়ণৰ' আদি কাণ্ড ভাঙনি কৰি তেওঁ গুৰুজনাৰ লগত সংযোগ কৰে। গুৰুজনা শংকৰদেৱৰ আদেশমতে মাধৱদেৱে ভালেমান বৰগীত ৰচনা কৰে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ (১৪৮৯-১৫৯৬) অসমৰ মহাপুৰুষীয়া ধৰ্ম বা এক শৰণ নাম ধৰ্ম প্ৰবৰ্তনৰ এজন মূল হোতা আছিল। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্যতম প্ৰধান শিষ্য আছিল। মাধৱদেৱৰ গুৰু ভক্তিৰ বাবে তেওঁক বিশেষভাৱে জনা যায় আৰু তেওঁক শংকৰদেৱৰ প্ৰকৃত উত্তৰাধিকৰী হিচাপে গণ্য কৰা হয়। মাধৱদেৱ বৈৰাগী আছিল কিন্তু জীৱন বিমুখী নাছিল। জীৱনৰ প্ৰতি তেওঁৰ আস্থা আছিল আৰু গোটেই জীৱনটো গভীৰ জ্ঞানান্বেষণেৰে উপভোগ কৰিব বিচাৰিছিল। মাধৱদেৱে বিষয়-বাসনাৰ প্ৰতি উৎসাহ নেদেখুৱাইছিল যদিও নিজৰ প্ৰতিজন শিষ্যকে খেতি-বাতি বা ব্যৱসায়-বাণিজ্যৰে স্বাৱলম্বী হবলৈ কৈছিল। পাছলৈ নিজেও কোচ ৰজাৰ অনুগ্ৰহত থাকি সাহিত্য আৰু ধৰ্ম চৰ্চা কৰিছিল। নামঘোষা আৰু ভক্তিৰত্নাৱলী মাধৱদেৱৰ অনুপম সৃষ্টি।

মাধাৱদেৱৰ জন্ম ১৪৮৯ চনত অসমৰ লখিমপুৰ জিলাৰ লেতেকু পুখুৰীত হৈছিল। মাধৱদেৱে লখিমপুৰৰ নাৰায়ণপুৰত প্ৰাৰম্ভিক শিক্ষা লাভ কৰিছিল।তেওঁৰ পিতৃ নাম হৈছে গোবিন্দগিৰি ভূঞা আৰু মাতৃৰ নাম হৈছে মনোৰমা দেৱী। গোবিন্দগিৰি হৰি ভূঞাৰ (ওৰফে হৰিপাল) বংশধৰ আছিল যি শংকৰদেৱৰ পূৰ্বপুৰুষ কন্দিভাৱৰ সৈতে কামৰূপালৈ গৈছিল। কিন্তু তেওঁ বাংলাদেশৰ ৰংপুৰ জিলাৰ বান্দুকাত তেওঁৰ পৰিয়াল (এজন পুত্ৰ আৰু পত্নী) প্ৰতিষ্ঠা কৰে, য'ত তেওঁ শাসকৰ মজিন্দৰ হয়। পত্নীৰ মৃত্যুত তেওঁ বৰদোৱালৈ প্ৰব্ৰজন কৰে আৰু তাত বৰা ভূঞা গোত্ৰৰ মনোৰমাক বিয়া কৰায়। কিন্তু যুদ্ধৰ ফলত তেওঁ গৃহহীন হৈ পৰে আৰু তেওঁ আৰু তেওঁৰ পত্নীক মাধাবদেৱৰ জন্ম হোৱা মাধৱ ৰাজ্যৰ এগৰাকী বিষয়া হৰসিঙ্গ বৰাই লেতেকুপুখুৰীত আশ্ৰয় দিয়ে। লেতেকুপুখুৰী, নাৰায়ণপুৰ আৰু বিহপুৰীয়াৰ মাজত অৱস্থিত। নাৰায়ণপুৰত মাধৱদেৱৰ প্ৰাৰম্ভিক শিক্ষাৰ ব্যৱস্থা কৰিছিল হৰসিঙ্গ বৰাই।

প্ৰবাদ আছে যে মাধৱদেৱৰ নাইকটা কাঁচিখন পেলোৱাৰ বাবে ওচৰৰ নদীখনৰ নাম কাঁচিকটা আৰু প্ৰসূতিৰ তেজলগা কাপোৰ ধোৱাৰ বাবে ওচৰৰ জানটোৰ পানীৰ বৰণ ৰঙা হৈ পৰাত পৰৱৰ্তী কালত ইয়াৰ নাম ৰঙাজান হয়।

ধৱলা নৈৰ পাৰত থকা বাণ্ডুকা নামে ঠাইত মহোদৰ ভূঞা নামেৰে এজন কলিতা(কায়স্থ) আছিল। বণ্ডুকা ঠাইখন বৰ্তমান বাংলাদেশৰ ৰংপুৰ জিলাত অৱস্থিত।তেওঁক গোবিন্দ, দীঘলপুৰীয়া, বৰকণাগিৰি আদি নামেৰে জনা গৈছিল। এই মহোদৰ ভূঞাই বাণ্ডুকাত ৰজাৰ মজিন্দাৰী কাম কৰিছিল। তেওঁৰ প্ৰথমা পত্নীৰ নাম আছিল অনুচিতা। মহোদৰ ভূঞাই তেওঁৰ পত্নী অনুচিতাৰ মৃত্যুৰ পাছত মনত বৈৰাগ্য ভাৱৰ উদ্ৰেক হোৱাত ৰজাঘৰীয়া বিষয়-বাব এৰি আহি বৰদোৱাত থাকিবলৈ লয়। তাতে শংকৰদেৱক লগ পোৱাত টেম্পাৰাণি বান্ধতে ঘৰ-বাৰী সাজি বসতি কৰিবলৈ ল'লৈ। ইয়াতে তেখেতে শংকৰদেৱৰ খুড়াকৰ জীয়েক মনোৰমাক বিয়া কৰায়।

**মণি-কাঞ্চণ সংযোগ**

শংকৰদেৱক লগ পোৱাৰ আগতে মাধৱদেৱ ঘোৰ শাক্ত ধৰ্মী লোক আছিল। এবাৰ মাকৰ অসুখ হোৱাত তেওঁ দেৱীৰ আগত দুটা ছাগলী বলি দিম বুলি প্ৰতিজ্ঞা কৰিলে যদিহে মাকৰ অসুখ ভাল হয়। তেওঁ যেতিয়া ছাগলী দুটা আনিবলৈ নিজৰ ভনীজোঁৱায়েক ৰামদাসক পাচিলে ভনীজোঁৱায়েকে তেওঁৰ কথা নুশুনি ক'লৈ যে বলি বিধান অপ্ৰয়োজনীয় প্ৰথা আৰু ইয়াৰ পৰা কোনেও সুফল নাপায়। তেওঁ আৰু ক'লে যে তেওঁ ইতিমধ্যে শংকৰদেৱক গুৰু মানি এক শৰণ হৰি নাম ধৰ্ম গ্ৰহণ কৰিছে আৰু মাধৱেও তাকে কৰিব লাগে। এই কথা শুনি মাধৱদেৱ ক্ৰোধিত হয় আৰু শঙ্কৰদেৱৰ ওচৰলৈ গৈ তেওঁৰ যুক্তি তৰ্ক আৰম্ভ কৰিলে। মাধৱে আগমৰ যুক্তি আগবঢ়ায় আৰু গুৰুজনাই নিগমৰ যুক্তিৰে খন্দন কৰে। এনেদৰে তিনি প্ৰহৰ তৰ্ক যুদ্ধ হ'ল। শেষত গুৰু জনাই শ্ৰীমদ্ভাগৱতৰ চতুৰ্থ স্কন্ধৰ "যথা তৰুৰ মূল —" শ্লোকটিৰে মাধৱক পৰাস্ত কৰে। শ্লোকটিৰ অৰ্থ হ'ল গছৰ গুৰিত পানী দিলে দাল পাত সকলোৱে পায়। দাল পাতত দিলে কোনেও নাপায়। একেদৰে ভগৱন্ত কৃষ্ণদেৱক পূজিলে সকলোৱে পূজা হয়। আন দেৱ-দেৱীক পৃথকে পূজাৰ কোনো প্ৰয়োজন নাই। শ্ৰীমন্ত শঙ্কৰদেৱৰ যুক্তিৰ ওচৰত হাৰ মানি মাধৱে তাৰাক গুৰু ভজি তেওঁ প্ৰৱৰ্তন কৰা একশৰণ হৰি নাম ধৰ্মত শৰণ ললে। মাধৱ হৈ পৰিল গুৰুজনাৰ প্ৰপন্ন শিষ্য অভেদ আত্মা মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ। দুয়োজনা মহাপুৰুষৰ এই মহা মিলনক সাহিত্য ৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে "মণি-কাঞ্চণ সংযোগ" বুলি অভিহিত কৰি গৈছে।

**ৰচনাৱলী**

ধৰ্ম প্ৰচাৰৰ লগতে সাহিত্য সংস্কৃতিৰো পূজাৰী এইজনা মহান গুৰুৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল নামঘোষা। এহেজাৰটা ঘোষা থকা বাবে এইখনক হেজাৰী ঘোষা বুলিও কোৱা হয়। তেওঁ একাধিক বৰগীত, ভটিমা, নাট (ঝুমুৰা) আদি ৰচনা কৰিছিল। মাধৱদেৱে বাৰকুৰি (দুশ চল্লিশ) বৰগীত ৰচনা কৰিছিল বুলি প্ৰবাদ আছে যদিও বৰ্তমান সৰ্বমুঠ নকুৰি এঘাৰটা (এশ একান্নবৈটা) মান গীতহে উপলব্ধ। অৱশ্যে ইয়াৰ ভিতৰত কিছু সংখ্যক অংকীয়া নাটৰ গীতো সন্নিৱিষ্ট হৈ আছে। তেওঁ সৰ্বমুঠ ১৫৭টা বৰগীত ৰচনা কৰে জীৱন কালত, তাৰ ভিতৰত এটি উল্লেখনীয় বৰগীত হ'ল — তেজৰে কমলাপতি।

**আখ্যানমূলক ৰচনা-**
ৰাজসূয় কাব্য
আদিকাণ্ড ৰামায়ণ(অনুবাদ)
তত্বমূলক ৰচন
জন্মৰহস্য
ভক্তি ৰত্নাৱলী
নামমালিকা
নামঘোষা
নাট
অৰ্জুন ভঞ্জন - প্ৰথমখন নাট
দধিমথন
ঝুমুৰা
চোৰধৰা
পিম্পৰা গুচোৱা
ভোজন বিহাৰ (ঝুমুৰা)
ভূমি লেটোৱা (ঝুমুৰা)
কোটোৱা খেলা

বৰ্তমানলৈকে পোৱা মাধৱদেৱৰ নামত প্ৰচলিত ঝুমুৰা ভূষণ হৰণ, ৰাস ঝুমুৰা, কোটোৱা খেলা, ব্ৰহ্মামোহন আদি তেখেতৰ স্বৰচিত হয়নে নহয় তাক সঠিককৈ জনা নাযায়। চৰিত পুথিত উল্লিখিত দুখনমান নাট, যেনে— ৰাম যাত্ৰা, নৃসিংহ যাত্ৰা, গোবৰ্দ্ধন যাত্ৰা আদি মাধৱদেৱৰ দ্বাৰা ৰচিত বুলি জনা যায় যদিও পাবলৈ নাই। তেখেতে সম্পাদনা কৰা আৰু সংকলন কৰি উলিওৱা পুথি 'নাম ঘোষা আৰু আদিকাণ্ড ৰামায়ণ।

বৈষ্ণৱ ধৰ্মত শৰণ লোৱাৰ আগতে মাধৱদেৱ ঘোৰ শাক্ত লোক আছিল । নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত শংকৰদেৱৰ প্ৰধান সহায়ক আছিল মহাপুৰুষ মাধৱদেৱ। মাধৱদেৱে গুৰুজনাৰ আদেশ লৈ গুৰু নিৰ্দেশিত ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত বিজয় নিচান উত্তোলন কৰিছিল। মহাপুৰুষ মাধৱদেৱকে মহাপুৰুষ শংকৰদেৱে অসম নৱ বৈষ্ণৱ ধৰ্মৰ পৰৱৰ্তী গুৰু হিচাপে স্থান দিছিল ।বৈষ্ণৱ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত তেওঁৰ অৱদান আছিল। অসামান্য। তেওঁৰ জীৱনৰ প্ৰধান বৈশিষ্ট্য আছিল গুৰুভক্তি। মাধৱদেৱৰ ৰচনা সমূহ হৈছে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়োৱা অমূল্য অৱদান।

মহাপুৰুষ মাধৱদেৱৰ ১৫৯৬ চনত কোচবিহাৰৰ ভেলা সত্ৰত দেহাৱসান ঘটে।

*ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়*
*যোগাযোগ -৯১০১৯২৮০০৮*

# মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ সাহিত্যিক অৱদান

**অলকা বুজৰ বৰুৱা**

মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ আছিল মহাপুৰুষীয়া ধৰ্ম বা একশৰণ নামধৰ্ম প্ৰৱৰ্তনৰ এজন মূল হোতা, আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য তথা অসমৰ ভক্তি আন্দোলনৰ এগৰাকী আগশাৰীৰ সাধক। গোৱিন্দগিৰিৰ ঔৰষত আৰু মনোৰমা দেৱীৰ গৰ্ভত সৃহিতি লৈ ১৪১১ শকৰ জেঠ মাহৰ ৰাতি দুপৰত জন্ম হয় মহাপুৰুষ গুৰুজনাৰ। দেউতাকৰ মৃত্যুৰ পিছত ককায়েক দামোদৰ দেৱৰ লগত কিছুদিন বাণ্ডুকাত (বৰ্তমান বাংলাদেশৰ ৰংপুৰ জিলাত অৱস্থিত) থাকি মজিন্দাৰৰ কামত নিযুক্ত হয়।ছমাহ মজিন্দাৰি কাম কৰি আকৌ অসমলৈ উভতি আহি মাকৰ নৰিয়াৰ কথা গম পায় আৰু মাতৃৰ আশু আৰোগ্যৰ বাবে দুৰ্গা গোঁসানীৰ নামত এটা ক'লা ছাগলী আগবঢ়াই। মাক সুস্থ হোৱাত বৈনায়েক ৰামদাসক ক'লা ছাগলী এটা কিনিবলৈ পঠালে।বাটত ৰামদাস লগালগি হয় শংকৰদেৱৰ লগত।সকলো কথা শুনাৰ পিছত শংকৰদেৱে ৰামদাসক ছাগলী কিনাৰ পৰা বাৰণ কৰিলে আৰু মাধৱদেৱক তেওঁৰ সৈতে লগ কৰাই দিবলৈ ক'লে । পিছদিনা ৰামদাসে মাধৱদেৱক শংকৰদেৱৰ ওচৰলৈ লৈ গৈ এনেদৰে পৰিচয় কৰাই দিলে-

দীঘল পুৰিয়া গিৰি যাহাক বোলয়।
ইহান মাধৱ নাম তাহান তনয়।।
এহি কহি ৰামদাস নামাতি ৰহিলা
জানিলো বুলি তাঙ্ক শংকৰে বাতিল।।
- দৈত্যাৰি ঠাকুৰ -

শংকৰদেৱে নিবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ প্ৰমাণ আৰু মাধৱদেৱে প্ৰবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ বাদ কৰি শেষ নোহোৱাত শংকৰদেৱে শ্ৰীমদ্ভাগৱত গীতাৰ এটা শ্লোক মাতে। মাধৱদেৱে শ্লোকটি শুনা মাত্ৰকে শংকৰদেৱৰ ওচৰত পৰাজয়বৰণ কৰি শংকৰক গুৰু মানি সেৱা কৰিলে।

শংকৰদেৱে তেৰাক কিমান ভাল পাইছিল শংকৰদেৱে তেওঁক তেওঁৰ আদৰৰ ধন কীৰ্তন গোটাই দিবলৈ কোৱা আদি বহু কথাই প্ৰমাণ। কীৰ্তন আৰু দশম যেনেকৈ শংকৰদেৱৰ কীৰ্তিস্তম্ভ তেনেকৈ মাধৱদেৱৰ নামঘোষা আৰু ভক্তি ৰত্নাৱলী কীৰ্তিৰ ওখ পতাকা। ডঃ বাণীকান্ত কাকতিৰ ভাষাত " নামঘোষাত পূণ্যশ্লোক শংকৰস্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য এই তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰবহমান হৈছে।" শ্ৰী শ্ৰী মাধৱদেৱৰ জীৱনৰ শেষ বয়সত ৰচিত হোৱা বাবে নামঘোষাক মহাপ্ৰস্হানিক গীত বুলিও কোৱা হয়।

মাধৱদেৱৰ লেখা অতি মধুৰ আৰু মনোমোহা। তেখেতৰ কোনো এখন কিতাপত কঠিনতাৰ ছাঁ পোৱা নাযায়। মাধৱদেৱে শংকৰদেৱৰ দৰেই সংস্কৃতাদিৰ পুথিৰ ভাব ধাৰ কৰিছে।পদৰ লালিত্য,ছন্দৰ মাধুৰ্য,মনৰ বিশ্বাস, ধাৰণা, সময়োপযোগী পৈণত নতুন ভাব, নতুন কথা সুমুৱাৰ খাতিৰত বহুত সময়ত ভাঙনিত মূলৰ পৰা আঁতৰি যাব লগা হৈছিল।বাৰকুৰি বৰগীতৰ ভিতৰত ত্ৰিশটাহে শংকৰদেৱে ৰচা, বাকীবিলাক তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ ৰচিত । বৰগীত সমূহ ভগৱান শ্ৰীকৃষ্ণৰ ৰূপ-গুণ বৰ্ণনা কৰি ৰচনা কৰা হৈছে।মাধৱদেৱৰ বৰ্ণনা সংক্ষিপ্ত অথচ তাতেই সকলো কথা প্ৰকাশ পায়।কৈকেয়ীৰ ৰূপ বৰ্ণনা, সীতাৰ ৰূপ বৰ্ণনা,কৈকেয়ী ৰাজসভালৈ যোৱাৰ বৰ্ণনা,সীতা স্বয়ম্বৰ সভালৈ অহাৰ বৰ্ণনা আদিয়ে মাধৱদেৱৰ বৰ্ণনাৰ সূক্ষ্মতা আৰু কোমলতাৰ পৰিচয় দিয়ে।




মাধৱদেৱে পাটবাউসীত শংকৰদেৱৰ লগত থাকোতে দধি-মথন,ৰাস-ঝুমুৰ,পিম্পৰা গুচোৱা,চোৰ ধৰা,ভূমি লোটোৱা,ভূষণ হেৰোৱা, কোটোৱা খেলা,অমৃত ৰত্ন, গুপ্ত মণি, আৰু ভোজন বিহাৰ নাট ৰচনা কৰিছিল। তেওঁ জন্ম ৰহস্য ( যি আছিল বিশ্বৰ সৃষ্টি আৰু ধ্বংসৰ ওপৰত আধাৰিত) পুথি লিখি চিলাৰায় দেৱান লৈ পঠিয়াইছিল। বুঢ়া বয়সত কোচবিহাৰত থাকোতে নাম-মালিকা লিখিছিল।এই পুথিখন আজিকালিও মহাপুৰুষীয়া সত্ৰত নাম প্ৰসংগৰ পাছত গোৱা হয়। নামঘোষা পুথিখনত এহেজাৰ পদ থকাৰ কাৰণে হাজাৰী ঘোষা বুলিও কোৱা হয়। ইয়াত ভগৱানৰ দশ অৱতাৰৰ বৰ্ণনা কৰা আছে। মহাপুৰুষ মাধৱদেৱে চমুকৈ অলপ কথাতে ভাগৱত আদিৰ দাৰ্শনিক তথ্যৰ মিহলোৱা ধৰ্ম এই পুথিত গোটাই দিছে।শংকৰ- মাধৱে

ভাগৱতৰ সাৰ কথাবোৰ আনি বৈষ্ণৱ ধৰ্মৰ তত্ব কীৰ্তন,দশম, নামঘোষা, ৰত্নাৱলী আদিত লিখি সকলোৱে বুজি পোৱাকৈ ভেদ ভাঙি দিলে।সকলোৱে বুজিব পৰাকৈ গুণবাচক, ঈশ্বৰ, সদানন্দ, অচ্যুত, নৰোত্তম, নৰসিংহ, বামন, বনমালী, পৰশুৰাম,ৰাম,হৰি, বিষ্ণু হৃষিকেশ,অনন্ত মাধৱ, নাৰায়ণ ইত্যাদি শব্দৰ অৰ্থ পদ্যৰ গানৰ সুৰত লিখি সকলোৱে হৃদয়ংগম কৰি গৈছে।

হৰি ভক্তিৰ মহিমা দেখুৱাই মাধৱদেৱে এইদৰে লিখিছে-

আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু
আপুনি আপোন ৰাখে মাৰে।
হৰিক নভজি আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তাৰে।

মাধৱদেৱে কৈছিল-

চাৰিওজাতিৰে নিজ পিতৃ কৃষ্ণ
জানিয়া যিটো নভজে ।
এহিপাপে নিজ ধৰ্ম ভ্ৰষ্ট হুয়া
ঘোৰ নৰকত মজে।।

অৰ্থাৎ মাধৱদেৱৰ মতে সকলো জাতি একেজন ঈশ্বৰৰ পুত্ৰ আৰু ঈশ্বৰৰ মানত সকলো একে।

মাধৱদেৱে যদিও শংকৰদেৱৰ আৰ্হিতে পুথি ৰচনা কৰিছে তথাপিও একেটা বস্তুকে, একেটা ভাৱকে দুয়ো দুই ধৰণে বৰ্ণনা কৰিছে। শংকৰদেৱৰ কীৰ্তনাদি পুথিত বস্তুবোধক উদাহৰণ দি বৰ্ণাইছে আৰু সেই একে ভাৱকে মাধৱদেৱে নামঘোষাদি পুথিত গুণবাচক উদাহৰণ দি দেখুৱাইছে।সকলোৱে যাতে শঙ্কৰদেৱৰ দশমাদিৰ ভাৱ,ধৰ্ম আৰু নীতি বুজিব পাৰে তাৰ নিমিত্তে এই পুথিখনি মাধৱদেৱে লিখিছিল বুলি অনুমান কৰিব পাৰি। ভক্তি ৰত্নাৱলীত মাধৱদেৱে নৱ -জীৱনৰ বৰ্ণনা দি ভাগৱতৰ তত্ত্ব বুজাইছে।

মাধৱদেৱ বৈৰাগী আছিল যদিও জীৱন বিমুখী নাছিল। জীৱনৰ প্ৰতি তেওঁৰ আস্থা আছিল আৰু গোটেই জীৱনটো গভীৰ জ্ঞান অন্বেষণেৰে উপভোগ কৰিব বিচাৰিছিল।

শংকৰদেৱৰ মৃত্যুৰ পাছত তেওঁৰ গাদীত মাধৱদেৱ বহে। মাধৱদেৱে তেওঁৰ মৃত্যুৰ সময়ত মথুৰাদাস আতাক তেওঁৰ পদত ৰাখে।মাধৱদেৱে ভেলাগাঁৱত ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণা পঞ্চমীৰ বেলা ডেৰপৰত মানৱলীলা সামৰে।বহুমূখী প্ৰতিভাৰ অধিকাৰী মাধৱদেৱ আছিল একেধাৰে ধৰ্ম প্ৰচাৰক,সু গায়ক,কবি, নাট্যকাৰ,গীতিকাৰ আৰু শাস্ত্ৰৱেত্তা। বৈষ্ণৱ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো তেওঁৰ অৱদান আছিল অসামান্য।

প্ৰসংগ পুথি -
অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী।
(দেবেন্দ্ৰনাথ বেজবৰুৱা)

লেখিকাৰ ঠিকনা ঃ টিহু টাউন ৩নং ৱাৰ্ড
নলবাৰী

# মহাপুৰুষ মাধৱদেৱৰ গুৰু ভক্তি



মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ আছিল অসমৰ মহাপুৰুষীয়া ধৰ্ম বা এক শৰণ নামধৰ্মৰ এজন প্ৰধান হোতা। মহাপুৰুষ শ্ৰীশংকৰদেৱৰ তেওঁ এজন অন্যতম প্ৰিয় আৰু প্ৰধান শিষ্য আছিল। মাধৱদেৱে শংকৰদেৱক তেওঁৰ জীৱনৰ একমাত্ৰ গুৰু জ্ঞান কৰিছিল।মাধৱদেৱৰ গুৰু ভক্তিৰ বাবে তেওঁক বিশেষ ভাৱে জনা যায়।উল্লেখ্য যে মাধৱদেৱৰ গুৰু ভক্তি শংকৰদেৱৰ একশৰণ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ সহায়ক হৈছিল।শংকৰদেৱৰ অনুগ্ৰহত তেওঁ সাহিত্য, ধৰ্ম আৰু ভক্তিৰ পথত অগ্ৰসৰ হৈছিল।তেওঁৰ সাহিত্যিক অৱদানত শংকৰদেৱৰ ভক্তিৰ আদৰ্শ সু-স্পষ্ট ভাৱে প্ৰকাশিত হৈ উঠিছিল। মাধৱদেৱৰ গুৰু ভক্তিয়ে শংকৰদেৱৰ প্ৰতি তেওঁৰ অগাধ ভক্তি, তেওঁৰ পৰা লাভ কৰা জ্ঞানৰ বাবে কৃতজ্ঞতা তথা গুৰু শংকৰৰ ভক্তি আদৰ্শ প্ৰচাৰৰ বাবে নিবেদিত আত্মিকতা দেখুৱাইছিল।

মহাপুৰুষ মাধৱদেৱৰ গুৰু ভক্তি ইমানেই গভীৰ আছিল যে শংকৰদেৱে তেওঁক 'সৰ্ব গুণাকৰ' অৰ্থাৎ সৰ্ব গুণ সম্পন্ন বুলি অভিহিত কৰিছিল।প্ৰথমে মাধৱ -বান্ধৱ আৰু পিছলৈ গুৰু-শিষ্য সম্পৰ্কেৰে দুয়ো বান্ধ খাইছিল।ব্ৰতওঁ গুৰু জনাৰ ' তৰু মূল শ্লোক'ৰ ব্যাখ্যা দাঙি ধৰি গুৰুজনাৰ চৰণত শৰণ লৈছিল।। মাধৱদেৱেও শংকৰদেৱক তেওঁৰ জীৱনৰ একমাত্ৰ গুৰু জ্ঞান মানি,গুৰু জ্ঞান কৰি গভীৰ ভক্তি ভাৱেৰে সেৱা আগবঢ়াইছিল। মাধৱদেৱে ভক্তি ৰত্নাৱলীৰ দৰে গ্ৰন্থ লিখি নিজ ভক্তি প্ৰকাশ কৰিছিল। এই সমূহৰ উপৰিও নামঘোষা,বৰগীত আদিৰ দৰে সাহিত্য সৃষ্টিত গুৰু শংকৰদেৱৰ প্ৰতি আনুগত্য, অগাধ ভক্তি ভাৱৰ প্ৰতিফলিত ঘটা দেখা যায়।

গুৰু মন্ত্ৰৰ মাধ্যমত গুৰু জনাৰ প্ৰতি গভীৰ ভক্তি ভাৱ প্ৰদৰ্শন কৰা মাধৱদেৱে শংকৰ গুৰুৰ নিৰ্দেশ বিনা প্ৰতিবাদে ,আনুগত্য ভাৱে পালন কৰিছিল। অৰ্থাৎ তেখেত আছিল গুৰু জনাৰ আজ্ঞাবাহী শিষ্য।

মাধৱদেৱে গুৰু সেৱা আৰু ভক্তিক জীৱনৰ প্ৰধান লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল। উল্লেখ্য যে মাধৱদেৱৰ শিষ্য সকলেও শংকৰ গুৰুক গুৰু জ্ঞান কৰিছিল আৰু মাধৱদেৱৰ পদাংক অনুসৰণ কৰি শংকৰদেৱৰ আদৰ্শ গ্ৰহণ কৰিছিল।

মাধৱদেৱৰ গুৰু ভক্তিয়ে অসমীয়া সাহিত্য আৰু সংস্কৃতিত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। মাধৱদেৱৰ গুৰু সেৱা অসমীয়া সাহিত্যৰ বাবে এক বিশেষ গুৰুত্বপূৰ্ণ অধ্যায় আছিল। এই সেৱাৰ ফল স্বৰূপে অসমীয়া সাহিত্যত ভক্তি, প্ৰেম, বিশ্বাস আদি নতুন ৰূপত দেখা পোৱা গৈছিল।মাধৱদেৱৰ গুৰু ভক্তিৰ বাবে তেওঁক বৈষ্ণৱ ধৰ্মৰ এক শক্তিশালী স্তম্ভ হিচাপে আজিও গণ্য কৰা হয়। গুৰু ভক্তিৰ চূড়ান্ত নিদৰ্শন দাঙি ধৰা মহাপুৰুষ মাধৱদেৱ গুৰুজনা অসমৰ লোক সকলৰ বাবে এক আদৰ্শ স্বৰূপ।

গুৰু-শিষ্যৰ পবিত্ৰ সম্পৰ্কৰে বান্ধ খাই অসমীয়া জাতীয় জীৱনলৈ দুয়ো যি অৱদান আগবঢ়ালে সেই অবদান প্ৰতিজন অসমীয়াই শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব। গুৰু-শিষ্যৰ এনে অপূৰ্ব নিদৰ্শন সমগ্ৰ বিশ্বতে বিৰল।

**নিবেদিতা হাজৰিকা**
**লখিমপুৰ**
**ভ্ৰাম্যভাষ ঃ ৯৩৬৫০১৮৭৫০**

# ভক্তি-নিষ্ঠা আৰু আত্মবোধৰ প্ৰতিমূৰ্তি ঃ মহাপুৰুষ মাধৱদেৱ

ষ্টকহম বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ উইলিয়াম লিয়নাৰ্ড স্মিথে শংকৰদেৱৰ ৰচনাৰ বিষয়ে মন্তব্য কৰোঁতে যি গুৰুত্ব আৰোপ কৰিছিল, সেই মন্তব্য সমানে খাটে তেওঁৰ অনুগত তথা ভক্তি আন্দোলনৰ অন্যতম স্তম্ভ মহাপুৰুষ মাধৱদেৱৰ ক্ষেত্ৰতো। শংকৰদেৱক 'সৰ্বাগুণাকৰ' বুলি অভিহিত কৰা মাধৱদেৱে একাগ্ৰতা, একান্ততা আৰু আত্মনিবেদনৰে ধৰ্ম আন্দোলনৰ বাটত নিজকে নিয়োজিত কৰিছিল। মাধৱদেৱ গুৰুজনাৰ এই আত্মনিয়োজন কেৱল সাধকসুলভে নহয়, বৰং শংকৰদেৱ গুৰুজনাৰ অন্যতম শ্ৰেষ্ঠ দৰ্শনৰ পটভূমিত আলোক বিচ্ছুৰিত কৰিব পৰা এক দিক্‌দৰ্শন।

মাধৱদেৱৰ বিষয়ে আলোচনা কৰাৰ সময়ত সৰ্বাগ্ৰে স্মৰণযোগ্য কথা হ'ল—তেওঁ একে সময়ত ধৰ্মশাস্ত্ৰজ্ঞ, সাহিত্যিক, সংগীতজ্ঞ, সমাজসংস্কাৰক আৰু এজন শক্তিশালী সংগঠক। শংকৰদেৱৰ অনুগত শিষ্য হিচাপে মাধৱদেৱৰ নাম ওলালেও ভক্তি-আন্দোলনৰ দিশ, গতি আৰু গভীৰতা নিৰ্ধাৰণত তেৰাৰ ভূমিকা অতুলনীয় আৰু অনিৰ্বচনীয়।

মাধৱদেৱৰ প্ৰাৰম্ভিক ধৰ্মবোধ শক্তি-পূজাৰফালে নিবিষ্ট আছিল যদিও জীৱনৰ চৌদিশে চলি থকা ধাৰ্মিক ম্লানতা আৰু কৰ্মকাণ্ডত দিক্‌ভ্ৰান্ত হৈ থকা সময়তে শংকৰদেৱৰ সাক্ষাতত তেৰাৰ জীৱন-দিশ সম্পূৰ্ণৰূপে সলনি হয়। এই পৰিৱৰ্তন কেৱল ব্যক্তিগত নহয়, সমগ্ৰ সমাজৰ বাবে আছিল এক দিক্‌দৰ্শক পৰিৱৰ্তন।

শংকৰদেৱৰ অনুগত হোৱাৰ পাছত, মাধৱদেৱে সমগ্ৰ জীৱন শুদ্ধ ভক্তিৰ সাধনাত নিয়োজিত কৰে। তেৰাই নিজৰ অহংবোধ, পাণ্ডিত্য, আত্মগৌৰৱ আদি পৰিহাৰ কৰি শংকৰদেৱৰ আদৰ্শক নিজ জীৱনৰ মূলমন্ত্ৰ কৰি তোলে। 'শংকৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব' বুলি মাধৱদেৱ গুৰুজনাই যি আস্থা প্ৰকাশ কৰে, তাৰ অন্তৰ্নিহিত অৰ্থ হ'ল—সত্যক চিনাক্ত কৰি তাক হৃদয়-মন-মগজত স্থান দি নম্ৰতাৰে গুৰুপ্ৰদত্ত ভক্তি-মাৰ্গত অৱগাহন কৰা।

মাধৱদেৱে ৰচনা কৰা নামঘোষা, ভক্তিৰত্নাৱলী, ভক্তি-প্ৰদীপ, আদি গ্ৰন্থসমূহ কেৱল ধৰ্মীয় আখ্যান নহয়, এই সৃষ্টিৰাজি সমাজ-মনস্তত্ত্ব, নৈতিকতা আৰু আধ্যাত্মিক দৰ্শনৰ এক সমন্বয়। বিশেষকৈ নামঘোষা—অসমীয়াত লিখা অন্যতম শ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ—তেওঁৰ আধ্যাত্মিকতা, অভিজ্ঞতা, দৰ্শন আৰু প্ৰেমমূলক ভক্তিৰ সংপৃক্ত প্ৰকাশ।

তেওঁৰ দ্বাৰা বিৰচিত বৰগীতসমূহ অসমীয়া সংগীত সাহিত্যৰ এক উচ্চস্তৰীয় প্ৰকাশ। 'হৰি হেৰৱে বাপ পশিলো শৰণে', 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা' আদি বৰগীতে প্ৰেম, শান্তি আৰু আত্মপ্ৰেমৰ যে মধুৰ সমন্বয় আছে, সেয়া প্ৰতিপন্ন কৰে।

শংকৰদেৱৰ বৈকুণ্ঠগমনৰ পাছত মাধৱদেৱে সত্ৰ আৰু নামঘৰক সাংগঠনিক ৰূপ দিয়াৰ কামত অগ্ৰণী ভূমিকা পালন কৰে। সত্ৰসমূহ মাত্ৰ ধৰ্মীয় ক্ষেত্ৰ হৈ নাথাকি, শিক্ষা, সংস্কৃতি, সংগীত আৰু সমাজ-সংগঠনৰ মুখ্য ক্ষেত্ৰৰূপে পৰিগণিত হ'ল।

মাধৱদেৱ গুৰুজনা কেতিয়াও, কিঞ্চিতো আত্মপ্ৰচাৰত ব্যস্ত নহ'ল, নিজক গুৰুৰূপে প্ৰতিষ্ঠা কৰিবলৈ আগ্ৰহী নহ'ল, বৰং সকলোৰে প্ৰতি এক মানৱীয় দৃষ্টিকোণেৰে সমাজক বাট দেখুৱাবলৈ যত্ন কৰিলে। তেৰাৰ এই দৃষ্টিভংগী বৰগীত, কাব্য আৰু ঝুমুৰাত অতি সবুজ আৰু প্ৰাণবন্ত ৰূপত প্ৰকটিত হৈছে। এটা সহজ, হৃদয়স্পৰ্শী,ভক্তিমূলক ভাষাৰো বিকাশ হৈছে।

আধুনিক সমাজত যদি মাধৱদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা বিচাৰ কৰা হয়, তেন্তে দেখা যায়—তেৰাৰ চিন্তাধাৰা কেৱল ধৰ্মীয় অনুশাসন নহয়, ই এটা সম্পূৰ্ণ জীৱন-পদ্ধতি।

'শ্ৰৱণ কীৰ্তন স্মৰণ চৰণ।
পূজন দাস্য সাখ্য আত্মনিবেদন।।'-

এই ভক্তিমাৰ্গত আত্মবিলোপনেই মুক্তিৰ একমাত্ৰ পথ। ই এটা উচ্চ আধ্যাত্মিক দৰ্শন। মাধৱদেৱ গুৰুজনাৰ বিচাৰত উচ্চ-নীচ নাই, জাতি-ভেদ নাই—আছে কেৱল সঁচা ঈশ্বৰভক্তি।

মহাপুৰুষ মাধৱদেৱৰ মহত্ত্ব যিমানে বৰ্ণনা নকৰোঁ কিয়, তেৰাৰ গুণ-গৰিমা-অধ্যয়ন-পাণ্ডিত্যৰ পূৰ্ণ চৰ্চা অসম্ভৱ। তেৰাই শংকৰদেৱৰ আদৰ্শত অনুপ্ৰাণিত হৈ নিজ জীৱন উৎসৰ্গা কৰিছে অসমীয়াৰ আত্মসংস্কৃতি নিৰ্মাণত। এক কথাত- গুৰুজনাই অসমীয়া ভাষা-সংস্কৃতিলৈ এক অনুপম অৱদান



আগবঢ়াই থৈ গ'ল। শংকৰদেৱ গুৰুজনাক তেৰাই যিমান উচ্চতালৈ লৈ গ'ল, তাৰ বাবে তেৰাই কৃতিত্ব ল'বলৈ কোনোকালে ন্যূনতমো প্ৰয়াস কৰা নাই। শংকৰদেৱৰ দৰ্শনৰ একান্ত অনুৰাগী, মাধৱদেৱ গুৰুজনাই অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদান যথাৰ্থতে অপৰিমেয়, বৰ্ণাঢ্য আৰু ব্যাপক। ব্যক্তিত্বৰ দীপ্তিয়ে তেৰাক এক পৃথক যুগ-নিৰ্মাতা হিচাপে প্ৰতিষ্ঠা কৰিলে। শিষ্যসকলৰ মাজত সদায় উচ্চাৰিত হৈ থকা "মাধৱে গুৰু ভৈলা"- এই উচ্চাৰণ নিজেই ইতিহাসৰ এক বিনম্ৰ প্ৰণিপাত।ৰ্ক্ক

(নিবন্ধটো যুগুত কৰোঁতে বিভিন্ন কিতাপ-পত্ৰৰ সহায় লোৱা হৈছে- লেখক)
ঠিকনা ঃ

*সুভাষ বৰ্মন,*
*বড়িগোগ-বনভাগ শিক্ষাখণ্ড*
*ঘগ্ৰাপাৰ, নলবাৰী*
*ভ্ৰাম্যভাষ ঃ ৯৮৫৪৪০৯৯০২*

# দুধনৈ ৰাভা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে ২৬ সংখ্যক "বায়খো উৎসৱ" আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১১ জুন ঃ** দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত মঙলবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে ৰাভা জনগোষ্ঠীৰ অন্যতম কৃষিভিত্তিক উৎসৱ "বায়খো"। দুধনৈ ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত হোৱা ২৬ সংখ্যক বায়খো উৎসৱৰ লগত সংগতি ৰাখি ১০জুন মঙলবাৰে ৰাতিপুৱাৰ পৰা দুধনৈ উদয়পুৰস্থিত বায়খো পূজাৰ স্থায়ী স্থান বায়খো ধামত ৰাভা জনগোষ্ঠীয় পৰম্পৰাৰ মাজেৰে "চিকাবুদী" পূজা কৰা হয়। বামুণডাঙা ৰংবুদি বায়খো পূজা কমিটিৰ দ্বাৰা অঞ্চলটোৰ সকলো শ্ৰেণীৰ লোকৰ মংগল কামনা, কৃষিৰ উৎপাদন বৃদ্ধি হোৱাৰ কামনাৰে চিকাবুদী অৰ্থাৎ বৰুণ দেৱতাৰ লগতে ধৰমঠাকুৰ,ৰংবুদী,বাহুবলী, মাৰুক্ষেত্ৰী, জলকুৱৰী আৰু ধনকুবেৰ দেৱতাক পূজা কৰা হয় । আজি পুনৰ এই স্থানতে ৰাভা জাতীয় পৰম্পৰাৰে বায়খো পূজা আৰম্ভ হয়। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা বায়খো উৎসৱ উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা বায়খো উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি টংকেশ্বৰ ৰাভাই। তাৰ পিছতে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰেকৃষ্ণ কলিতাই স্মৃতিতৰ্পণ কৰে। ইয়াৰ পিছতে বায়খো উদ্‌যাপন সমিতিৰ লগত ওতঃপ্ৰোত ভাৱে জৰিত প্ৰয়াত ব্যক্তি ক্ৰমে গৌৰীশংকৰ ৰাভা, ভজনলাল ৰাভা,যতীন খাখলাৰী, মাইকণ চক্ৰৱৰ্তী, অশোক ৰঞ্জন ভট্টাচাৰ্যী আৰু শশীকুমাৰ ৰায়লৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিচতেই চিনাকি পৰ্ব, চিত্ৰাংকণ প্ৰতিযোগিতা লগতে ৰাভা জনগোষ্ঠীৰ জনপ্ৰিয় তথা পৰম্পৰাগত খেল "লেৱাটানা খেল" অনুষ্ঠিত কৰা হয়। সন্ধিয়ালৈ দুধনৈ ৰাজহুৱা খেলপথাৰত "বাৰনাক্কায়" অৰ্থাৎ জুইৰ ওপৰত নৃত্য প্ৰদৰ্শন কৰে। তাৰ পিচত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধীয়ে। একেখন মঞ্চতে চিৰঞ্জীৱ চক্ৰৱৰ্তীৰ সম্পাদনাত বায়খো উৎসৱৰ স্মৃতিগ্ৰন্থ "মানচালেংকা" উন্মোচন কৰিব ৰাভা হাছং পৰিষদৰ ৬নং উত্তৰ দুধনৈ পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্যা উজালা ব্ৰহ্মই। আনহাতে আজি নিশাই একেখন মঞ্চত অনুষ্ঠিত হয় ৰাভা জাতীয় সাজপাৰ আৰু আ-অলংকাৰৰ ওপৰত "মিচ ৰাচংছিনি দৰায়" প্ৰতিযোগিতা। কাইলৈ সামৰণিৰ দিনা বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হবলগীয়া মুকলি "ছাথাৰ নৃত্য"ৰ প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাভা হাছং পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভাই। নিশা ৮বজাত ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন কৰিব লগীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত গীতৰ শৰাই আগবঢ়াব ইণ্ডিয়ান আইদল খ্যাত জনপ্ৰিয় গায়িকা "মিচমি বসু", জনপ্ৰিয় শিল্পী দীপশিখা বৰা,মানস প্ৰতীম, হিমাশ্ৰী ৰাভা, আৰু হিতেশ ৰাভাই। দুধনৈ ৰাভা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভক্ত চন্দ্ৰ ৰাভা, সাধাৰণ সম্পাদক নৱজ্যোতি ৰাভাই সকলো শ্ৰেণীৰ ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# ক'ভিডৰ আতংক; মোদীক

আমন্ত্ৰণ জনাইছে। বুধবাৰে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা আনুষ্ঠানিক বিবৃতি অনুসৰি বিগত ২৪ ঘণ্টাত দেশত ৩০৬জন নতুনকৈ ক'ভিড আক্ৰান্ত হোৱাৰ লগতে ৬জন লোকৰ মৃত্যু হৈছে। কেৰালাত তিনিজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মহাৰাষ্ট্ৰত ১জন আৰু কৰ্ণাটকত ২জন লোকৰ মৃত্যুৰ তথ্য প্ৰকাশ পাইছে। কেৰালাত এটা দিনত সৰ্বাধিক ১৭০জন নতুনকৈ আক্ৰান্ত হৈছে। ইফালে, তথ্য অনুসৰি গুজৰাটত নতুনকৈ ১১৪জন সংক্ৰমণ আৰু ১২২৩জন সক্ৰিয় ৰোগীৰ সংখ্যা পোৱা গৈছে। তাৰ পিছতে কৰ্ণাটকত ১০০জন নতুনকৈ আক্ৰান্ত হৈছে। স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, যোৱা ২৪ ঘণ্টাত দিল্লীত ৬৬জন নতুনকৈ ক'ভিড আক্ৰান্ত হৈছে আৰু ৰাজধানী চহৰখনৰ মুঠ ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা ৭৫৭ গৰাকী হৈছেগৈ

# অৰুণাচলত চতুৰ্থ ভাষা

কুমাৰ গোস্বামীয়ে কয়, "আমি মে' মাহৰ মাজভাগত সেতুবন্ধ কাৰ্যসূচীৰ জৰিয়তে বৰাকলৈ গৈছিলো আৰু এই কাৰ্যসূচীৰ জৰিয়তে বৰাকত আমি ১০০ শতাংশই সফল হৈছোঁ। আমি অৰুণাচললৈও গৈছোঁ আৰু বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছো। অহা ২১ জুনত অসম সাহিত্য সভাৰ এটা দল অৰুণাচলৰ নামচাইলৈ যাব। উক্ত দিনাই নামচাইত অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰীৰ উপস্থিতিত তাত বাস কৰা অসমীয়া লোকসকলে ব্যৱহাৰ কৰা ভাষাৰ ওপৰত আলোচনা কৰা হ'ব। কাৰণ অৰুণাচলৰ নামচাইত ২৫খন অসমীয়া গাঁও আছে আৰু তাত বাস কৰা লোকসকলে অসমীয়া ভাষা ক'ব পাৰে কিন্তু লিখিব নাজানে। উক্ত দিনাই এই সমস্যাটো সমাধান কৰি আহিম বুলি ভাবিছোঁ।" অসম সাহিত্য সভাৰ সভাপতি ডল

গোস্বামীয়ে কয়, "অৰুণাচলত যাতে অসমীয়া ভাষাটো চতুৰ্থ ভাষা হিচাপে ব্যৱহাৰ হয় তাৰ বাবেও চেষ্টা চলাম। অসমৰ কাষৰীয়া ৰাজ্যসমূহ যেনে নাগালেণ্ড আৰু মেঘালয়ৰ সৈতেও এক সম্পৰ্ক স্থাপন কৰিম। নাগালেণ্ডৰ লগত বিভিন্ন ধৰণৰ সম্পৰ্ক স্থাপনৰ বাবে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে, আমাৰ কাৰ্যকালৰ প্ৰথম বৰ্ষৰ ডিচেম্বৰৰ আগতেই নাগালেণ্ড লৈ যাম আৰু সাংস্কৃতিকভাৱে সম্পৰ্ক গঢ়ি তুলিম। সভাপতিগৰাকীয়ে লগতে কয়, "বৰাক উপত্যকাত ডাঙৰ সমস্যা হৈছে যে তাত শতকৰা ৭৫ ভাগ বঙালী জনসংখ্যা আছে। গতিকে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত তাত বঙালী শিকিব লাগিব আৰু অসমীয়া যিখিনি আছে তেওঁলোকেও অসমীয়া শিকিব লাগিব। গতিকে এই ব্যৱস্থাটো খুব সোনকালে হ'ব। মই আশা কৰো অসম বিশ্ববিদ্যালয়তো অসমীয়া হ'ব। তাৰ কেইবাটাও ভাল ফল আমি পাইছো। বৰাকত যিমানখিনি আৰক্ষী আছে সকলো অসম সাহিত্য সভাৰ আজীৱন সদস্য হ'ব। অসম বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলো আমাৰ আজীৱন সভ্য হ'ব। আমি তেখেতসকলক প্ৰ-পত্ৰ দি থৈ আহিছো। ভাল কথা এইটোৱে আমি যিদিনাই প্ৰ-পত্ৰ দিছিলো তাৰ উপাচাৰ্যই সেইদিনাই আজীৱন সভ্য হৈছে।"

# আজিও মুকলি নহ'ল ৩০০

কিন্তু প্ৰায় ডেৰটা বছৰে গেঠেলা মাৰি থাকিল সমগ্ৰ প্ৰক্ৰিয়া। সুন্দৰ আন্তঃগাঁথনিৰে কেইবা কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰি উলিওৱা বাণিজ্য কেন্দ্ৰটো সম্প্ৰতি ভালুকৰ সাঙীত পৰিণত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখযোগ্য যে, ২০২০ চনত গোলাঘাট জিলাৰ খুমটাই বিধান সভা সমষ্টিৰ ডাবিডুবিত ৩০০ কোটি টকীয়া আঁচনিৰে ধুমধামেৰে সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তঃৰাষ্ট্ৰীয় আগৰ বাণিজ্য কেন্দ্ৰৰ শিলান্যাস কৰে। ডাবিডুবিৰ পূৰ্বতে শ্বহীদ কুশল কোঁৱৰ সূতাকলৰ ভূমিত কেন্দ্ৰটো খৰটকীয়াভাৱে নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈ উঠে। ২০২৩ বৰ্ষত কৃষকৰ বাবে মুকলি কৰি দিয়াৰ কথাও চৰকাৰে ঘোষণা কৰিছিল। কিন্তু ভাৰবৰ্ষৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় আগৰ বাণিজ্য কেন্দ্ৰ গোলাঘাটৰ ডাবিডুবিত নিৰ্মাণ কৰা বুলি জয়ঢোল কোবাই কোটি টকা ব্যয় কৰি সম্পূৰ্ণ কৰে যদিও ৰহস্যজনকভাৱে ডেৰটা বছৰে তেনেদৰেই পৰি ৰৈছে। আজিলৈকে ৰহস্যজনকভাৱে মুকলি কৰা নহ'ল। গ্ৰামাঞ্চলৰ থলুৱা সাঁচি খেতিয়ক আৰু ব্যৱসায়ীসকলক মধ্যভোগীৰ পৰা মুক্ত কৰি এখন উচিত বজাৰ দিয়াৰ লক্ষ্যৰে আৰু আত্মনিৰ্ভৰ ইণ্ডিয়া, আত্মনিৰ্ভৰ অসমৰ লক্ষ্যৰে নিৰ্মাণ কৰা গোলাঘাটৰ উক্ত কেন্দ্ৰটো আজিও মুকলি নকৰাত আগৰ কৃষকসকলে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে। এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৃষকৰ স্বাৰ্থত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ অৱকাশ হ'ব নে বুলিও কৃষক ৰাইজে স্বাভাৱিক প্ৰশ্ন উত্থাপন কৰিছে।

# আহমেদাবাদত অসমৰ

ফোনত কথা পাতি আছিল। তাৰ মাত্ৰ আধা ঘণ্টা পাছত, ১.০০ মান বজাত পৰিয়ালে শিৱালীৰ মৃত্যুৰ খবৰ লাভ কৰে। পৰিয়ালে কয় যে, কথা পাতি উঠাৰ আধা ঘণ্টামান পাছত আমাৰ ওচৰলৈ পুনৰ ফোন আহিছিল আৰু জানিব পাৰিছিলো যে শিৱালীৰ মৃত্যু হৈছে। এনে পৰিস্থিতিত পৰিয়ালে অভিযোগ কৰিছে যে, শিৱালীক সম্ভৱতঃ প্ৰেমিক সৌৰভে হত্যা কৰিছে। পৰিয়ালৰ লোকে জনোৱা অনুসৰি, বিগত ৩ বছৰ ধৰি শিৱালী সৌৰভৰ সৈতে লিভ-ইন-ৰিলেশ্যনশ্বিপত আছিল। প্ৰায়ে দুয়োৰে মাজত কাজিয়া লাগিছিল। আনকি মাজে মাজে সৌৰভে শিৱালীক মাৰপিটো কৰিছিল। গতিকে এয়া শিৱালীৰ চৰম সিদ্ধান্ত বা দুৰ্ঘটনা হ'ব নোৱাৰে। সৌৰভে পৰিকল্পিতভাৱে এই কাণ্ড সংঘটিত কৰিছে। শিৱালীৰ মাতৃয়ে কয় যে, "মাত্ৰ ২০ মিনিটমানৰ ভিতৰত তাইক মাৰি পেলাইছে। আধা ঘণ্টামান আগত মই কথা পাতিছিলো। সকলো নৰ্মেল আছিল। মোক সুধিছিল ভাত কিহেৰে খাইছো। মই কাইলৈ যোৱা কথা আছিল আৰু শনিবাৰে তাই মোৰ অহা কথা আছিল।" তাই ইয়ালৈ আহিলেও সৌৰভ আৰু তাৰ মাতৃয়ে ফোন কৰি আছিল। ইয়াৰোপৰি প্ৰথমতে শিৱালী অকলে বাস কৰিছিল আৰু পাছলৈ সৌৰভে তেওঁৰ ঘৰলৈ লৈ গৈছিল বুলি মাকে কয়।

# আজিৰ তাৰিখত নিৰ্বাচন

অনুষ্ঠিত বিটিআৰ লেভেল সামূহিক মহিলা সমল ব্যক্তি সন্মিলনত এইদৰে মন্তব্য কৰে প্ৰমোদ বড়োৱে। তেওঁ ইউ পি পি এল দলে ৰাইজক সেৱা কৰাৰ কাৰণে কাম কৰি আছে বুলি কয়। বিটিচিৰ কিতাপ কেলেংকাৰী আৰু ভূমি পাত্তাক বিষয়টো বিৰোধীৰ ষড়যন্ত্ৰ বুলি মত প্ৰকাশ কৰে। একেখন সভাতেই উপস্থিত থাকি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামান্নোয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয় যে বিজেপিক বাদ দি কোনো নিৰ্দিষ্ট এটা দলৰ চৰকাৰ গঠন বিটিচিত সমিভৱ নহ'ব বুলি মত প্ৰকাশ কৰে। বিজেপি বিটিচিত পাৱাৰ পাৰ্টনাৰ হৈ আহিছে, ৰণজিৎ দাসে বিটিচিৰ ৰাজনীতিক লৈ যি কয় তাকেই ফলিয়াই বুলিও কয়। বিটিআৰত বিজেপিয়ে অকলে নিৰ্বাচন খেলিব বুলি দোহাৰি বিটিচিত ইতিমধ্যে বুথ সমিতিৰ স্বাস্থ্য পৰীক্ষা চলিছে বুলি মন্তব্য কৰি বিজেপি প্ৰথম, ইউপিপিএল দ্বিতীয় আৰু বিপিএফ তৃতীয় দল হ'ব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বা'ঁ জিলাৰ বৰমাৰ খাৰুৱাত বিটিআৰ লেভেল সামূহিক মহিলা সমল ব্যক্তি সন্মিলনত উপস্থিত থাকি ৰণজিৎ কুমাৰ দাসে ভূপেন বৰা কংগ্ৰেছৰ পৰা বিজেপি লৈ আহিলে লগত দহ হাজাৰ বুথ সমিতি আহিলে আদৰি লব পৰা যায় বুলিও মন্তব্য কৰে।

# দৰঙৰ খটৰা সত্ৰ দৰ্শন

খটৰাসত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকী উপস্থিত হোৱাৰ লগে লগে সত্ৰৰ গায়ন-বায়ন আৰু খোলবাদনৰে মুখ্যমন্ত্ৰী গৰাকীক আদৰি নিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাম, লক্ষণ, সীতা আৰু হনুমান বিগ্ৰহত সেৱা জনায়। ভিন্ন প্ৰান্তৰ ভকত, বৈষ্ণৱ আৰু ধৰ্মপ্ৰাণ ৰাইজেৰে উদুলি-মুদুলি হৈ পৰে সত্ৰৰ চৌহদ। ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীক সত্ৰৰ তৰফৰ পৰা বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে ৰত্নাৱলী সত্ৰ পৰিচালনা সমিতি, শলগুৰি সত্ৰ পৰিচালনা সমিতি, ৰুদ্ৰেশ্বৰ দেৱালয় পৰিচালনা সমিতি, জগদ্ধাত্ৰী মন্দিৰ পৰিচালনা সমিতি আদি বিভিন্ন অনুষ্ঠানে সম্বৰ্ধনা জনায়। আনহাতে ঐতিহাসিক সত্ৰৰ প্ৰাংগণত ভোৰতাল নৃত্য, দৰঙৰ অন্যতম লোককৃষ্টি ব্যাসৰ ওজাপালি, খুলীয়া ভাউৰীয়া, নাম-প্ৰসংগ, খোলবাদন আৰু থিয়নামৰ ধ্বনিত আইমাতৃ, পুৰুষ-মহিলা, ভক্তগণ সকলো ভক্তিৰসত বুৰ যোৱা পৰিলক্ষিত হয়। আধ্যাত্মিক ভক্তিৰসৰ মাজেৰে উছ্‌ব মুখৰ হৈ পৰা অনুষ্ঠানত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, পাথৰিঘাট মণ্ডল বিজেপিৰ সভাপতি তপন চহৰীয়া, সহ ভালেমান বিশিষ্ট ব্যক্তিয়ে মুখ্যমন্ত্ৰীক সংগ দিয়ে। উল্লেখ্য যে, যোৱা পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়তে খটৰা সত্ৰ দৰ্শন কৰিব আহিব বুলি কৈছিল। খটৰা সত্ৰৰ সৰ্বাংগীণ উন্নতিৰ বাবে সকলো কাম কৰিব বুলি মন্তব্য প্ৰদান কৰে। সদ্যহতে, সত্ৰৰ মণিকূট, বৰনামঘৰ নিৰ্মাণৰ তৎকালীন ব্যৱস্থা গ্ৰহণৰ কথা ব্যক্ত কৰাৰ লগতে, ঐতিহাসিক খটৰা সত্ৰৰ নামত চৰ-চাপৰি অঞ্চলত কমেও এহেজাৰ ভূমি আবণ্টন দিয়াৰ বাবে জিলা আয়ুক্তক ব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে।

# চীনক অতিক্ৰম ভাৰতৰ

বিশ্বৰ সবাতোকৈ জনবহুল ৰাষ্ট্ৰ হ'লেও ভাৰতৰ জনগাঁথনিত সামান্য পৰিৱৰ্তনো পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰসংঘই ধৰা পেলাইছে এই আংশিক সাল-সলনি। ৰাষ্ট্ৰসংঘৰ জনসংখ্যা পুঁজিৰ প্ৰকৃত উৰ্বৰতা সংকট শীৰ্ষক প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি পৰিয়াল পৰিকল্পনাৰ দিশত দেশৰ দম্পতীৰ মতৰ হৈছে অমিল। সেই অনুসৰি প্ৰতি তিনিজন প্ৰাপ্তবয়স্ক ভাৰতীয়ৰ ভিতৰত এজনে (৩৬ক্ষ) অনাকাংক্ষিত গৰ্ভধাৰণৰ সন্মুখীন হয়, আনহাতে ৩০ক্ষ লোকে হয় সন্তান জন্ম দিয়াৰ অপূৰ্ণ ইচ্ছা অনুভৱ কৰে। ২৩ক্ষ লোকে দুয়োটা সমস্যাৰে সন্মুখীন হোৱা বুলি ৰাষ্ট্ৰসংঘই সদৰি কৰিছে। প্ৰতিবেদনত প্ৰজনন ক্ষমতা হ্ৰাস পোৱাৰ বাবে আতংকৰ পৰা অপূৰণীয় প্ৰজনন লক্ষ্যৰ বিষয়লৈ পৰিৱৰ্তন কৰাৰ বাবে আহ্বান জনোৱা হৈছে। তদানুসৰি লক্ষাধিক লোকে প্ৰকৃত প্ৰজনন লক্ষ্য উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাই। ইউ এন এফ পি এৰ ভাৰতীয় প্ৰতিনিধি আণ্ড্ৰেয়া এম ৰজনাৰে কয় যে এই সমস্যাৰ উত্তৰ বৃহত্তৰ প্ৰজনন সংস্থাত নিহিত হৈ আছে। ১৪খন দেশত কৰা সমীক্ষাই ভাৰতৰ জনতাৰ বাধাসমূহ প্ৰকাশ কৰিছে। আৰ্থিক সীমাবদ্ধতাক পৰিয়াল পৰিকল্পনাৰ বাধা হিচাপেও চিহ্নিত কৰা হৈছে। আনহাতে, প্ৰায় ১০ জনৰ ভিতৰত ৪ জনৰ মতে আৰ্থিক সীমাবদ্ধতাই তেওঁলোকক ইচ্ছাকৃত পৰিয়াল গঠনৰ পৰা বাধা দিছে। চাকৰিৰ অনিশ্চয়তা (২১ক্ষ), বাসস্থানৰ সীমাবদ্ধতা (২২ক্ষ) আৰু নিৰ্ভৰযোগ্য শিশু যত্নৰ অভাৱ (১৮ক্ষ)ই সন্তানৰ অভিভাৱক হোৱাটোক অসাধ্য কৰি তুলিছে। স্বাস্থ্যৰ অৱনতি (১৫ক্ষ), বন্ধ্যাত্ব (১৩ক্ষ) আৰু গৰ্ভধাৰণ সম্পৰ্কীয় যত্নৰ সীমিত প্ৰাপ্যতা (১৪ক্ষ)ৰ দৰে স্বাস্থ্য সম্পৰ্কীয় বাধাই অতিৰিক্ত চাপ সৃষ্টি কৰিছে। প্ৰতিবেদন অনুসৰি বহু দম্পতী ভৱিষ্যতৰ উদ্বেগৰ বাবেও পিছ হুঁহকিছে। আনহাতে ১৯ক্ষ লোক পৰিয়ালৰ চাপৰ সন্মুখীন হৈছে। সেই সমীক্ষা অনুসৰি ২০৭০ চনত স্থিৰ হোৱাৰ পূৰ্বে দেশৰ জনসংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাব। তাৰ পিছতহে স্থিৰ হ'ব জনসংখ্যা।

## ২০২৪-২৫ বৰ্ষৰ আই খেৰসুতী আৰু পণ্ডিত মহেন্দ্ৰ কন্দলি বৃত্তি পৰীক্ষাত উজ্জ্বলিল মহলীয়াপাৰা ৩ ছাত্ৰ-ছাত্ৰী



**অসম বাৰ্তা, দেওমৰনৈ, ১০ জুন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা পৰিচালিত আৰু কেন্দ্ৰীয় শিক্ষা শাখা সমিতিৰ উদ্যোগত অসমৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিদ্যালয় সমূহৰ ভিতৰত অনুষ্ঠিত হোৱা ২০২৪-২৫ বৰ্ষৰ নিম্ন প্ৰাথমিক শাখাৰ আই খেৰসুতি আৰু উচ্চ প্ৰাথমিক শাখাৰ পণ্ডিত মহেন্দ্ৰ কন্দলি বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষণাত বিদ্যালয়ৰ প্ৰাংগণত উৎসৱৰ মুখৰ পৰিৱেশে বিৰাজ কৰে। দৰং জিলাৰ মহলীয়াপাৰা অৱস্থিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বিদ্যালয়ত আই খেৰসুতি বৃত্তি পৰীক্ষাত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ নীলিম কুমাৰ কাশ্যপে শতকৰা ৯২.৭৮% শতাংশ নম্বৰেৰে অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰে আৰু চানিৰাজ শৰ্মাৰ শতকৰা ৮৬.১১% শতাংশ নম্বৰেৰে অসমৰ ভিতৰত নৱম স্থান লাভ কৰে । আনহাতে পণ্ডিত মহেন্দ্ৰ কন্দলি বৃত্তি পৰীক্ষাত নৱম শ্ৰেণীৰ ছাত্ৰী নিহাৰিকা ডেকাই শতকৰা ৯০.৫৬% শতাংশ নম্বৰেৰে অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

# ভুতৰ ভয়ত বিদ্যালয় এৰিছে একাংশ ছাত্ৰীয়ে

## আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দল উপস্থিত

**অসম বাৰ্তা, কলিয়াবৰ, ১০ জুন ঃ** কলিয়াবৰৰ আমবাগান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ দশমমানৰ কেইবাগৰাকীও ছাত্ৰী শ্ৰেণীকোঠাত বিগত দুটাকৈ দিনত অচেতন হৈ পৰাৰ উপৰি দুগৰাকী ছাত্ৰীয়ে কৰা অস্বাভাৱিক আচৰণৰ গঞ্জনাৰ লৈ ন্যস্ত স্বাৰ্থ মহলে ঘটনাটোক ভৌতিক ক্ৰিয়া-কলাপৰ বিষয় বুলি প্ৰচাৰ কৰাকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে আজি বিদ্যালয় খনত উপস্থিত হৈছে অসম বিজ্ঞান সমিতিৰ এটা প্ৰতিনিধি দল। কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সম্পাদক ভুপেন শৰ্মাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে বিদ্যালয় খনৰ পৰিবেশ অধ্যয়ন কৰাৰ লগতে প্ৰধান শিক্ষক গৰাকীৰ সৈতে আলোচনাত মিলিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক গৰাকীৰ মতে- বিদ্যালয়খনৰ কিছু সংখ্যক শিক্ষাৰ্থী শাৰীৰিকভাৱে কিছু দুৰ্বল হোৱাৰ উপৰি কোনো কোনোৱে ভালকৈ খাই - বৈ নাহে। তদুপৰি দশমমানৰ কেইবাগৰাকী ছাত্ৰী নৱনিৰ্মিত এটা কোঠাৰ টিনপাতত পৰা ৰ'দৰ প্ৰতিফলনে শিক্ষাৰ্থীৰ চকুত ধৰাত কাঁচিকৈৰে অহা পোহৰৰ প্ৰতিফলনৰ বাবে ব্লেক ব'ৰ্ডৰ আখৰ পঢ়িবলৈ অসুবিধা হোৱা বাবে তাৰ পৰা বাচিবলৈ দুৱাৰ আৰু খিৰিকী বন্ধ কৰি লৈছিল। তাতে গৰমৰ দিন হোৱা বাবে কোঠাটোত এটা অসহনীয় অৱস্থাৰ সৃষ্টি হোৱা বাবেই এই ঘটনা ঘটে বুলি সন্দেহ কৰিছে । ইয়াকে লৈ কোনোৱে ভৌতিক ঘটনা বুলি বেজ মাতি অনাত আৰু স্থানীয় উপস্থিত ৰাইজৰো একাংশই বেজৰ কথাত উজান দিয়াত পৰিস্থিতি উত্তেজনাপূৰ্ণ হয় বুলি স্বীকাৰ কৰে। প্ৰধান শিক্ষক গৰাকীয়ে সদস্যতে শ্ৰেণীকোঠাটো সলনি কৰা হৈছে বুলি প্ৰতিনিধি দলটিক জানিবলৈ দিয়ে। প্ৰতিনিধি দলটিয়ে পূৰ্বৰ শ্ৰেণীকোঠাটো নিৰীক্ষণ কৰি পায় যে ২৩ ২৫ বৰ্গফুটৰ কোঠাটোত ৬৫ গৰাকী শিক্ষাৰ্থীয়ে পাঠ গ্ৰহণ কৰে। তদুপৰি কোঠাটোত খিৰিকীৰ সংখ্যা কম। প্ৰতিনিধি দলটোৱে বিদ্যালয়ৰ প্ৰধান শিক্ষকক শ্ৰেণীকোঠাটো পাঠদানৰ উপযোগী কৰিবলৈ পৰামৰ্শ দিয়াৰ উপৰি বেজৰ অবৈজ্ঞানিক কথাৰে পৰিস্থিতি নহ'বলৈ আহ্বান জনায় আৰু প্ৰয়োজনত আৰক্ষীৰ সহায় ল'বলৈ পৰামৰ্শ আগবঢ়ায়। চকবাৰী এই বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ সংখ্যা কমাবলৈও ন্যস্ত স্বাৰ্থ মহলে এই ভূত- প্ৰেতৰ প্ৰচাৰ চলোৱা বুলি প্ৰতিনিধি দলটোৱে সন্দেহ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰতিনিধি দলটোৱে ভুক্তভোগী শিক্ষাৰ্থীৰ চিকিৎসকৰ পৰাও জানিব পাৰে যে শিক্ষাৰ্থীসকলৰ শাৰীৰিক কোনো অসুস্থতা নাই বেজে- বেজালিৰ চৰ্চাই প্ৰাধান্য পোৱা বাবে বা অতিপাত গৰমৰ বাবে সাময়িক মানসিক চাপৰ বাবে এনেকুৱা হ'ব পাৰে। উল্লেখযোগ্য যে এই ঘটনাৰ পিছত বিদ্যালয়খনত শিক্ষাৰ্থীৰ উপস্থিতি কমিছে। প্ৰতিনিধি দলটিক প্ৰধান শিক্ষকে জানিবলৈ দিয়ে যে আজিৰ দিনটোত দশমমানৰ শ্ৰেণীকোঠাত মাত্ৰ দুগৰাকী ছাত্ৰীহে উপস্থিত আছে আৰু বাকী শ্ৰেণীসমূহতো আধাসংখ্যক শিক্ষাৰ্থীয়েহে উপস্থিত নাই। বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলটোৱে আমবাগান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক লগ ধৰি বেজ - বেজালিৰ প্ৰভাৱত যাতে বিদ্যালয়খনক অসুবিধাত নেপেলায় তাৰ প্ৰতি নজৰ দিবলৈ অনুৰোধ জনায়। অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলটিত অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য তথা কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সম্পাদক ভূপেন শৰ্মা, প্ৰাক্তন যুটীয়া সচিব পংকজ কুমাৰ বৰুৱা, বিজ্ঞান সমিতিৰ আজীৱন সভ্য ভবেন্দ্ৰ বৰুৱা, অসম বিজ্ঞান সমিতিৰ আমবাগান শাখাৰ সভাপতি ৰতন মণ্ডল আৰু সদস্য হৰিশ মণ্ডলে অংশগ্ৰহণ কৰে।

# বাক্সাৰ দিহিৰা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ৰাম দাহাল

**অসম বাৰ্তা, বাগানপাৰা, ১০ জুন ঃ** বি টি চি পৰিষদীয় নিৰ্বাচন আগন্তুক ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'ব । বি টি চি পৰিষদীয় নিৰ্বাচনলৈ তৎপৰ হৈ পৰিছে ৰাজনৈতিক দল সমূহ । প্ৰতিটো ৰাজনৈতিক দলে আগন্তুক বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে কুচ-কাৱাজ আৰম্ভ কৰিছে । প্ৰতিটো দলে বিভিন্ন ঠাইত সভা সমিতি, সাংগঠনিক সভা, দলত যোগদান কাৰ্যসূচী আদিৰে ভোটাৰ ৰাইজৰ মন আকৰ্ষিত কৰাৰ বাবে উঠিপৰি লাগিছে । আঞ্চলিক দল বি পিএফ, ইউ পি পি এল,, গণ সুৰক্ষা পাৰ্টি, আৰু ৰাষ্ট্ৰীয় দল ভাৰতীয় জনতা পাৰ্টী, কংগ্ৰেছ দলে নিৰ্বাচনত জয়ী হোৱাৰ বাবে কঁকালত টঙালি বান্ধিছে । এনে এক প্ৰেক্ষাপটত এইবেলি দিহিৰা পৰিষদীয় সমষ্টিৰ পৰা বিজেপিৰ একনিষ্ঠ দলীয় কৰ্মী, বিশিষ্ট সমাজকৰ্মী তথা গোৰ্খা উন্নয়ন পৰিষদৰ প্ৰাক্তন উপাধ্যক্ষ ৰাম দাহালে প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ বাবে চিন্তা চৰ্চা কৰিছে বুলি জানিব পৰা গৈছে । বা'ং জিলাৰ চাউলকাড়া হস্তিনাপুৰ গাঁও নিবাসী প্ৰয়াত দেৱী প্ৰসাদ দাহালৰ পুত্ৰ ৰাম দাহালে বিজেপিৰ দিহিৰা মণ্ডলৰ কাৰ্যকৰী সদস্য, মণ্ডল সাধাৰণ সম্পাদক, বা'ং জিলা বিজেপিৰ কাৰ্যকৰী সদস্য, দুবাৰকৈ জিলা সমিতিৰ সাধাৰণ সম্পাদক, দুবাৰকৈ জিলা সমিতিৰ সভাপতি আৰু বৰ্তমান ৰাজ্যিক বিজেপিৰ কাৰ্যকৰী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । তদুপৰি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, অসম গোৰ্খা সন্মিলনৰ বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক, ভাৰতীয় গোৰ্খা পৰিসংঘৰ প্ৰাক্তন সাংস্কৃতিক সমন্বয়ক, অধুনালুপ্ত নেপালী থিয়েটাৰ লালীগুৰাছ থিয়েটাৰত ১৯৯৪ চনৰ পৰা ২০১২ চনলৈ প্ৰযোজক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । এক বাৰ্তালাপত ৰাম দাহালে কয় যে," বিজেপি দলৰ হকে মই বহু বছৰ ত্যাগ স্বীকাৰ কৰি আহিছোঁ । দলীয় নেতৃত্ব ই মোক দিহিৰা পৰিষদীয় সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিব বুলি ম ই আশাবাদী । দিহিৰা সমষ্টিটো যিধৰণে উন্নয়ন হ'ব লাগিছিল সেই ধৰণে উন্নয়ন হোৱা নাই । সমষ্টিটো দুবাৰকৈ জি এছ পিয়ে দখল কৰিলে যদিও আমি ভবাৰ দৰে উন্নয়ন হোৱা নাই । দিহিৰা ৰাইজৰ উন্নয়নৰ স্বাৰ্থত মই কাম কৰি যাম মোৰ এটা সপোন আছে। যদিহে দলীয় নেতৃত্ব ই দিহিৰা সমষ্টিত মোক প্ৰাৰ্থিত্ব প্ৰদান কৰে তেতিয়া হ'লে ৰাইজৰ হকে কাম কৰাৰ সুযোগ পাম ।" এই ভাষ্য প্ৰাৰ্থিত্ব প্ৰত্যাশী ৰাম দাহালৰ । ৰাম দাহালে দিহিৰা সমষ্টিৰ পৰা বিজেপিৰ টিকট পাব নে নাপাই সেয়া সময়েহে নিৰ্দ্ধাৰণ কৰিব।

# প্ৰচুৰ সম্ভাৱনাময় আৰু লাভজনক অসমৰ মীনক্ষেত্ৰ

## নগাঁও-মৰিগাঁও জিলাৰ বহু মীন পালকে কঢ়িয়াইছে আশাৰ বতৰা

**অসম বাৰ্তা, বেবেজীয়া, ১০ জুন ঃ** অসমৰ জৈৱ বৈচিত্ৰ্যৰ অন্যতম আকৰ মীন সম্পদ। অসমেই মীন উৎপাদনৰ ক্ষেত্ৰত উত্তম ঠাই বুলি স্পেনিছ বিশেষজ্ঞই মন্তব্য কৰিছিল। কিন্তু দুখৰ বিষয় এই যে মাছ উৎপাদনৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা থকাৰ সত্বেও অসম মাছ উৎপাদনত পিছ পৰি ৰৈছে। আনহাতে বৰ্তমান ৰাজ্য চৰকাৰ খনে অসমৰ মীন ক্ষেত্ৰত মীন বিপ্লৱ সৃষ্টিৰ লক্ষ্যৰে বিভিন্ন বিজ্ঞান সন্মত উন্নত পদ্ধতি আৱিষ্কাৰ কৰি অসমৰ কৃষকক উৎপাদন মুখী কৰাৰ ন ন আঁচনি উদ্ভাৱন কৰিছে সেই অনুসৰি মৎস্য পালক সকল কিমান উপকৃত হৈছে সেয়া কিন্তু চিন্তাৰ বিষয়। এইখিনিতে উল্লেখ কৰিব বিছাৰো যে অসমেই নহয় উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে মীন পালনৰ ক্ষেত্ৰত বিশেষ খ্যাতি থকা নগাঁও আৰু মৰিগাঁও জিলাৰ বিশেষত টুকটুকী, বৰিবজাৰ অঞ্চলৰ মীন পালক সকলে নিজা প্ৰচেষ্টাৰে দীৰ্ঘদিন ধৰি এক মীন বিপ্লৱৰ সূচনা কৰি আহিছে। অবিভক্ত নগাঁও আৰু মৰিগাঁও জিলাৰ কটহগুৰি, ৰৌমাৰী, মৈৰাধ্বজ, ভেহগুৰি, শিঙিমাৰী, শিলপুখুৰী, কহুৰআটি, ধনিয়াভেটি, চমকা, আমলখি, আহোমগাঁও, দেউৰা, কুসুমবড়ি, গোসাঁই খন্দা, কুজিকেধৰি প্ৰায় ডেৰকুৰি গাঁৱৰ লোকে মীন পালন কৰি অসমৰ মীন ক্ষেত্ৰক সম্ভাৱনাময় আৰু লাভজনক ব্যৱসায়লৈ ৰূপান্তৰ কৰাত অৰিহণা যোগাই আহিছে। অন্যহাতে এই সকল মৎস্য পালকে ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্য যেনে- অৰুনাচল প্ৰদেশ, নাগালেণ্ডটো মাছৰ পোনা ৰপ্তানি কৰি ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। বৰ্তমান সময়ত টুকটুকীৰ মৎস্য পালক সকলৰ পৰিচয় অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহটো চিনাকি। দেখা গৈছে যে এই বৃহত্তৰ অঞ্চলৰ বাসিন্দাসকল প্ৰধানকৈ কৃষিজীৱী যদিও যোৱা কিছু বছৰধৰি মৎস্য উৎপাদন আৰু পালনত বিশেষ মনোযোগ দি স্বাৱলম্বী হোৱা দেখা গৈছে। এটা কথা ঠিক যে কোনো আনুষ্ঠানিক প্ৰশিক্ষন তথা চৰকাৰী পৃষ্ঠপোষকতা নোহোৱাকৈ নিজস্ব উদ্যোগত মৎস্য উৎপাদনত নিয়োজিত হৈ আহিছে সকলো স্তৰৰ জনসাধাৰণ। বৃহত্তৰ অঞ্চলটোৰ থলুৱা পদ্ধতিৰে নিৰ্মিত ৬৪ খনৰো অধিক পোনা মাছ উৎপাদন কেন্দ্ৰ স্থাপনেৰে উৎপাদন কৰা মাছেৰে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰভূত বৰঙনি যোগাই আহিছে। প্ৰায় ৯৫ শতাংশ লোক জৰিত থকা মীন ব্যৱসায়টোত নিৰক্ষৰ আৰু শিক্ষিত সকলো লোক জড়িত হৈ আছে। এই ব্যৱসায় ফেব্ৰুৱাৰী মাহৰ শেষ ভাগৰ পৰা আৰম্ভ হৈ জুন-জুলাই মাহলৈকে সুন্দৰ ভাৱে চলি থাকে। উল্লেখ্য যে 'হেচ্ছাৰী' ( পোনা মাছ উৎপাদন কেন্দ্ৰ )বোৰত প্ৰতিবছৰে মাৰ্চ মাহৰ প্ৰথমৰ পৰা জুলাই মাহলৈকে বৈজ্ঞানীক পদ্ধতিৰে প্ৰজনন ঘটাই পোনামাছ উৎপাদন কৰি অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ যোগান ধৰি আহিছে। তদুপৰি এই উদ্যোগৰ জৰিয়তে সহস্ৰাধিক স্থানীয় শিক্ষিত নিবনুৱাই কৰ্মসংস্থাপনৰ বাট মুকলি কৰাৰ লগতে পৰোক্ষভাৱে ২৫-৩০ হেজাৰ লোক উপকৃত হৈছে। দৈনিক ৭০-৮০ খন মিনি ট্ৰাকেৰে ৰাজ্যখনৰ বিভিন্ন জিলাৰ উপৰি অৰুণাচল, নাগালেণ্ডলৈ পোনামাছ যোগান ধৰি আহিছে। যাতায়তৰ ক্ষেত্ৰত আগতে পথৰ দুৰৱস্থা আছিল যদিও বৰ্তমান শাসকীয় চৰকাৰ খনৰ দিনৰ পথৰ সুগম অৱস্থাই মৎস্য উদ্যোগটিলৈ কিছু আশাৰ বটৰা কঢ়িয়াইছে। যি কি নহওক এটা কথা নিশ্চিত যে জিলা দুখনৰ মৎস্য পালক সকলে এক বুজন পৰিমানৰ থলুৱা উৎপাদিত মাছেৰে অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়াত সামান্য পৰিমাণে হলেও অৰিহণা যোগাই আহিছে। কিন্তু চিন্তাৰ বিষয় এয়ে যে ৰাজ্য চৰকাৰৰ বিয়াগোম মীন বিভাগ থকাৰ পিছটো এই বৃহৎ অঞ্চলটিৰ প্ৰতি সু-দৃষ্টি পৰা নাই।

# পৰীক্ষাৰ নম্বৰৰ ভিত্তিতে ছাত্ৰ-ছাত্ৰী সকলক যিকোনো শাখাত অধ্যয়ন কৰিবলৈ দিয়াটো এটা ভুল ধাৰণা ঃ বিতুৰাজ গোহাঁই

**অসম বাৰ্তা, মাকুম, ১০ জুন ঃ** উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম আদিম জনগোষ্ঠী মৰাণ জনগোষ্ঠীৰ লোক সকল সমাজ জীৱনৰ যিকোনো ক্ষেত্ৰত দিনক দিনে দোপতদোপে আগবাঢ়ি গৈছে। ইয়াৰে ভিতৰত প্ৰধানকৈ শিক্ষাৰ দিশত মৰাণ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলে পূৰ্বৰ তুলনাত আৰু অধিক আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে। মৰাণ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলে যিকোনো ক্ষেত্ৰত যেতিয়া নিজৰ লগতে সমগ্ৰ জনগোষ্ঠীটোলৈ গৌৰৱ কঢ়িয়াই আনে তেতিয়া এই শিক্ষাৰ্থী সকলক অনুপ্ৰেৰণা যোগাবলৈ মৰাণ জনগোষ্ঠীৰ কেওতা সংগঠন একত্ৰিত হৈ পূৰ্বৰ পৰাই বিভিন্ন ধৰণৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। ঠিক তেনেদৰে এইবাৰ ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কমলাপূৰ-আমগুৰি-লংছোৱাল অঞ্চলৰ মৰাণ জনগোষ্ঠীৰ কেইবাগৰাকীকৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগোৱা মানসেৰে অসম মৰাণ সভা কমলাপূৰ-আমগুৰি শাখা সমিতি,সদৌ মৰাণ ছাত্ৰ সন্থা আমগুৰি-লংছোৱাল শাখা সমিতি,কমলাপূৰ যুৱ সংঘৰ যৌথ উদ্যোগত অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক এখনি সম্বৰ্ধনা পত্ৰ,এটা চন্দন গছৰপুলি,মৰাণ ফুলাম গামোছা আৰু লগতে এটি ফাইল প্ৰদান কৰা হয়। আজিৰ অভিনন্দন অনুষ্ঠানত সমল ব্যক্তি হিচাপে নিমন্ত্ৰণ কৰি অনা পদ্মনাথ গোহাঞিঃ বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁই উপস্থিত থাকে। বিতুৰাজ গোহাঁইৰ সাৰুৱা ব্যক্তব্যৰে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উপস্থিত থকা ব্যক্তি সকলক উৎসাহিত কৰা পৰিলক্ষিত হয়। লগতে উক্ত অনুষ্ঠানত অসম মৰাণ সভাৰ শাখা পৰ্যায়ৰ বিষয়ববীয়া সকল,সদৌ মৰাণ ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া,মাকুম আঞ্চলিক সমিতিৰ বিষয়ববীয়া,বাৰেকুৰি আঞ্চলিক যুৱক সংঘৰ বিষয়ববীয়া সকলৰ প্ৰমুখ্যে কৰি ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱীকা সকল উপস্থিত থাকে।

# ডিমৰুহোলা জ্যোতিময় যুৱক সংঘৰ কৃতী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, সংবাদদাতা, বাঘজান, ১০ জুন ঃ** তিনিচুকীয়া জিলাৰ ডিমৰুহোলা জ্যোতিময় যুৱক সংঘৰ উদ্যোগত ডিমৰুহোলা প্ৰাথমিক বিদ্যালয়ত ২০২৫ বৰ্ষৰ উচ্চ-উচ্চতৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক উৎসাহ-প্ৰেৰণা জনোৱাৰ উদ্দেশ্যে অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত অঞ্চলটোৰ মুঠ ৩৭ গৰাকী উচ্চ-উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক একোখনকৈ চেলেং, একোটাকৈ গছপুলি আৰু একোখনকৈ সম্বৰ্দ্ধনা পত্ৰৰে অভিনন্দন জ্ঞাপন কৰে। ডিমৰুহোলা জ্যোতিময় যুৱক সংঘৰ সভাপতি লিউৰেন বড়াৰ সভাপতিত্ব অনুষ্ঠিত অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড০ অমৃতা প্ৰীতম গগৈয়ে মুখ্য অতিথি হিচাবে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি "জীৱনত জয়ী হ'বলৈ হ'লে দুখেৰে নহয়, সদায় আনন্দ-ফুৰ্তিৰে আগবাঢ়িব লাগিব। মনটো যদি দুখ হৈ থাকে তেনেহলে আগবাঢ়ি যোৱাত অসুবিধা আহিব। নিজক, গাঁওখনক, মা-দেউতাক, অঞ্চলটোৰ মানুহখিনিক সদায় শ্ৰদ্ধা আৰু সন্মান কৰিবা। নিজৰ সততা সদায় নিজৰ ওচৰতে ৰাখিবা, কাকো দি নিদিবা। কিন্তু তুমি যদি ভাল কাম কৰিছা, ভাল নম্বৰ পাইছা তেনেহলে আন দহজনকো সহায় কৰিবলৈ চেষ্টা কৰিবা। এখন ভিতৰুৱা গাঁৱৰ পৰা গৈ প্ৰতিষ্ঠিত হোৱাটো এক সুকীয়া অভিজ্ঞতা আছে। যি অভিজ্ঞতা সকলোৰে জীৱনত নাহে। ময়ো এখন ভিতৰুৱা, পিছপৰা গাঁৱৰ পৰাই আহি ইমানখিনি পাইছোহি।" এইদৰে বহুমূলীয়া বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে অসম মৰাণ সভা কেন্দ্ৰীয় উপ-সভাপতি বিশ্বজিৎ বড়াই শিক্ষাৰ্থী-অভিভাৱকসকলক উদ্দেশ্যি মৰাণ জনগোষ্ঠীৰ শিক্ষা দিশৰ উন্নয়নৰ সন্দৰ্ভত মন্তব্য দিয়াৰ লগতে জনগোষ্ঠীটোৰ শিক্ষাৰ লগত জড়িত বিভিন্ন শাখাত থকা সংৰক্ষিত আসনৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত অতিথি হিচাবে সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিকৰ প্ৰাক্তন সাধাৰণ সম্পাদক যতীন মৰাণ, ডিমৰুহোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাঞ্জল কুমাৰ দত্ত, বিশিষ্ট যুৱ সমাজসেৱক সত্যজিৎ মৰাণ, যুৱ সংবাদকৰ্মী তথা যুৱ পৰিৱেশকৰ্মী পাপুল গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ভূষণ গগৈ, মাকুমৰ সংবাদদাতা জেৰিণা হাজৰিকাসহ ডিমৰুহোলা জ্যোতিময় যুৱক সংঘৰ উপদেষ্টামণ্ডলী, প্ৰাক্তন সভাপতি-সম্পাদক আৰু বিষয়-ববীয়াসকল উপস্থিত থাকে।

# বাঘজান চাহ বাগিচাৰ শ্ৰমিকসকলৰ সমস্যাৰ সমাধানৰ দাবীত আটছাৰ স্মাৰক-পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, আমগুৰি, ১০ জুন ঃ** শিৱসাগৰ জিলাৰ বাঘজান চাহবাগিচাৰ শ্ৰমিকসকলে দীৰ্ঘদিন ধৰি ভোগি থকা নানান সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ বাঘজান প্ৰাথমিক গোটৰ তৰফৰপৰা বাগান কৰ্তৃপক্ষলৈ এখন ১৩ দফীয়া দাবীৰ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। চাহ বাগিচা সমূহৰ মূল নিয়ন্ত্ৰণত থকা বৰবাম চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালকলৈ স্মাৰক পত্ৰখন প্ৰেৰণ কৰা হয়। আটছাৰ বাঘজান শাখাৰ সভাপতি দিগন্ত মিশ্ৰ আৰু সম্পাদক সত্যম মুণ্ডাই স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে, Tea Plantation Act, 1951 অনুসৰি শ্ৰমিকসকলৰ বিভিন্ন অধিকাৰ আজিও অমান্য কৰা হৈ আছে। স্মাৰকপত্ৰখনত উল্লেখ কৰা ১৩ দফীয়া দাবীসমূহৰ ভিতৰত প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে পকী ঘৰ নিৰ্মাণৰ ব্যৱস্থা, জৰাজীৰ্ণ শৌচাগাৰ আৰু বাসগৃহসমূহৰ নতুনকৈ নিৰ্মাণ বা মেৰামতি, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, এজন স্থায়ী জন কল্যাণ বিষয়া আৰু দুশজন শ্ৰমিক অনুপাতে এজন Health Assistant নিযুক্তি, নলা-নৰ্দমাৰ পৰিষ্কাৰ, অৱসৰপ্ৰাপ্ত উপ-কৰ্মচাৰীসকলক পুনৰ নিযুক্তি নকৰা, শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক চাকৰিত নিয়োগ আৰু ১০০ক্ষ সংৰক্ষণ, চিকিৎসালয়ত চিকিৎসা সহায়িকা (নাৰ্চ)ৰ অভাৱত Attendant আৰু চকীদাৰৰ দ্বাৰা চিকিৎসা ব্যৱস্থা বন্ধ কৰা, ৰেচনৰ জোখ-মাখ পদ্ধতি ডিজিটেল কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুৰক্ষিত আৰু দৈনিক স্কুল বাহনৰ ব্যৱস্থা কৰা আদি প্ৰধান ।স্মাৰকপত্ৰখনত উল্লেখিত দাবীসমূহ শীঘ্ৰেই পূৰণ নকৰিলে সংগঠনটোৱে গণতান্ত্ৰিক আন্দোলনত নামিব বুলি হুংকাৰ প্ৰদান কৰে। উল্লেখ্য যে বাঘজান চাহবাগিচাৰ শ্ৰমিকসকলৰ যোৱা বহু বছৰ ধৰি চলি থকা এই সমস্যাবোৰৰ সোনকালে সমাধান হোৱাটো সময়ৰ আহ্বান বুলি স্থানীয় সচেতন মহলে মন্তব্য কৰিছে।

## ডুমডুমাত সাহিত্য সভাৰ বিশেষ অভিনন্দন অনুষ্ঠান

# মেট্ৰিকত অসমীয়া বিষয়ত লেটাৰপ্ৰাপ্ত ৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীক জনালে সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১০ জুন ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ডুমডুমা শতদল শাখা সাহিত্য সভাই শাখাৰ প্ৰাঙ্গণত অসম ৰাজ্যিক বিদ্যালয় পৰিষদৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত লেটাৰ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যেৰে আজি এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰে। ডুমডুমা-ৰূপাই অঞ্চলৰ বিদ্যালয়সমূহক সামৰি আয়োজন কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰে। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া। অনুষ্ঠানত জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত, ৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অসমীয়া বিষয়ৰ বিষয় শিক্ষয়িত্ৰী কিৰণময়ী বৰা, ডুমডুমা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি গোবিন্দ ফুকন, ডুমডুমা নামঘৰ সমিতিৰ সভাপতি মৃগেন শইকীয়া, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিত্ত সম্পাদক ৰূপেশ তাঁতী, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জ্বল বড়া সোণোৱাল, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সহঃ সম্পাদক ছত্ৰপতি মৰাণ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডুমডুমা শাখাৰ সভাপতি মানস শৰ্মাও উপস্থিত থাকে। সভাত জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া, প্ৰকাশ দত্ত আৰু কিৰণময়ী বৰাই বক্তব্য ৰাখে। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সম্পাদক নিতানন্দ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিৰ আঁত ধৰে শাখাৰ সহঃ সম্পাদক জোনালী শইকীয়া ডেকাই। অনুষ্ঠানত ডুমডুমা-ৰূপাই অঞ্চলক সামৰি বিভিন্ন বিদ্যালয়সমূহৰ মুঠ ৭৬ গৰাকী অসমীয়া বিষয়ত লেটাৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক মেডেল, অভিনন্দন পত্ৰ একোখন গ্ৰন্থ আৰু এটি কলমেৰে অভিনন্দন জনোৱা হ'য়। অনুষ্ঠানত ডুমডুমা ডনব" হাইস্কুল নৱজিৎ ফুলকোঁৱৰ আৰু লিউচিনা গগৈয়ে অসমীয়া বিষয়ত ৯৯ক্ষ শতাংশ নম্বৰ লাভ কৰা বাবে বিশেষভাৱে অভিনন্দন জনোৱা হ'য়। অনুষ্ঠানত দুয়োগৰাকীয়ে চমুকৈ নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত শাখাৰ সদস্যাসকলে এটি সমবেত গীত পৰিৱেশন কৰাৰ লগতে অনামিকা লহকৰে সদ্যপ্ৰয়াত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাক সুঁৱৰি "সৰা পাতে পাতে ফাগুন নামে" শীৰ্ষক জনপ্ৰিয় গীতটি পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানতেই "উজ্জ্বল-তৃপ্তি স্মৃতি ন্যাস"ৰ হৈ বৰষা ঋতু শইকীয়া আৰু ৰিতুমণি শইকীয়াই ন্যাসৰ তৰফৰ পৰা ছেইণ্ট মেৰীজ হাইস্কুলৰ পৰা অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন, প্ৰশস্তি পত্ৰ, কিতাপৰ টোপোলা আৰু গামোচাৰে সম্বৰ্দ্ধনা জনায়। শলাগৰ শৰাই আগবঢ়ায় সভাপতি দেবেন ডেকাই। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।




# যোৰহাট জিলা আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদান যুৱ-ছাত্ৰ পৰিষদৰ

**ষ্টাফৰিপৰ্টাৰ যোৰহাট, ১০ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণ যোৰহাট আঞ্চলিক সমিতিৰ ভাঃ সভাপতি কৈলাশ বৰা সাঃসম্পাদক দিগন্তনাইডুৱে এক প্ৰেছ বিবৃতিত যোগে লিচুবাৰী অঞ্চলৰ বিভিন্ন প্ৰান্তত অবৈধ ভাৱে গঢ় লৈ উঠা ব্যৱসায় প্ৰতিষ্ঠান সমূহে অঞ্চলবাসী ৰাইজৰ লগতে দক্ষিণ যোৰহাট বাসী ৰাইজক বিভিন্ন সমস্যাৰ সন্মুখিন কৰি আহিছে । দৈনিক বজাৰৰ মাজেদি বৈ অহা তৰাজানটো ওপৰত অবৈধ ভাৱে নিৰ্মান কৰা ব্যৱহায় প্ৰতিষ্ঠান সমূহ উচ্ছেদ কৰি জানটোৱেদি পানী নিস্কাসনৰ ব্যৱস্থা কৰা , লিচুবাৰীত অঞ্চলত অৱস্থিত পদ পথটোৰ ওপৰত আসাধু ব্যৱসায়ে গঢ় লৈ উঠা সৰু সৰু ব্যৱসায় প্ৰতিষ্ঠান সমূহ উচ্ছেদ কৰি স্কুললৈ অহা কন কন ছাত্ৰ-ছাত্ৰী, অৱিভাৱক, আৰু ৰাইজৰ বাবে পদ পথটো মুকলি কৰা, শেষতীয়াকৈ নিৰ্মান কৰা তৰাজানটো গাৰ্ডৱাল খন সম্পূনকৈ লিচুবাৰী চাৰিআলিলৈ সংযোজন কৰা , আদি দাবীসমূহ লৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ দক্ষিণ যোৰহাট আঞ্চলিক সমিতিয়ে জিলা আয়ুক্তক এখনি স্মাৰক পত্ৰ প্ৰদান কৰে । উক্ত দাবী সমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অঞ্চলবাসী ৰাইজৰ স্বাৰ্থত ৰাইজক লগত লৈ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে ।

# ফুলবাৰীৰ ধেমাগড়ত বনৰীয়া হাতীৰ উপদ্ৰপ

**অসম বাৰ্তা, লালুক, ১০ জুন ঃ** লখিমপুৰ জিলাৰ ৰঙানদী সমষ্টিৰ অসম অৰুনাচল সীমান্তৱৰ্তী এলেকা ফুলবাৰী অঞ্চলত দীৰ্ঘ দিন ধৰি বন্য হস্তীয়ে উপদ্ৰৱ চলাই আহিছে। যোৱা নিশাও ফুলবাৰী বন সংমণ্ডলৰ অধীনৰ ১ নং ধেমাগড়ৰ বাসিন্দা প্ৰেম বৰুৱা নামৰ লোকজনৰ ঘৰত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলায়। প্ৰাপ্ত তথ্য মতে ঘৰত কোনো ব্যক্তি নথকা অৱস্থাত নিশা প্ৰায় ১২ মান বজাত খাদ্যৰ সন্ধানত বন্য হাতী আহি ঘৰটোত উপদ্ৰপ চলায়। জানিব পৰা মতে নিশা গৃহস্থ নাতি দূৰত্বত অনুষ্ঠিত হোৱা এক ৰাজহুৱা অনুষ্ঠানত ব্যস্ত আছিল। সেই সময়ত কাষৰীয়া অৰণ্যৰ পৰা বন্যহস্তী ওলাই আহি জনাঞ্চলত প্ৰৱেশ কৰি বাসগৃহটো ভাঙি তচ নচ কৰি থৈ যায় । উল্লেখ যোগ্য যে ইয়াৰ পুৰ্বেও বহুবাৰ বন্য হস্তীয়ে পাহাৰৰ দাতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ ঘৰ দুৱাৰ ভঙাৰ লগতে বাৰীৰ শাকপাচলি, গছ গছনি ভাঙি ক্ষতিসাধন কৰি আহিছে। ৰাইজে অভিযোগ কৰাৰ মতে দীৰ্ঘ দিন ধৰি অঞ্চলটোত বন্যহস্তীয়ে অত্যাচাৰ চলাই আহিছে যদিও আজি পৰ্যন্ত এই সকল লোকে কোনো স্থায়ী এক সমাধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। জানিব পৰা মতে নিশাই ঘটনা স্থলীত স্থানীয় বন বিষয়া উপস্থিত হৈ সমগ্ৰ ঘটনা প্ৰত্যক্ষ কৰে আৰু স্থানীয় ৰাইজৰ সহযোগত বহু কষ্টৰ অন্ততহে বন্য হস্তী খেদি পথাবলৈ সক্ষম হয়।

# কামৰ সন্ধানত চেন্নাইলৈ যোৱা অসমৰ যুৱক সন্ধানহীন

**অসম বাৰ্তা, সোনাৰি, ১০ জুন ঃ** চৰাইদেউ জিলাৰ সাপেখাটী আৰক্ষী থানাৰ অন্তৰ্গত কলাকটা গোহাঁই গাঁৱৰ নিৱাসী ত্ৰিলোচন বৰগোহাঁই নামৰ যুৱক জনঞ্জ যোৱা ১জুন তাৰিখে তিনিচুকীয়া ষ্টেচনৰ পৰা চেন্নাই অভিমূখে ৰাওনা হৈছিল যদিও আজি পৰ্যন্ত ব্যক্তিজনৰ সংগীসকলৰ লগতে পৰিয়ালবৰ্গই তেওঁৰ কোনো বাতৰি লাভ কৰা নাই । একত্ৰিশ বছৰীয়া বিবাহিতঞ্জ যুৱকজন বন্ধুবৰ্গৰ সৈতে একেলগে চেন্নাইলৈ গৈছিল যদিও ৪ জুন তাৰিখে অন্ধ্ৰপ্ৰদেশৰ নেল্লুৰ ষ্টেচনত ৰেলৰ পৰা নামি যোৱা ব্যক্তিজনে পুনৰবাৰ ৰেলত উঠাৰ পূৰ্বেই ৰেলখনে ষ্টেচন এৰাৰ ফলতেই ব্যক্তিজন সন্ধানহীন হোৱা বুলি বন্ধুবৰ্গই সন্দেহ প্ৰকাশ কৰিছে । উল্লেখযোগ্য যে ব্যক্তিজনৰ হাতত কোনো ম'বাইল ফ'ন নথকাত তেওঁৰ সন্ধান পোৱাতো পৰিয়ালৰ বাবে অধিক জটিল হৈ পৰিছে। সেয়েহে ইতিমধ্যে আৰক্ষীক এজাহাৰ দাখিল কৰা পৰিয়ালটোৱে উপায়হীন হৈ মুখ্যমন্ত্ৰীৰ সহায় বিচাৰিছে আৰু কোনো লোকে যদি ব্যক্তিজনৰ সন্ধান লাভ কৰে তেন্তে শীঘ্ৰেই ৮০৯৯১৯৮৭৫৮ অথবা ৯৪০১৯৮২৩৪৩ নম্বৰত পৰিয়ালবৰ্গক জনাবলৈ অনুৰোধ জনাইছে।

## বটদ্ৰৱাৰ ৰাইডঙীয়াত ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত

# "জানক বুজক আৰু আগবঢ়ি যাওক" শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়

**অসম বাৰ্তা, বটদ্ৰৱা,১০ জুন ঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ ৰাইডঙীয়াত উক্ত অনুষ্ঠানত কৃষকৰ লগত মত বিনিময়, কৃষক আৰু উদ্যমী সকলক ঋণ অনুমোদন পত্ৰ প্ৰদান কৰে । ভাৰতীয় ষ্টেট বেংক খুটিকটীয়া শাখা কাৰ্যালয়ৰ উদ্যোগত "কৃষি ঋণ সজাগতা সপ্তাহ" শীৰ্ষক অনুষ্ঠানত ৰাইডঙীয়া, চকলাঘাট, নসত্ৰ, আইভেটি, হাতীযুজুৰা আদি বিভিন্ন অঞ্চলৰ প্ৰগতিশীল কৃষক আৰু উদ্যমী মহিলা সকলৰ লগত মত বিনিময় আৰু ঋন অনুমোদন পত্ৰ প্ৰদান কৰা হয় ।অনুষ্ঠানটিত উপস্থিত থাকে ভাৰতীয় ষ্টেট বেংকৰ কৰ্পৰেট কেন্দ্ৰ মুম্বাইৰ চৰকাৰী পৃষ্ঠপোষকতা কৰা আঁচনি কৃষি ব্যৱসায়ীক ইউনিটৰ সহায়ক মহাপ্ৰৱন্ধক, ভাৰতীয় ষ্টেট বেংকৰ খুটিকটীয়া শাখাৰ মুখ্য প্ৰৱন্ধক কমল যোশীৰ লগতে ভাৰতীয় ষ্টেট বেংকৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে ।

# ধুবুৰী জিলা পুৰণা কমিটি ভাঙি নতুন কমিটি গঠন

**অসম বাৰ্তা, ধুবুৰী, ১০ জুন ঃ** কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টীৰ কেপিপিৰ প্ৰতিষ্ঠাতা অতুল চন্দ্ৰ ৰায়ৰ ৫ম মৃত্যু বাৰ্ষিকী উপলক্ষে যোৱা কালি অৰ্থাৎ সোমবাৰে ধুবুৰী জিলাৰ গৌৰীপুৰ নামঘৰ প্ৰাংগণত এখনি স্মৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাৰ পিছতে ধুবুৰী জিলাৰ পুৰণা কমিটি ভাঙি নতুন এখন ১১ জনীয়া কমিটি গঠন কৰা হয়। তথা কথিত ভাবে আগৰ অস্থায়ী সভাপতি পাৰ্টি বিৰোধী কাৰ্যকলাপ ৰ বাবে তেখেতক বহিষ্কাৰ কৰি উক্ত কমিটি খন কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টীৰ অসম ৰাজ্যিক কমিটীৰ সাধাৰণ সম্পাদক নিৰ্মল দাসৰ উপস্থিতিত বাপন ৰায়ক সভাপতি , উপ- সভাপতি জহিৰুল হকক, সাধাৰণ সম্পাদক দিপক ৰায়, সহ - সাধাৰণ সম্পাদক ডালিম ৰায় হিচাপে লৈ ১১ জনীয়া কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টীৰ ধুবুৰী জিলা কমিটী খন গঠন কৰা হয়।

### জুনুবস্তিত আদিবাসী ছাত্ৰ সন্থাৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

# শৈক্ষিক সজাগতা সভা আৰু কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, লীলাবাৰী, ১১ জুন ঃ** প্ৰয়াত ছাত্ৰনেতা জাষ্টিন লাকড়া, বস্কো চেকমাৰ্ক, যোচেফ মিঞ্জ আদি সকলৰ সংঘবদ্ধ প্ৰচেষ্টাত অসমৰ আদিবাসীসকলক কৰা শোষণ, সমস্যা, দুৰ্নীতিৰ বিৰুদ্ধে আৱাজ উঠাবলৈ ১৯৯৬ বৰ্ষৰ ২ জুলাইত লখিমপুৰ জিলাৰ আদিবাসী জুনুবস্তি উচ্চ মাধ্যমিক বিদ্যালয়ত 'সদৌ অসম আদিবাসী ছাত্ৰ সন্থা' নামৰ এটি ছাত্ৰ সংগঠনৰ প্ৰতিষ্ঠা হৈছিল। সংগঠনটোৰ জৰিয়তে আজি জনগোষ্ঠীটোৱে শুদ্ধ পৰিচয়ৰে ৰাজ্যৰ লগতে দেশত নিজকে প্ৰতিষ্ঠা কৰিছে। সংগঠনটোৰে লখিমপুৰ জিলা সমিতি, উজ্জ্বলপুৰ আৰু পুঠিমাৰী আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত ২ জুলাই, বুধবাৰে ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটি জুনুবস্তিস্থিত 'আছাৰ স্মৃতিসৌধ' তথা আদিবাসী জুনুবস্তি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত উলহ-মালহেৰে পালন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলা ভিত্তিক অনুষ্ঠিত হ'বলগা 'আছা'ৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত 'শৈক্ষিক সজাগতা সভা আৰু কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা' জনোৱা হ'ব বুলি উদ্যোক্তা সমিতিয়ে জনাইছে। কাৰ্যসূচী অনুসৰি, ২ জুলাই তাৰিখৰ পুৱা সামূহিক চাফাইৰে আৰম্ভণি হ'বলগা জিলা ভিত্তিক অনুষ্ঠানটিত ৮:৩০ বজাত 'আছাৰ স্মৃতিসৌধ'ত বন্তি প্ৰজ্বলন আৰু পুষ্প অৰ্পণৰ পাছতে আছাৰ পতাকা উত্তোলন কৰিব জিলা সভাপতি বসন্ত কৰ্মকাৰ আৰু সংগঠনটিৰ উজ্জ্বলপুৰ, পুঠিমাৰী আঞ্চলিক সমিতিৰ সভাপতি ক্ৰমে মাইকেল চৰেং আৰু ৰাজু মানকিয়ে। ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগা শৈক্ষিক সভা আৰু কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সভাপতি তথা আছাৰ জিলা উপদেষ্টা জৰ্জ তিৰ্কীয়ে আদৰণি ভাষণ আগবঢ়াব। বস্কো ইনষ্টিটিউটৰ অধ্যাপক তথা সাহিত্য সংস্থা 'Writers on Assam Adivasis'ৰ সভাপতি ড° প্ৰবীণ টপ্নই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটিত উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক জেনী এক্কা, বিশিষ্ট চিকিৎসক ছিলাছ মুৰ্মুৰে সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰাৰ লগতে সংগঠনটিৰ কেন্দ্ৰীয় উপ-সভাপতি কন্তম কুজুৰে নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকিব। লখিমপুৰৰ বিধায়ক মানৱ ডেকা, আছাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক যোচেফ মিঞ্জ, যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকা, উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পদ্মেশ্বৰ চুতীয়া, নাৰা বিহান সমাজৰ সঞ্চালক গড়ফ্ৰী হেড়ে, আছাৰ প্ৰাক্তন কেন্দ্ৰীয় শিক্ষা আৰু প্ৰচাৰ সম্পাদকদ্বয় সঞ্জীৱ তিৰ্কী, মাইকেল টপ্ন আৰু আদিবাসী মহিলা সন্থাৰ মুখ্য উপদেষ্টা সংগীতা টেটেই সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক 'সম্বৰ্দ্ধনা আলাপ' কৰিবলগীয়া অনুষ্ঠানটিত কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপক বৰা, অসমীয়া যুৱ মঞ্চৰ প্ৰধান সচিব অনুপম শইকীয়া, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সুনীল তিৰ্কী, লখিমপুৰ জিলা বীৰ লাচিত সেনাৰ সভাপতি অজিত বুঢ়াগোহাঁই, লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পুণ্যজ্যোতি বুঢ়াগোহাঁই, লখিমপুৰ সদৰ জাতীয়তাবাদী যুৱ পৰিষদৰ সভাপতি মনোজ কলিতা, লখিমপুৰ জিলা অনুসূচীত জাতি ছাত্ৰ সন্থাৰ সভাপতি পাৰ্থ দাস, লখিমপুৰ জিলা আদিবাসী মহিলা সন্থাৰ সভানেত্ৰী ললিতা টপ্ন, লীলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিতোপন শৰ্মাৰ উপৰিও জিলাখনৰ গণ্যমান্য ব্যক্তিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আছা সংগঠনটোক জীয়াই ৰাখিবলৈ অসমৰ বহুকেইজন আদিবাসীয়ে আত্মবলিদান দিছে, সেই শ্বহীদসকলক সাৱোগত কৰি সংগঠনৰ জীৱন যাত্ৰাৰ প্ৰতিটো ক্ষণত অংশীদাৰ হোৱাটো উচিত কাম বুলি উল্লেখ কৰি অভ্যৰ্থনা সমিতিৰ সভাপতি জৰ্জ তিৰ্কী আৰু আছাৰ জিলা সম্পাদক বিজু নায়কে অনুষ্ঠানটিৰ বাবে সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে।




# দেওপানীত ভাৰতৰ সৰ্ববৃহৎ LED উৎপাদনকাৰী কোম্পানীৰ সভা

### মিৰ্জা ইলেকট্ৰনিকচৰ প্ৰশংসা সুৰীয়াৰ

**অসম বাৰ্তা, মিৰ্জা, ১১ জুন ঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দেওপানীত ভাৰতৰ সৰ্ববৃহৎ LED উৎপাদন কোম্পানী সুৰীয়াৰ উদ্যোগত তথা মিৰ্জাস্থিত মালী ইলেকট্ৰনিকচৰ সহযোগত খুচুৰা বিক্ৰেতাৰ লগত মত বিনিময় সভা অনুষ্ঠিত কৰা হয়।সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ন কৰা হয়। বন্তি প্ৰজ্বলন কৰে মিৰ্জা মালী ইলেকট্ৰনিকৰ স্বত্বাধিকাৰী জয়ন্ত কুমাৰ মালীয়ে। ইয়াৰ পিছত সম্বৰ্ধনা প্ৰদান অনুষ্ঠান ৰূপায়ন কৰা হয়। উক্ত সভাত ৫০ বছৰ পুৰণি উদ্যোগ সুৰীয়াই এল ই দিৰ বিষয়ে খুচুৰা বিক্ৰেতা সকলৰ সৈতে বিষদ ভাৱে আলোচনা কৰে। সভাত সুৰীয়াই নতুনকৈ উন্মোচন কৰিবলৈ লোৱা কেইবাটাও অত্যাধুনিক সামগ্ৰীৰ বিষয়ে খুচুৰা বিক্ৰেতা সকলক অৱগত কৰে তথা সভাৰ মাজতে নৱ সামগ্ৰী সমূহৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰে।উক্ত সভাত কামৰূপৰ প্ৰায়৬০ জন খুচুৰা বিক্ৰেতাৰ লগতে,মালী ইলেকট্ৰনিচৰ স্বত্বাধিকাৰী জয়ন্ত কুমাৰ মালী,সুৰিয়া উদ্যোগৰ শাখা প্ৰবন্ধক অসীম কুমাৰ দাস,সহ প্ৰবন্ধক পৰাগ শইকীয়া,কমাৰ্চিয়েল অফিচাৰ হিমাংশু কলিতাৰ লগতে জ্যোতিষ্মান দাস আৰুপংকজ মৰাণ উপস্থিত থাকে।

# চিপেট, গুৱাহাটীৰ সহযোগত বৰপেটাত বৰপেটা আৰু বজালী জিলাৰ উদ্যোগপতিসকলৰ সৈতে উদ্যোগিক সন্মিলন

**বৰপেটা সদৰ, ১১ জুন ঃ** বৰপেটা আৰু বজালী জিলাৰ ২৩ গৰাকী উদ্যোগপতিক লৈ চেন্ট্ৰেল ইনষ্টিটিউট অৱ পেট্ৰ'কেমিকেলছ ইঞ্জিনিয়াৰিং অ্যা' টেকন'লজী (CIPET): CSTS — গুৱাহাটী ৰ উদ্যোগত এখন "উদ্যোগিক সন্মিলন" অনুষ্ঠিত হয়। উক্ত সভাত অংশগ্ৰহণ কৰা উদ্যোগপতিসকল Industrial Estate, Sonkuchi (বৰপেটা), Industrial Development Park (AIDC), Pathsala, Mini Industrial Estate (AIIDC), Pathsala আৰু APARTৰ অধীনত গঠিত Barpeta and Bajali Nabajagaran Agro Industry Association (BBANIA)-ৰ পৰা উপস্থিত হয়। সভাৰ আৰম্ভণিত CIPET-ৰ চেন্টাৰ ইন-চাৰ্জ ডঃ হৰেকৃষ্ণ ডেকাই তেওঁৰ সহযোগীসকলৰ সৈতে মিলি CIPET-এ স্থানীয়ভাৱে আগবঢ়াই থকা সকলো ধৰণৰ সেৱা, বিভিন্ন প্ৰশিক্ষণ কোৰ্ছ আৰু গ্ৰাহকৰ প্ৰয়োজন অনুসৰি সাজি লোৱা বিশেষ কোৰ্ছসমূহৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰে। তেওঁ CIPET-ত প্ৰশিক্ষণ লোৱা ছাত্ৰ-ছাত্ৰীসকলক স্থানীয় উদ্যমত নিযুক্তি দিয়াৰ বাবে উদ্যোগপতিসকলক উৎসাহিত কৰে।পাছত CIPET-ৰ বিভাগীয় শেহতীয়া কাৰ্যকলাপসমূহৰ লাইভ প্ৰদৰ্শনী অংশগ্ৰহণকাৰীসকলৰ বাবে লেব আৰু শেডত আয়োজন কৰা হয়। এই প্ৰদৰ্শনীত যন্ত্ৰপাতি, কাষ্টিং প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা আৰু প্ৰস্তুত সামগ্ৰী আদিৰ পৰিচয় দিয়া হয়। এই উদ্যোগিক সন্মিলনখন উদ্যোগপতি আৰু CIPET-ৰ কৰ্মকৰ্তাসকলৰ মাজত ফলপ্ৰসূ আন্তঃপৰিসংবাদৰ মাধ্যম হৈ উঠে। বহু উদ্যোগপতেই তৎক্ষণাত CIPET-ৰ সৈতে যোগাযোগ স্থাপন কৰি বিভিন্ন সেৱা গ্ৰহণৰ আগ্ৰহ প্ৰকাশ কৰে। Industries গু Commerce বিভাগৰ তৰফৰ পৰা GM, DICC-এ CIPET-ক আহ্বান জনায় যাতে তেওঁলোকে নিজৰ সেৱাসমূহ সকলো জিলাত প্ৰচাৰ কৰে। তেওঁ উল্লেখ কৰে যে, প্ৰচাৰৰ অভাৱত বহুসময়তে স্থানীয় উদ্যোগপতিসকলে উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ কোম্পানীৰ পৰা সেৱা ল'বলৈ বাধ্য হয়।

# উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলাৰ বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি

**'অসম বাৰ্তা', পশ্চিম যোৰহাট, ১১ জুন ঃ** উৎকট গৰম তথা তীব্ৰ উষ্ণতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীয়ে জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশীকৃত, চাহ - বাগান পৰিচালিত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকললৈ এক নিৰ্দেশনা জাৰি কৰিছে।নিৰ্দেশনা অনুসৰি বিদ্যালয়সমূহৰ ৰাতিপুৱা প্ৰাত:সভা ছাঁ থকা ঠাইত অথবা প্ৰেক্ষাগৃহ/শ্ৰেণীকোঠাত অনুষ্ঠিত কৰিব লাগিব, শ্ৰেণীকোঠাৰ প্ৰতিখন বেঞ্চত তিনিজনতকৈ অধিক ছাত্ৰ-ছাত্ৰীক বহিবলৈ দিব নোৱাৰিব, বিদ্যালয় কৰ্তৃপক্ষই প্ৰতিটো শ্ৰেণীকোঠাৰ সন্মুখত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নিশ্চিত কৰাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীকে নিয়মীয়াকৈ পানী খোৱাৰ বাবে উৎসাহিত কৰিব লাগিব, সকলো শ্ৰেণীকোঠাৰ বৈদ্যুতিক ফেন কাৰ্যক্ষম হ'ব লাগিব আৰু অকাৰ্যকৰী ফেন মেৰামতি বা সলনি কৰাৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব, ছাত্ৰ-ছাত্ৰীসকলে ব্লেজাৰ, ৱাচকোট বা টাই পৰিধান কৰিব নালাগে আৰু জোতা পিন্ধি অস্বস্তি অনুভৱ কৰা ছাত্ৰ - ছাত্ৰীসকলে চেণ্ডেল পৰিধান কৰিব পাৰিব, যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে উষ্ণতা বৃদ্ধিৰ বাবে অস্বস্তি পাই তেনেক্ষেত্ৰত তেওঁলোকৰ অভিভাৱকক তৎক্ষণাত অৱগত কৰাৰ লগতে নিকটৱৰ্তী চিকিৎসালয়ৰ পৰা তৎকালীনভাৱে সহায় লোৱাৰ ব্যৱস্থা কৰিব লাগিব, অত্যন্ত গৰমৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ বাবে বাহিৰৰ সকলো কাম কঠোৰভাৱে পৰিহাৰ কৰিব লাগিব, বিদ্যালয়ৰ চৌহদৰ আশে-পাশে কোনোধৰণৰ বিক্ৰেতাক অনুমতি দিয়া হোৱা নাই আৰু বিৰতি সময়ত ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয় চৌহদৰ পৰা ওলাই যাব নোৱাৰিব।

### মৰিগাঁৱত জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক সম্পন্ন

# যানবাহন আইন উলঙ্ঘা কৰা লোকৰ বিৰুদ্ধে চলিব ব্যাপক অভিযান

### হেলমেট পৰিধান নকৰা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে চালান জাৰি কৰাৰ নিৰ্দেশ

**ষ্টাফ ৰিপৰ্ট মৰিগাঁও, ১১ জুন ঃ** মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত নিতিশা বৰাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত পথ সুৰক্ষা সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ লগতে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে বিভিন্ন বিভাগে গ্ৰহণ কৰা ব্যৱস্থা আৰু পথ সুৰক্ষা সমিতিৰ পূৰ্বৰ বৈঠকত লোৱা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা সন্দৰ্ভত আলোচনা কৰা হয়। সভাত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে কয় যে পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ কঠোৰ হ'বই লাগিব। যোৱা মাহটোত পথ দুৰ্ঘটনাত ১০ জন লোকৰ মৃত্যু হোৱা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰি তেওঁ যানবাহন আইন মানি চলাৰ ক্ষেত্ৰত আৰক্ষী, যানবাহন বিভাগ আৰু আবকাৰী বিভাগৰ যুটীয়া অভিযানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সাৰ চলাচল বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে কয় যে যোৱা সময়চোৱাত পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে প্ৰতিটো বিভাগে ভালেখিনি পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ ই-ৰিক্সাক লৈ সৃষ্টি হোৱা কেতবোৰ বিষয় আলোচনাৰ বাবে শীঘ্ৰে ই-ৰিক্সা চালকসকলৰ সৈতে বৈঠকত মিলিত হ'ব লাগিব বুলি উল্লেখ কৰে। তেওঁ ট্ৰেক্টৰ, দাম্পাৰ বা তেনে বাহনসমূহৰো যাতে কাগজ-পত্ৰ সঠিকভাৱে থাকে সেয়া সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে হেলমেট পৰিধান কৰাটো সুনিশ্চিত কৰিবলৈ মানুহৰ মানসিকতাৰ পৰিৱৰ্তন হ'ব লাগিব। তেওঁ হেলমেট পৰিধান নকৰা চৰকাৰী বিষয়া-কৰ্মচাৰীসকলকে প্ৰথম চালান জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত লোকনিৰ্মাণ পথ বিভাগৰ অধীক্ষক অভিযন্তা জিন্নত আহমেদে পূৰ্বৰ বৈঠকত হোৱা সিদ্ধান্তসমূহ পাঠ কৰে আৰু সংশ্লিষ্ট বিভাগসমূহে ইয়াৰ অনুপালন সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত বিতং তথ্য আগবঢ়ায়। আজিৰ সভাত এমাহৰ ভিতৰত মৰিগাঁও মহাবিদ্যালয় আৰু জি কে বি কলেজত সজাগতা সভা অনুষ্ঠিত কৰা, সজাগতামূলক বাটৰ নাট অনুষ্ঠিত কৰা, ৰাজপথত গৰু-ছাগলী বন্ধাটো বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা আৰু পথ দুৰ্ঘটনা সংঘটিত হোৱা অঞ্চলত জিলা পথ সুৰক্ষা সমিতিৰ সদস্য উপস্থিত হৈ ইয়াৰ কাৰণ পৰীক্ষা কৰা আদি সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে আৰক্ষী, পৰিবহণ বিভাগ আৰু আবকাৰী বিভাগৰ যৌথ অভিযান বৃদ্ধি কৰাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হয়। আজিৰ সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

### বৰক্ষেত্ৰীৰ বাকৰিকুছিত শীঘ্ৰেই চলিব উচ্ছেদ

# একাংশ বেদখলকাৰীয়ে খালী কৰিছে ঘৰ, এৰি দিয়া নাই ভূমি

### প্ৰশাসনৰ সিদ্ধান্তক ঐতিহাসিক আখ্যা বৰক্ষেত্ৰীৰ গো-পালকৰ



**দৌলাশাল, ১১ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বাকৰিকুছিৰ বেদখলকৃত ভূমিত প্ৰশাসনে শীঘ্ৰেই চলাব উচ্ছেদ অভিযান । নলবাৰীৰ উত্তৰ বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত বাকৰিকুছি গাঁৱৰ ১০৬ নং দাগৰ ৪৫২ বিঘা ১ কঠা ১৪ লেচা বেদখলকৃত চৰকাৰী জমিত প্ৰশাসনেই শীঘ্ৰেই চলাব উচ্ছেদ অভিযান । উল্লেখযোগ্য যে বাকৰিকুছি গাঁৱৰ১০৬নং দাগৰ ৪৫২ বিঘা ১ কঠা ১৪ লেচা গাঁৱলীয়া চৰকাৰী জমি দীৰ্ঘদিন ধৰি বেদখল হৈ আহিছে । বিশেষ সম্প্ৰদায়ৰ একাংশ লোকে উক্ত চৰকাৰী ভূমিত নিশাটোৰ ভিতৰতে দখল কৰি গৃহ সাজি জীৱন যাপন কৰি আহিছে ।আনকি উক্ত চৰকাৰী জমিত অইন ঠাইৰ পৰা সূৰ্যভানু প্ৰাথমিক বিদ্যালয় নামেৰে এখন প্ৰাথমিক বিদ্যালয় আৰু এটা অংগনবাড়ী কেন্দ্ৰ স্থানান্তৰ কৰি স্থাপন কৰিছে । উক্ত স্থানতেই বেদখলকৃত লোকসকলৰ উপসনাথলী মছজিদ এটাও গঢ়ি উঠিছে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেদখলকৃত ভূমি বেদখলমুক্ত কৰাৰ অৰ্থে তৎপৰ হৈ পৰিছে । ৰাজ্য চৰকাৰৰ নিৰ্দেশ মৰ্মে নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ে ৩ জুনত বাকৰিকুছি গাঁৱৰ১০৬নং দাগৰ ৪৫২ বিঘা ১ কঠা ১৪ লেচা গাঁৱলীয়া চৰকাৰী জমি খালি কৰাৰ বাবে পত্ৰযোগে নিৰ্দেশনা জাৰি কৰিছিল ।চক্ৰ বিষয়াৰ কাৰ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া সময়সমীয়া আজি উকলি যোৱাৰ লগে লগেই প্ৰশাসনে যিকোনো মুহূৰ্ততে উচ্ছেদ চলোৱাৰ বাবে সক্ষম হৈ পৰিছে । ইতিমধ্যেই বেদখলকৃত একাংশ লোকে নিজৰ নিজৰ ঘৰ ভাঙি অইন ঠাইলৈ ঢাপলি মেলিছে । চৰকাৰী হাতোৰাৰ শংকা বুকুত কঢ়িয়াই লৈ একাংশ লোকে ঘৰ খালি কৰিছে যদিও এৰি দিয়া নাই ভূমি । কালি নিশাৰে পৰা একাংশ লোকে ঘৰৰ টিনপাতকে ধৰি আন আন সামগ্ৰীসমূহ ট্ৰে"ৰ আৰু টেম্পো গাড়ীৰ সহায়ত আন ঠাইলৈ লৈ গৈছে । উক্ত ভূমিত পুখুৰী খান্দি লৈ মৎস্য পালন কৰি অহা একাংশ লোকে কালি দিনৰ ভাগৰে পৰা পুখুৰীৰ মাছ মৰা কাৰ্যত উঠি পৰি লাগিছে । আজি বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কৌস্তৱ ৰয়, মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ গয়াৰীকে ধৰি নলবাৰী প্ৰশাসনৰ লোকে বেদখলকৃত ভূমিত উপস্থিত হৈ পৰ্যবেক্ষণ কৰিছে । নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বাকৰিকুছি গাঁৱৰ ১০৬ নং দাগৰ ৪৫২ বিঘা ১ কঠা ১৪ লেচা গাঁৱলীয়া ভূমিত যিকোনো মুহূৰ্ততে যে চৰকাৰী বুলডজাৰ পৰিব সেয়া নিশ্চিত হৈ পৰিছে । ইপিনে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বাকৰিকুছি গাঁৱলীয়া চৰণীয়া ভূমিকে ধৰি বৰক্ষেত্ৰীৰ ভেলামাৰী চৰণীয়া পথাৰ, কালাৰদিয়া গো-চৰণীয়া পথাৰ, কাউৰেখাইতী চৰণীয়া পথাৰসহ ভালেকেইখন চৰণীয়া পথাৰ আৰু চৰকাৰী ভূমি বেদখল হৈ অহাত গো চৰণীয়া পথাৰ আৰু চৰকাৰী ভূমি সমূহ বেদখলমুক্ত কৰি বৰক্ষেত্ৰীৰ গো আৰু মহ পালক সকলক তাহানিৰ জীৱন যাপনৰ অৱস্থালৈ ঘূৰি যোৱাৰ পথ মুকলি কৰি দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে বৰক্ষেত্ৰীৰ গৰু, ম'হ পালকসকলে ।মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া পদক্ষেপক ঐতিহাসিক সিদ্ধান্ত বুলি দাবী কৰিছে গৰু, ম'হ পালকসকলে । কিয়নো পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনৰ কেৱল মাত্ৰ ভোটবেংকৰ স্বাৰ্থত বৰক্ষেত্ৰীৰ গো চৰণীয়া পথাৰকে ধৰি বিভিন্ন চৰকাৰী ভূমি নিশাটোৰ ভিতৰতে বেদখল কৰাৰ সাহস পাইছিল সন্দেহজনক লোকসকলে।

### তুলুঙীয়াত আছুৰ কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱস

# অসমত অবৈধ বিদেশীৰ ঠাই নাই, মৌলবাদী উৎখাতৰ দাবী



**অসম বাৰ্তা, অভয়াপুৰী, ১১ জুন ঃ** বঙাইগাঁও জিলাৰ তুলুঙীয়াত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত পালন কৰা হ'ল কেন্দ্ৰীয় ছাত্ৰ সংহতি দিৱস। অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় সভাপতি উৎপল শৰ্মাই আছুৰ পতাকা উত্তোলনৰ পাছত সংবাদ মাধ্যমৰ কয় —"অসমত এজনো অবৈধ বিদেশীৰ ঠাই নাই। শেষজন অবৈধ বিদেশীকো এই ভূমিৰ পৰা বিতাড়িত কৰিব লাগিব। ভাৰত-পাকিস্তান সীমাৰ দৰে, ভাৰত-বাংলাদেশ সীমান্ততো কটকটীয়া সীমান্ত ব্যৱস্থা গঢ়ি তুলিব লাগিব।" তেওঁ অভিযোগ কৰে যে, ভাৰত-বাংলাদেশ সীমান্তই কেৱল অনুপ্ৰৱেশকাৰীৰেই নহয়, মৌলবাদী আৰু জেহাদী শক্তিৰ প্ৰৱেশৰো পথ হৈ পৰিছে। এন আৰ চি সম্পূৰ্ণভাৱে সংশোধন আৰু সঠিক ৰূপত প্ৰস্তুত কৰাৰ দাবী জনায় । সম্প্ৰতি ৰাজ্যৰ কেইবাটাও স্থানত গোহত্যা তথা গোমাংসক লৈ উদ্ভৱ হোৱা আইন-শৃংখলাৰ সমস্যাৰ সন্দৰ্ভতো সভাপতি উৎপল শৰ্মাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়—"এয়া অসমৰ সম্প্ৰীতি আৰু ঐক্যক বিনষ্ট কৰিবলৈ চলি থকা এক অপশক্তিৰ ষড়যন্ত্ৰ। এই ঘটনাৰ লগত জড়িত সকলোকে কঠোৰ শাস্তি দিয়াৰ বাবে আমি প্ৰশাসনক আহ্বান জনাইছো।" আনহাতে আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে শ্বহীদ তৰ্পণ অনুষ্ঠান সম্পন্ন কৰে। আছুৰ মুখ্য উপদেষ্টা সমুজ্জল ভট্টাচাৰ্যই শ্বহীদ গজেন ইংতি আৰু পুতুল শইকীয়াৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। সমুজ্জল ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত কয় যে-"অসম আন্দোলনৰ সময়ৰ পৰা আছুয়ে অবৈধ বিদেশীৰ বিৰোধিতা কৰি আহিছে। ৪৫ বছৰ ধৰি অসমবাসীয়ে চিঞৰি আহিছে, তথাপিও সমস্যাৰ স্থায়ী সমাধান হোৱা নাই। চৰকাৰে অবৈধ বিদেশী বিতাড়নৰ যি সিদ্ধান্ত লৈছে, সেই সিদ্ধান্ত কাৰ্যক্ষেত্ৰত প্ৰয়োগ হব লাগিব।" তেওঁ লগতে সতৰ্ক কৰে যে- "অসমত কেৱল অবৈধ বাংলাদেশী নহয়, মৌলবাদী শক্তিও ভিতৰি ভিতৰি সোমাই আছে ।এতিয়া সময় আহি পৰিছে মৌলবাদী উৎখাতৰ। চৰকাৰে যদি এই অভিযান আধাতে বন্ধ কৰে, তেন্তে ছাত্ৰ সন্থাই বিশ্বাস কৰিব যে এই সকলো এক নিৰ্বাচনী চমকহে মাত্ৰ।" তেওঁ লগতে উল্লেখ কৰে যে জম্মু-কাশ্মীৰৰ দৰে ঘটনা অসমতো ঘটিব পাৰে, যদি সীমান্ত সুৰক্ষা কঠোৰ কৰা নাযায়। ভাৰত-বাংলাদেশ সীমান্তত সুৰক্ষা বল বঢ়াব লাগে আৰু প্ৰয়োজন হলে গুলীয়াবৰ অনুমতিৰো ব্যৱস্থা কৰিব লাগে।" অসম চুক্তিৰ ৬ নম্বৰ দফা অনুসৰি সংবিধানিক ৰক্ষা কৱচ প্ৰদানৰ দাবী জনাই, তেওঁ কয় যে- "খিলঞ্জীয়াৰ অধিকাৰৰ স্বাৰ্থত প্ৰয়োজন হলে ভাৰতীয় সংবিধান সংশোধন কৰিব লাগিব।" সমুজ্জল ভট্টাচাৰ্যই অসমৰ ভিতৰত চলি থকা বিভাজনৰ ৰাজনীতিৰো তীব্ৰ সমালোচনা কৰি কয় যে-"চৰকাৰে জাতি, ধৰ্ম, গোষ্ঠীৰ আধাৰত সমাজ ভাঙিবলৈ বিচৰা সাম্প্ৰদায়িক শক্তিক সমৰ্থন জনাইছে। এনে শক্তিৰ প্ৰতিবাদত ছাত্ৰ সন্থাই সদায় জনতাৰ লগত থাকিব। সকলো বিভাজনকাৰী শক্তিক উফৰাই পেলোৱা হ'ব।"

# ডবা চাহ বাগিচাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অভিনন্দন অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, ডিমৌ, ১১ জুন ঃ** ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক ডবা চাহ বাগিচাৰ সমূহ শ্ৰমিক ৰাইজে এক সাংগঠনিক ৰূপত অভিনন্দন জ্ঞাপন কৰে। আজিৰ এই উৎসৱমূলক অনুষ্ঠানটো অসম চাহ মজদুৰ সংঘৰ মৰাণ শাখাৰ অধীনত আৰু ডবা বাগিচা ইউনিট তথা উপ-কৰ্মচাৰী উন্নয়ন সমিতিৰ উদ্যোগত শ্ৰমিক সমাজৰ সক্ৰিয় সহায়ত অনুষ্ঠিত হয়। অনুষ্ঠানটো শাখা সংঘৰ সভাপতি মনোজ তাঁতীৰ সভাপতিত্বত আৰম্ভ হয়। প্ৰধান অতিথি হিচাপে উপস্থিত থাকে শাখা সংঘৰ জ্যেষ্ঠ সম্পাদক তথা কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ লক্ষেশ্বৰ তাঁতী। তদুপৰি শাখাৰ উপ-সভাপতি চামুৱেল তাঁতী, সহ-সম্পাদক প্ৰমোদ সিং তাঁতী, ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ গগৈ, সহঃ শিক্ষক ৰঞ্জিত মহন, গাঁও প্ৰধান উষা গগৈ, সমাজকৰ্মী কপিল গগৈ আৰু বৰ্ণালী সৎনামিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। বক্তাসকলেই উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনাই শিক্ষাৰ ওপৰত অধিক মনোযোগ দি আগবাঢ়ি যাবলৈ উদ্বুদ্ধ কৰে। তেওঁলোকে ভৱিষ্যৎত শিক্ষাৰ জৰিয়তে নিজৰ লগতে সমাজৰ উন্নয়ন সাধনৰ দিশত আগবাঢ়ি যাবলৈ আহ্বান জনায়। অনুষ্ঠানটো সফলভাৱে পৰিচালনা কৰে ডবা বাগিচা ইউনিটৰ সম্পাদক মায়েল বাচামে। এই অনুষ্ঠানত বিশেষভাৱে শ্ৰমিক সমাজৰ পক্ষৰ পৰা লক্ষেশ্বৰ তাঁতী আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ গগৈক ফুলাম গামোচা আৰু সম্বৰ্দ্ধনা পত্ৰৰে সন্মানিত কৰা হয়। উল্লেখযোগ্য যে, ছাত্ৰ-ছাত্ৰী সকলকো ইউনিটৰ পক্ষৰ পৰা একোখনকৈ ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু এটি গছ পুলি উপহাৰ স্বৰূপে আগবঢ়োৱা হয়। এই অভিনন্দন অনুষ্ঠানটোৱে ডবা চাহ বাগিচাৰ শিক্ষা ক্ষেত্ৰখনৰ উন্নতিৰ দিশত এটি নতুন দিশ দাঙি ধৰে।

### বৰক্ষেত্ৰীত অবৈধ দখলকাৰীৰ হুংকাৰ

# বুলডোজাৰ আমাৰ ওপৰেৰে চলিব দিম, কিন্তু আমি ইয়াৰ পৰা নাযাওঁ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১১ জুন ঃ** বেদখলকাৰীক উচ্ছেদৰ জাননী দিয়াৰ পিচতেই নলবাৰীৰ বৰক্ষেত্ৰীৰ ৯৩ ঘৰ পৰিয়ালৰ মাজত হাহাকাৰ লাগিছে। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বাকৰিকুছিৰ অবৈধ বেদখলকাৰীৰ মাজত উঠিছে কান্দোনৰ ৰোল। চৰকাৰী বুলডজাৰ চলোৱাৰ আগতেই বেদখলকাৰীয়ে নিজে নিজে বাসগৃহবোৰ ভাঙি নিছে নিৰাপদ স্থানলৈ। নলবাৰী জিলাৰ বাকৰিকুছিত উচ্ছেদ অভিযান চলিবলগীয়া ৪৫২ বিঘা ভূমিত আছে ৯৩ টা পৰিয়াল। 'বুলড'জাৰ আমাৰ ওপৰৰে চলিব দিম, কিন্তু আমি ইয়াৰ পৰা নাযাওঁ। আমি ৩০ বছৰ ধৰি ইয়াত আছো।' বুলিও কান্দি কান্দি মুখ্যমন্ত্ৰীক আহ্বান জনালে উচ্ছেদ হ'বলগীয়া পৰিয়ালৰ ভূমিহীন লোকসকলে। বাকৰিকুছিৰ ৪৫২ বিঘা ভূমিত উচ্ছেদ চলাবলৈ সাজু হৈ উঠিছে প্ৰশাসন। উল্লেখ্য যে আজিৰ দিনটোৰ ভিতৰত উচ্ছেদিত লোকসকলক ঘৰ দুৱাৰ ভাঙি দখল এৰি যাবলৈ ১০ দিনৰ সময়সীমা বান্ধি দিছিল জিলা প্ৰশাসনে। এই উচ্ছেদ কেতিয়ালৈ হ'ব ইয়াক লৈও এক উৎকণ্ঠা সৃষ্টি হৈছে সমগ্ৰ অঞ্চলটোত।

# নাওহলীয়া শাখা ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, দুলীয়াজান, ১১ জুন ঃ** দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত নাওহলীয়া শাখা ছাত্ৰ সন্থাৰ সমিতিখন গঠন কৰা হয়। নতুন সমিতি খনৰ সভাপতি হিচাপে উদয় গগৈ সাধাৰণ সম্পাদক হিচাপে শশীকেশ চিন্তুক লৈ ৩০ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰি দিয়া হয়। প্ৰতিনিধি সভা খনত উপস্থিত থাকে ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ৰূপজ্যোতি বাৰুৱানী, সাংগঠনিক সম্পাদক ইন্দ্ৰজিৎ মালাকাৰ, দুলীয়াজান আঞ্চলিক শাখা ছাত্ৰ সন্থাৰ উপদেষ্টা বুবুল তালুকদাৰ, প্ৰাগজিত গগৈ, উঃ সভাপতি কোনাল মাজৰাৰী সাধাৰণ সম্পাদক সমীৰণ গগৈ লগতে আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয় বৰীয়া সকল উপস্থিত থাকে।

### চেঙাৰ মাজদিয়াত কংগ্ৰেছৰ সভা

# বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজালে কংগ্ৰেছৰ সংখ্যালঘু নেতা চলমান খানে

**দৌলাশাল, ১১ জুন ঃ** চেঙা বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ সংখ্যালঘু নেতা চলমান খানে বজালে নিৰ্বাচনী ৰণডংকা। পূৰ্বতে কংগ্ৰেছৰ দখলত থকা চেঙা বিধানসভা সমষ্টি পুনৰ কংগ্ৰেছ দলে দখল কৰিবলৈ আৰম্ভ কৰিছে তৎপৰতা। বৰ্তমান এআইডিইউএফ দলৰ দখলত থকা চেঙা বিধানসভা সমষ্টি পুনৰ উদ্ধাৰ কৰিবলৈ কংগ্ৰেছ দলে বৃদ্ধি কৰিছে ৰাজনৈতিক তৎপৰতা। বৰপেটা জিলাৰ চেঙা বিধানসভা সমষ্টিৰ অন্তৰ্গত মাজদিয়াত অনুষ্ঠিত হয় কংগ্ৰেছ দলৰ এখন বিশেষ সভা। অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ইদ্ৰিছ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে কংগ্ৰেছ কৰ্মী তথা যুৱ সমাজকৰ্মী মিৰাজুল হকে। সভাখনত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংখ্যালঘু বিভাগৰ অধ্যক্ষ চলমান খান। চলমান খানে ভাষণ প্ৰসংগত বিজেপি দলক ক্ষুৰধাৰ সমালোচনা কৰি কেইবাটাও বিস্ফোৰক মন্তব্য কৰে। অহা নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অসমৰ ৰাইজে ভোটদান কৰিব বুলি মন্তব্য কৰি চলমান খানে কয় যে-২০২৬ চনত হিমন্ত বিশ্ব শৰ্মা গাদীচ্যুত হ'ব আৰু গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ দলৰ চৰকাৰ হ'ব। হিমন্ত বিশ্ব শৰ্মাই কোনো উন্নয়নৰ কথা নকয়, এটা জনগোষ্ঠীক টাৰ্গেট কৰি ৰাজনীতি কৰি আছে। সদায় সংখ্যালঘুসকলক অত্যাচাৰ কৰাৰ কাৰণে তেওঁলোকে পেলিং কৰি থাকে। এইবাৰ সংখ্যালঘুসকলে হওক বা সংখ্যাগুৰুৱেই হওক তেওঁলোকে শিক্ষা পাইছে। তেওঁলোকে ধৰ্মৰ নামত ৰাজনীতি কৰিছে। অসমৰ ৰাইজ ধৰ্মনিৰপেক্ষ; অসমৰ ৰাইজে উন্নয়ন বিচাৰে। অসমৰ ৰাইজে গুণ্ডাগিৰি , ছিণ্ডিকেটৰ ৰাজনীতি নিবিচাৰে। গতিকে অসমৰ ৰাইজে এইবাৰ গুণ্ডাগিৰি, ছিণ্ডিকেট এইবোৰ ধ্বংস কৰি ধৰ্মনিৰপেক্ষ দল কংগ্ৰেছে গৌৰৱ গগৈৰ নেতৃত্বত ২০২৬ চনত চৰকাৰ কৰিবলৈ, হিমন্ত বিশ্ব শৰ্মাক আঁতৰাবলৈ অসমৰ ৰাইজ ওলাই আহিছে।"



২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ চেঙা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী চলমান খানে বিজেপিৰ সমান্তৰালকৈ এআইডিইউএফ দলকো তীক্ষ্ন সমালোচনা কৰে। সভাখনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংখ্যালঘু বিভাগৰ নৱ নিৰ্বাচিত ৰাজ্যিক সম্পাদক চহিদুল ইছলামকো সভাখনত চলমান খানে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংখ্যালঘু বিভাগ উপাধ্যক্ষ ইমদাদুল হুছেইনৰ উপৰি মাজদিয়া গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত আঞ্চলিক সদস্যা আবকিন চুলতানাই সভাখনত ভাষণ প্ৰদান কৰি ২০২৬ চনত কংগ্ৰেছ দলৰ চৰকাৰ হ'ব বুলি দাবী কৰে। সভাখনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংখ্যালঘু বিভাগৰ কেইগৰাকীও ৰাজ্যিক সম্পাদক উপস্থিত থকাৰ লগতে মাজদিয়া মণ্ডল কংগ্ৰেছৰ সভাপতি ছিৰাজুল হকৰ উপৰিও যথেষ্ট সংখ্যক কংগ্ৰেছ দলৰ নেতা-কৰ্মী আৰু সমৰ্থক উপস্থিত থাকে।

# জিলা যক্ষ্মা দূৰীকৰণ বিভাগৰ সজাগতা মূলক সভা সম্পন্ন

**ষ্টাফৰিপৰ্টাৰ, যোৰহাট, ১১ জুন ঃ** যোৰহাট জিলা যক্ষ্মা দূৰীকৰণ বিভাগৰ দ্বাৰা দুটা স্থানত পৃথকে সজাগতা মূলক সভা সম্পন্ন হয় । যক্ষ্মা দূৰীকৰণ বিভাগৰ দ্বাৰা যোৰহাট চিনামৰা চাহ বাগিছাৰ শ্ৰমিক সকলক যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাণী বিভাগৰ চবিষ্ণ জনীয়া ছাত্ৰ ছাত্ৰীৰ এটি দলে যক্ষ্মা ৰোগ চিনাক্তকৰণ আৰু ইয়াৰ দ্বাৰা জনিত কাৰণত হোৱা ৰোগ সম্পৰ্কত এক জৰীপ কাজসূচি শুভাৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত যক্ষ্মা ৰোগৰ আৰু ধঁপাত অপকাৰী সম্পৰ্কে ভাষণ দিয়ে বিভাগৰ মুৰব্বী ড° ভক্তি মহ ভট্টাচাৰ্য আৰু জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ সমাজকৰ্মী দীপক হাজৰিকাই। অন্য হাতে যোৰহাট ন হতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা নিচাজাতীয় দ্ৰব্য ৰোধ আৰু অপকাৰী সম্পৰ্কটো দুয়োজন বিষয়াই ভাষণ দিয়ে। অসমৰ অন্যতম ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা সেৱা বাহিনীৰ দ্বাৰা আয়োজিত সভাত জিলা খনৰ বহুলোকে অংশ গ্ৰহণ কৰি নিচা জাতীয় দ্ৰব্য বিৰুদ্ধে এক ঐতিহাসিক প্ৰতিজ্ঞা প্ৰকাশ কৰে। উল্লেখ্য যে এই অনুষ্ঠানটোৱে বহু বছৰ আগতে পৰা নিচা জাতীয় দ্ৰব্য বিৰুদ্ধে মাত মাতি আহিছে।



লাহৰীঘাটৰ জটীয়াবড়ী চৰত ৬০টা সন্দেহজনক বিশেষ সম্প্ৰদায়ৰ পৰিয়ালক গাঁও প্ৰধানে সংস্থাপন দিয়াৰ অভিযোগ নসাৎ খিলঞ্জীয়াৰ

# স্থানীয় বিধায়ক আৰু প্ৰশাসনেহে উচ্ছেদিত পৰিয়ালক সংস্থাপন দিছিল জটীয়াবড়ীত

## অঞ্চলটোৰ সম্প্ৰীতি বিঘ্নিত নকৰিবলৈ আহ্বান স্থানীয় লোকৰ

**অসম বাৰ্তা ভূৰাগাঁও, ১১ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৰত এজন চৰকাৰী গাঁও প্ৰধানৰ ছত্ৰছায়াতে অঞ্চল টোৰ খহনীয়াগ্ৰস্ত খিলঞ্জীয়া লোকৰ ভূমিত একাংশ সন্দেহযুক্ত মুছলমান লোকে ঘৰদুৱাৰ সাজি বসতি কৰি খিলঞ্জীয়া লোকৰ ভূমি অধিগ্ৰহণ কৰা বুলি একাংশ খিলঞ্জীয়া লোকে উত্থাপন কৰা অভিযোগে সমগ্ৰ মৰিগাঁও জিলাতে চাঞ্চল্যৰ সৃষ্টি কৰে। যোৱা ৮ জুনত স্হানীয় গাঁও প্ৰধান বংশীৰাম শইকীয়াৰ বিৰুদ্ধে এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত খহনীয়াত জাহ যোৱা জটীয়াবড়ী গাঁৱৰ একাংশ খিলঞ্জীয়া খহনীয়াগ্ৰস্ত লোকে। অভিযোগকাৰী সকলে কৰা অভিযোগ অনুসৰি খহনীয়াত জাহ যোৱা জটিয়াবড়ী গাঁও খনত চৰ পৰাৰ পাছত উক্ত মাটি সমূহ ইয়াৰ স্হানীয় খহনীয়াগ্ৰস্ত খিলঞ্জীয়া অসমীয়া লোক সকলে দখল কৰিব পৰা নাই। চৰ পৰাৰ পাছত ওলোৱা মাটি বোৰ প্ৰায় ৬০ টা সন্দেহ জনক লোকৰ পৰিয়ালে ঘৰ সাজি অধিগ্ৰহণ কৰিছে। আৰু এই সন্দেহ জনক পৰিয়াল বোৰক তেওঁলোকৰ মাটিত স্হানীয় গাঁও প্ৰধান জনে সংস্হাপন দি বৃহৎ অংকৰ ধন সংগ্ৰহ কৰিছে। বংশীৰাম শঞ্জইকীয়া নামৰ গাঁও প্ৰধানজনে চৰকাৰী নীতি-নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি জটিয়াবড়ি গাঁৱৰ খহনীয়া গ্ৰস্ত খিলঞ্জীয়া লোক সকলৰ ওপৰত চুৰান্ত অন্যায় কৰিছে। উল্লেখ্য যে ২০০২ চনৰ পৰা ২০১০ চনত ভিতৰত ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াত জটিয়াবড়ি গাঁওখন সম্পুন্ন ৰূপে নিঃচিহ্ন হৈ গৈছিল। পাছত খহনীয়াত জাহ যোৱা গাঁওখন চৰ পৰি ২০১৪ চনত পুনৰ মাটি বোৰ কৃষি উপযোগী হৈ পৰে। উত্থাপিত অভিযোগ অনুসৰি গাঁওপ্ৰধান গৰাকীয়ে জটিয়াবড়ীত চৰ পৰি মাটি ওলোৱাৰ পাছত একাংশ লোকক ভূমি সমূহ লীজত দিছিল।পাছত গোজেই গজালি মেলি এতিয়া সেই মাটিত গাঁও প্ৰধান গৰাকীৰে গোপন বুজাবুজি কৰি ঘৰ বাৰি বান্ধি নিগাজি হ'বলৈ ধৰিছে একাংশ সন্দেহযুক্ত লোক।অভিযোগকাৰী সকলে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী গৰাকীৰো হস্তক্ষেপ দাবী কৰিছিল বিষয় টোত। গাঁও প্ৰধান গৰাকীৰ বিৰুদ্ধে এনে গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ পাছত আজি অঞ্চল টোৰ স্হানীয় খিলঞ্জীয়া লোক সকলৰ লগতে উক্ত স্হানত সংস্হাপন লোৱা মুছলমান সম্প্ৰদায়ৰ প্ৰায় ৩০-৩৫ টা পৰিয়ালৰ প্ৰতিনিধি সমবেত হৈ গাঁও প্ৰধান জনৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ সম্পুন্ন ভিত্তিহীন বুলি কয় অঞ্চলৰ খিলঞ্জীয়া লোক সকলে। অঞ্চল টোৰ ৬৫ ৰ উৰ্ধৰ অৱসৰ প্ৰাপ্ত শিক্ষক পদ্ম কান্ত শইকীয়াই কয়, যিসকল লোকে গাঁও প্ৰধানৰ বিৰুদ্ধে এনে অভিযোগ আনিছে তেওঁলোক তেওঁৰ আত্মিয় হয়। তদুপৰি তেওঁলোকে কৰা অভিযোগৰ দৰে জটীয়া বড়ী চৰত গাঁও প্ৰধানে কোনো সন্দেহ জনক লোকক সংস্হাপন দিয়া তেওঁ দেখা নাই। সংস্হাপিত লোক সকল তেওঁ জনাত ভাৰতীয় আৰু প্ৰতিটো পৰিয়ালক তেওঁ চিনি পাই। তদুপৰি তেওঁ কয় - যি সকল লোকে সংস্হাপন লাভ কৰিছে সেইসকল অভিযোগকাৰীয়ে কোৱাৰ দৰে - ধিং, ৰূপহী বা মৈৰাবাৰীৰ লোক নহয়। তেওঁলোক জটিয়াবড়ী, মিতমাৰী, কাপোৰ পোৱা আদি স্হানৰ স্হানীয় খহনীয়াগ্ৰস্ত লোক ইফালে আন এগৰাকী শিক্ষক সোমেশ্বৰ শইকীয়ায়ো পদ্ম কান্ত শইকীয়াৰ দৰেই একে মন্তব্য কৰে। আৰু এনে ধৰণৰ অপপ্ৰচাৰৰ জৰিয়তে অঞ্চল টোত মকামিলাৰে থকা লোক সকলৰ মাজত এনে পৰিবেশ সৃষ্টি কৰাৰ বাবে দুখ প্ৰকাশ কৰে। ইফালে গাঁও প্ৰধান বংশী ৰাম শইকীয়াই কয়, জটীয়াবড়ী চৰত প্ৰায় ৬৬ টা মুছলমান পৰিয়াল সংস্হাপন দিয়াটো সত্য। কিন্তু সেইসকলো খহনীয়াত আক্ৰান্ত হৈ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্ববৰ্তি এলেকাৰ চৰত বাস কৰি আছিল। কিন্তু তাত উচ্ছেদ চলাত তেওঁলোক উচ্ছেদিত হয়। আৰু উচ্ছেদিত ৬৬ টা পৰিয়ালক জিলা প্ৰশাসন, স্হানীয় প্ৰশাসন আৰু স্হানীয় বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে আলোচনা মৰ্মে তেওঁলোকক জটীয়াবড়ী চৰত সংস্হাপন কৰে। এই সংস্পন কাৰ্যত গাঁওবুঢ়া হিছাবে তেওঁ প্ৰতিবাদহে কৰিছিল। কিন্তু স্হানীয় প্ৰশাসনৰ হস্তক্ষেপত তেওঁ মান্তি হবলৈ বাধ্য হৈছিল। সেয়ে এই বিষয়ত অযথা তেওঁক সামৰি একাংশ লোকে অপপ্ৰচাৰ চলাই অঞ্চল টোৰ শান্তি বিঘ্নিত কৰিব চেষ্টা কৰাটো দুৰ্ভাগ্যজনক বুলি তেওঁ কয়। তদুপৰি তেওঁ তথ্য সহকাৰে কয় যে - জটিয়াবড়ি গাঁৱৰ মুঠ ৯৬ টি হিন্দু পৰিয়ালৰ ভিতৰত ৮৬ টা পৰিয়ালেই ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ আৰম্ভ হোৱাৰ সময়ত প্ৰতি বিঘা পথাৰৰ খেতি মাটি ৫-৬ হাজাৰ টকাত মুছলমান সম্প্ৰদায়ৰ লোকক বিক্ৰী কৰিছিল।উদাহৰণ হিচাপে গাঁওখনৰ জিনুমাই বড়া (স্বামী প্ৰতাপ বড়া),খীতেশ্বৰী বড়া,চুৰেন বড়া,সোণেশ্বৰ শইকীয়া, বিপিন শইকীয়াই মাটি বিক্ৰী কৰিছিল একে গাঁৱৰে কুৰফান আলীক।সেইদৰে পূৰ্ণকান্ত শইকীয়াৰ মাটি কামালউদ্দিনে,প্ৰদীপ শইকীয়াৰ মাটি আব্দুল মালেকে,কমীৰাম বড়াৰ মাটি ৰেজত আলীয়ে ক্ৰয় কৰিছিল।অৱশ্যে লোক সকলে গোটেই মাটি বাৰীও বিক্ৰী কৰা নাছিল।তেওঁলোকে অঞ্চলটোত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াৱহ ৰূপ লোৱাৰ লগে লগে খহনীয়াত জাহ যোৱাতকৈ ২০০২ চন মানৰ পৰা ২০১০ চনলৈকে অতি কম মূল্যত হলেও খেতি মাটি সমূহ ক্ৰমান্বয়ে বিক্ৰী কৰিবলৈ আৰম্ভ কৰে।গাঁওখনৰ মুঠ মাটি ১১১২ বিঘা আছিল। বৰ্তমান প্ৰায় ২০০ বিঘা মাটিত চৰ পৰিছে। ইয়াৰে ১২০ বিঘামান খেতি মাটি।২০২৩ চনত ওৰাং ৰষ্ট্ৰীয় অভয়াৰণ্যৰ পৰা উচ্ছেদিত ৬৬ টা পৰিয়ালক বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ,জিলা আয়ুক্ত আৰু ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ে সংস্থাপন দিয়ে। উল্লেখ্য যে পূৰ্বে মুছলমান লোকক খহনীয়াৰ সময়ত মাটি বিক্ৰী কৰা একাংশ খিলঞ্জীয়া লোকেৰ উত্তৰ পুৰুষে এতিয়া জটিয়াবড়ীত নিজৰ মাটি থকা বুলি দাবী কৰিছে। স্হানীয় গাঁও প্ৰধান জনে মাটি ক্ৰয় - বিক্ৰয় কৰা অৰ্ধ শতাধিক দলিল সংবাদ মাধ্যমৰ ওচৰত তথ্য সহকাৰে পদৰ্শন কৰে। এনেদৰেই ভূৰাগাঁৰৰ জটীয়াবড়ীত সন্দেহ জনক লোকক সংস্হাপন দিয়া বুলি একাংশ খিলঞ্জীয়া লোকে কৰা অভিযোগ খিলঞ্জীয়া লোকেই নসাৎ কৰি অঞ্চলটোৰ শান্তি সম্প্ৰীতি বিঘ্নিত নকৰিবলৈ আহ্বান জনাই অভিযোগ কাৰীসকলক।

# দৰং জিলাত নিয়মীয়া শিল্পী পেঞ্চন প্ৰাপক আৰু বাৰ্ষিক শিল্পী সন্মান লাভ কৰা শিল্পীক আনুষ্ঠানিক প্ৰমাণ-পত্ৰ বিতৰণ

**অসম বাৰ্তা , মঙলদৈ, ১১ জুন ঃ** দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি মঙ্গলবাৰে অসম চৰকাৰৰ পৰা ২০২৪-২৫ বৰ্ষৰ শিল্পী পেঞ্চন আৰু বাৰ্ষিক শিল্পী সন্মান প্ৰাপকসকলক প্ৰমাণপত্ৰ প্ৰদানৰ উদ্দেশ্যে এক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। দৰং জিলাত ৭ গৰাকী নিয়মীয়া শিল্পী পেঞ্চন প্ৰাপক আৰু ১৪ গৰাকী বাৰ্ষিক শিল্পী সন্মান লাভকৰা শিল্পীয়ে এই অনুষ্ঠানৰ জৰিয়তে আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ লাভ কৰে। জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে ভাষণত শিল্পীসকলক অভিনন্দন জ্ঞাপন কৰে আৰু শিল্পীসকলৰ প্ৰতি এই সন্মান জনোৱাৰ বাবে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জনায়। অনুষ্ঠানত প্ৰমাণপত্ৰ লাভ কৰা শিল্পীসকলেও তেওঁলোকক এই সন্মান দিয়াৰ বাবে জিলা প্ৰশাসন তথা অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জনায়। ইয়াৰ উপৰিও জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে সাংবাদিকসকলৰ লগত মত বিনিময় কৰে। জিলাখনত বৰ্তমান চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বিষয়ে জনায়। তেওঁ জিলাখনত বানপানীৰ সময়ত লবলগীয়া ব্যৱস্থাসমূহ যেনে খাদ্য, সাহাৰ্য শিবিৰ আদিৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত বানপানীৰ প্ৰস্তুতি সম্পৰ্কত পাৱাৰ পইন্ট প্ৰেজেনটেশ্বনৰ জৰিয়তে জনায়। আয়ুক্ত গৰাকীয়ে জিলাখনত পৰ্যাপ্ত পৰিমাণৰ খাদ্য জমা আছে আৰু খাদ্যৰ নাটনি নহয় বুলি কয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত পাপৰি দাস সহকাৰী আয়ুক্ত স্মৃতাশ্ৰী বৰুৱা, সাংস্কৃতিক বিষয়া, শিল্পীসকল আৰু সাংবাদিকসকল উপস্থিত থাকে।

# গৌৰীসাগৰ উন্নয়ণ খণ্ডত "মহিলা উদ্যমিতা আঁচনি"ৰ পৰা নাম কৰ্তন মহিলা উদ্যোগীৰঃ জিলা আয়ুক্তক স্মাৰকপত্ৰ

**অসম বাৰ্তা, জাঁজী, ১১ জুন ঃ** মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিখনৰ জৰিয়তে ৰাজ্য চৰকাৰে মহিলা সকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰাৰ সময়তে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ উন্নয়ণ খণ্ডৰ এলেকাৰ একাংশ মহিলাৰ নাম এই আঁচনিৰ পৰা কৰ্তন কৰাৰ অভিযোগ উঠিছে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে এই আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ আত্মসহায়ক গোটৰ ৩৯ লাখ মহিলাক ঋণ হিচাপে ৩৫ হাজাৰ টকা আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ আঁচনি হাতত লৈছে। চৰকাৰৰ এই আঁচনিৰ বাবে সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ উন্নয়ণ খণ্ড এলেকাৰ বিভিন্ন আত্মসহায়ক গোটৰ মহিলা সকলেও আবেদন কৰিছিল। কিন্তু শেহতীয়াকৈ এইগোট সমূহৰ মাজৰে কেইটামান গোটৰ কেইগৰাকীমান মহিলা সদস্যাৰ নাম কৰ্তন কৰাৰ অভিযোগ উঠিছে। প্ৰাপ্ত অভিযোগ অনুসৰি গৌৰীসাগৰ উন্নয়ণ খণ্ডৰ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ প্ৰকল্প বিষয়া গৰাকীয়ে কেইবাটাও মহিলা গোটৰ মহিলা উদ্যমীৰ নাম উদ্যমিতা আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা কৰ্তন কৰে। আৰ্থিকভাৱে সচ্ছল পৰিয়ালৰ সদস্য হোৱাৰ বাবে এইসকল মহিলাৰ নাম কৰ্তন কৰা বুলি প্ৰকল্প বিষয়া গৰাকীয়ে প্ৰকাশ কৰিলেও অধিক সংখ্যক এনে আৰ্থিকভাৱে সচ্ছল পৰিয়ালৰ সদস্যৰ নাম এতিয়াও তালিকাত অন্তৰ্ভুক্ত হৈ থকাৰ অভিযোগ উঠিছে। এই আঁচনিৰ পৰা নাম কৰ্তন হোৱা কেইগৰাকীমান মহিলাই যোৱা ৯ জুনত শিৱসাগৰ জিলা আয়ুক্ত আৰু গৌৰীসাগৰ উন্নয়ণ খণ্ডৰ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ প্ৰকল্প বিষয়া গৰাকীক পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰি বিষয়টো দৃষ্টিগোচৰ কৰে। পত্ৰখনত আৰ্থিকভাৱে আগবঢ়া পৰিয়ালৰ মহিলা সদস্যাৰ নাম উদ্যমিতা আঁচনিৰ পৰা কৰ্তন কৰাৰ প্ৰসঙ্গ উত্থাপন কৰি আৰ্থিক ভাৱে আগবঢ়া সকলো মহিলাৰে নাম কৰ্তন নোহোৱাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই নীতি সকলোৰে বাবে প্ৰযোজ্য নহয় নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। অভিযোগকাৰী সকলে তেওঁলোকৰ স্বামী চাকৰিয়াল হোৱাৰ বাবেই উদ্যমিতা আঁচনিৰ পৰা নাম কৰ্তন কৰা বুলি দাবী কৰি উচ্চ পদস্থ চৰকাৰী চাকৰিয়াল, পেঞ্চনাৰৰ পত্নীয়ে কেনেদৰে আঁচনিৰ হিতাধিকাৰীৰ তালিকাত নাম অন্তৰ্ভুক্ত হৈছে বুলি প্ৰশ্ন কৰে। আনহাতে নাম কৰ্তন হোৱা মহিলা সকলে প্ৰকল্প বিষয়া গৰাকীয়ে এই বিষয়ে প্ৰশ্ন কৰাত ওপৰৰ পৰা নাম কটা হৈছে বুলিহে দায় সৰা মন্তব্য দিয়াৰ অভিযোগ তুলিছে ভূক্তভোগী মহিলা সকলে। আনহাতে বিষয়টো সন্দৰ্ভত এইসকল মহিলাই অসমৰ মুখ্যমন্ত্ৰীলৈও পত্ৰ প্ৰেৰণ কৰিব বুলি প্ৰকাশ কৰিছে।

# ছাত্ৰ সংহতি দিৱস পালন দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, মিৰ্জা, ১১ জুন ঃ** অৰ্থনৈতিক শোষণ আৰু কৃত্ৰিম অনাটনৰ বিৰুদ্ধে অসমৰ ছাত্ৰসমাজৰ ঐক্যবদ্ধ চেতনাত ১৯৭৪ চনত খাদ্য আন্দোলনৰ পটভূমি সৃষ্টি হৈছিল। সমগ্ৰ আন্দোলনটোক ধ্বংস কৰিবলৈ চৰকাৰৰ দমন নীতিৰ ফলস্বৰূপে ১৯৭৪ৰ আজিৰ দিনটোতে মৰিগাঁও জিলাৰ ভূৰবন্ধা অঞ্চলৰ গজেন ইংতি আৰু পুতুল শইকীয়াই শ্বহীদ বৰণ কৰিছিল।অসমৰ জাতীয় জীৱনক উদ্বুদ্ধ কৰি অহা এই মহান শ্বহীদ দুগৰাকীক আজিৰ দিনটোত শ্ৰদ্ধাৰে স্মৰণ কৰা হয় ৰাজ্যৰ বিভিন্ন প্ৰান্তত।একেদৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থায়ো ছাত্ৰ সংহতি দিৱসটি দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুলত অনুষ্ঠিত কৰা পৰিলক্ষিত হয়।উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। শ্বহীদ তৰ্পন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰাহুল আলীয়ে ।শ্বহীদ পুতুল শইকীয়া আৰু গজেন ইংতিৰ প্ৰতিচ্ছবিত মাল্যৰ্পন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ভবেন মহন্তই।এই দিৱসৰ লগত সংগতি ৰাখি দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুলৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।শেষত দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসৰ সভাপতিত্বত বঁটা বিটৰণী সভা অনুষ্ঠিত কৰি বঁটা প্ৰাপক ছাত্ৰ-ছাত্ৰী সকলক বঁটা প্ৰদান কৰা হয়। উক্ত সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক মিলন চৌধুৰীয়েও অংশ গ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি সন্ধিয়াৰ ভাগত মিৰ্জা শ্বহীদ ভৱনত বন্তি প্ৰজ্জ্বলন কৰা হয় বুলি দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে জানিব দিয়ে।

# চৰকাৰী আঁচনিত নাম কৰ্তনক লৈ ক্ষোভ

## গৌৰীসাগৰত 'মহিলা উদ্যমিতা আঁচনি'ত বৈষম্যৰ অভিযোগ, বৈষম্যতা ৰোধৰ বাবে স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ১১ জুন ঃ** ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ "মহিলা উদ্যমিতা আঁচনি"ৰ জৰিয়তে মহিলাক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লক্ষ্য লৈ ৩৯ লাখ আত্মসহায়ক গোটৰ সদস্যাক ৩৫ হাজাৰ টকা দিয়াৰ ব্যৱস্থা হাতত লোৱাৰ সময়তে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ উন্নয়ন খণ্ডৰ কেইবাগৰাকী মহিলা সদস্যাৰ নাম আঁচনিৰ পৰা কৰ্তন কৰাৰ অভিযোগ উত্থাপিত হৈছে। গৌৰীসাগৰৰ কেইবাটাও আত্মসহায়ক গোটৰ মহিলাই দাবী কৰিছে যে, তেওঁলোকৰ নাম অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ প্ৰকল্প বিষয়া গৰাকীয়ে উদ্যমিতা আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা কৰ্তন কৰিছে। বিষয়া গৰাকীয়ে আৰ্থিকভাৱে আগবঢ়া পৰিয়ালৰ সদস্যা হোৱাৰ বাবে এই নাম কৰ্তন কৰা হৈছে বুলি দিয়া যুক্তি নাম বাদ পৰা মহিলা সকলে মানি লবলৈ অমান্তি হৈছে। সেই বিষয়ত অভিযোগকাৰী মহিলাসকলে প্ৰশ্ন তুলিছে, যদি তেনে কাৰনত নাম কাটিবঞ্জই লাগে, তেন্তে চৰকাৰী চাকৰিত থকা, পেঞ্চন ভোগ কৰা আৰু আৰ্থিকভাৱে অধিক সক্ষম মহিলাসকলৰ নাম আঁচনিৰ তালিকাত থকাৰ যুক্তি কি? এই সন্দৰ্ভত ৯ জুন তাৰিখে নাম কৰ্তন হোৱা কেইগৰাকীও মহিলাই শিৱসাগৰ জিলা আয়ুক্ত আৰু গৌৰীসাগৰ উন্নয়ন খণ্ডৰ আৰএছজীএলএ প্ৰকল্প বিষয়াক পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰি এই বিষয়টো গম্ভীৰভাৱে বিবেচনা কৰিবলৈ অনুৰোধ জনায়। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, যদি আৰ্থিকভাৱে সক্ষমতা হোৱাৰ বাবে নাম কটা হয়, তেনেহলে সেই নীতি সকলোৰে বাবে সমানভাৱে প্ৰযোজ্য হ'ব লাগিব। উল্লেখ্য যে, নাম কৰ্তন সন্দৰ্ভত প্ৰকল্প বিষয়া গৰাকীয়ে 'ওপৰৰ পৰা নিৰ্দেশ' বুলি দায়হৰা মন্তব্য দিয়াৰো অভিযোগ তুলিছে ভূক্তভোগীসকলে। অসন্তুষ্ট মহিলাসকলে আঁচনি প্ৰয়োগত বৈষম্য বন্ধ কৰি ন্যায় সংগত ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰলৈও পত্ৰ প্ৰেৰণ কৰিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# শিক্ষাবিদ ড° তোলেন্দ্ৰনাথ হাজৰিকাৰ নৱতম গ্ৰন্থ ' কিছুমান অভিজ্ঞতাৰ বৈজ্ঞানিক ব্যাখ্যা ' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ জুন ঃ** বিশিষ্ট শিক্ষাবিদ, দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বৰ্তমান ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰেক্টৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ড০ তোলেন্দ্ৰনাথ হাজৰিকাৰ নৱতম গ্ৰন্থখন কালি উন্মোচন কৰা হয়। ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰাংগণত অনুষ্ঠিত কৰা উন্মোচনী অনুষ্ঠানত ৰেক্টৰ ড০ তোলেন্দ্ৰনাথ হাজৰিকাৰ দ্বাৰা ৰচিত ' কিছুমান অভিজ্ঞতাৰ বৈজ্ঞানিক ব্যাখ্যা ' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অনুষ্ঠানত ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ প্ৰিয়ংকা শইকীয়া দাস, উপাধ্যক্ষ লক্ষজিৎ দুৱৰা, হাতীয়েখোৱা হাইস্কুলৰ প্ৰাক্তন অধ্যক্ষ ৰাতুল শইকীয়া, দেৱৰঞ্জন শৰ্মা, তাপস বৰা, জয়া হাজৰিকা, এছ এন ডেকা, প্ৰফুল্ল দত্ত, জ্যোতিমণি গগৈ আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষা প্ৰিয়ংকা শইকীয়া দাসে। উপাধ্যক্ষ লক্ষ্যজিৎ দুৱৰাই গ্ৰন্থখনৰ লেখক ড০ তোলেন্দ্ৰনাথ হাজৰিকাৰ কৰ্মজীৱন আৰু অৱদানৰ বিষয়ে আলোকপাত কৰে। লেখক ড০ হাজৰিকাই তেখেতৰ নৱতম গ্ৰন্থ সন্দৰ্ভত কয় যে দৈনন্দিন জীৱনত ঘটি থকা ঘটনা কিছুমানৰ বৈজ্ঞানিক বিশ্লেষণ এইগ্ৰন্থখনৰ মূল বিষয়বস্তু যি উঠি অহা প্ৰজন্মক যথেষ্ট সহায় কৰিব পাৰিব আৰু গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত তেখেতক সহযোগিতা আগবঢ়োৱা জ্যোতিমণি গগৈক ধন্যবাদ জ্ঞাপন কৰে। ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক দীপক কুমাৰ গগৈয়ে ড° তোলেন্দ্ৰনাথ হাজৰিকাক অভিনন্দন জনোৱাৰ লগতে এই গ্ৰন্থখন পাঠক সমাজে আদৰি ল'ব বুলি আশা ব্যক্ত কৰে।

সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ সাধাৰণ সভা সম্পন্ন

# সাধাৰণ সম্পাদক নিৰ্বাচিত ডিব্ৰুগড়ৰ দীপজয় শইকীয়া

**ডিব্ৰুগড়, ১১ জুন ঃ** দুদিনীয়া কাৰ্যসূচীৰে ৭ আৰু ৮ জুনত লখিমপুৰ জিলাৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সমাধীক্ষেত্ৰৰ নাহৰঞ্জআটি থানত অনুষ্ঠিত হোৱা সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সাধাৰণ সভাত ডিব্ৰুগড় জিলাৰ পৰা প্ৰতিনিধিত্ব কৰা মটক জনগোষ্ঠীৰ এগৰাকী সু-সন্তান, যুৱ নেতা, একালৰ ছাত্ৰ নেতা, সাংবাদিক, দ্বীপজয় শইকীয়াক কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰে। সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেৱত চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মায়ামৰা সমাজৰ উত্তৰণৰ দিশসমূহ পুংখানুপুংখ আলোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক হেমন্ত গোঁহাই, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি চিলন্ত লাহন, উপ- সভাপতি থানুৰাম ফুকন, সাধাৰণ সম্পাদক ভৱেন চেতিয়াকে ধৰি অসমৰ ১০ খন জিলাৰ মায়ামৰা সমাজৰ প্ৰায় শতাধিক ভক্ত প্ৰাণ ৰাইজে অনুষ্ঠানত অংশ গ্ৰহণ কৰে।উল্লেখযোগ্য যে ডিব্ৰুগড়ৰ লাহোৱাল বকুল মাজগাঁৰ নিবাসী তথা মটক স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদ, একালৰ শিক্ষক, ২০ বছৰীয়া সাংবাদিকতাৰ অভিজ্ঞপুষ্ট, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ দুটা কাৰ্যকালৰ সাংস্কৃতিক সম্পাদক, প্ৰাক্তন আছু সতীৰ্থ সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি, লাহোৱাল ক্ৰীড়া সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, ডিব্ৰুগড় নৱজাগৃতি যুৱক সংঘৰ প্ৰাক্তন সভাপতি দ্বীপজয় শইকীয়া সম্পাদক নিৰ্বাচিত হোৱাত অঞ্চলটোৰ লগতে সতীৰ্থ বন্ধু বান্ধৱ সকলে আনন্দ প্ৰকাশ কৰে।

# উদ্ভিদ বিজ্ঞানত ঋতিকা দাসৰ শীৰ্ষস্থান

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক দীক্ষান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰীৰ সফলতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰদ্বাৰা সদ্য ঘোষিত বিজ্ঞান শাখাৰ স্নাতক দীক্ষান্ত পৰীক্ষাত উজনি অসমৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰীসকলে ভাল ফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৮৩.৭৮ শতাংশ। মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান, উদ্ভিদবিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ সকলো ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰিছে। ইয়াৰ ভিতৰত বহু ছাত্ৰীয়ে আউটষ্টেণ্ডিং অথবা 'এ-পছ গ্ৰেড' লাভ কৰিবলৈ সক্ষম হৈছে। উদ্ভিদবিজ্ঞান বিষয়ত ঋতিকা দাসে ৯.২১ চিজিপিএ লাভ কৰি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছে। একেদৰে প্ৰাণীবিজ্ঞান বিষয়ত গৰিমা গগৈয়ে সপ্তম স্থান লাভ কৰিছে। শিক্ষানুষ্ঠানখনিৰ এই ধাৰাবাহিক সফলতাত তথা ছাত্ৰী সকলৰ কৃতিত্বত মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অনুষ্ঠানটিৰে জড়িত সকলো ব্যক্তি আৰু জিলাখনৰ শিক্ষানুৰাগী ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# আন্তঃৰাষ্ট্ৰীয় জুডো চেম্পিয়নশ্বিপলৈ নিৰ্বাচিত তিনিচুকীয়াৰ প্ৰথমগৰাকী কন্যা

## ৩য় এছিয়ান যুৱ খেল জুডো চেম্পিয়নশ্বিপত খেলিব বাঘজানৰ ভৱানি মৰাণে

**অসম বাৰ্তা, সংবাদদাতা, বাঘজান, ১১ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত ভাৰতৰ অসমক প্ৰতিনিধিত্ব কৰিবলৈ নিৰ্বাচিত হৈছে তিনিচুকীয়া জিলাৰ বাঘজান গাঁৱৰ খগেন মৰাণৰ কন্যা ভৱানি মৰাণ। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ছাব জুনিয়ৰ শাখাত তিনিচুকীয়া জিলাৰ প্ৰথমগৰাকী খেলুৱৈ ভৱানি মৰাণ। আগন্তুক ২২-৩১ অক্টোবৰত বাহৰেইনত অনুষ্ঠিত হ'বলগীয়া তৃতীয় এছিয়ান যুৱ খেল জুডো চেম্পিয়নশ্বিপত মাইনাছ ৫৭ শাখাত খেলিব ভৱানি মৰাণে। উল্লেখ্য যে কেৰেলা, গোপাল, শ্বিলং আদি বিভিন্ন স্থানত জুডো খেলৰ জৰিয়তে সফলতা লাভ কৰি শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ পুনেত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ জুডো খেলত প্ৰথমবাৰৰ বাবে ৫৭ শাখাত অংশগ্ৰহণ কৰি স্বৰ্ণ পদক লাভ কৰি ৰাজ্যবাসীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল ভৱানিয়ে।



আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰথমবাৰৰ বাবে খেলিবলৈ সুবিধা লাভ কৰা ভৱানি মৰাণক অসম জুডো সন্থা, তিনিচুকীয়া জিলা জুডো সন্থাৰ লগতে বাঘজান স্পৰ্টছ ক্লাব, বাঘজান মিলনজ্যোতি যুৱ সংঘই শুভেচ্ছা জ্ঞাপন কৰিছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সোণৰ পদকেৰে জিলিকিব বুলি আশা প্ৰকাশ কৰিছে।

পুৰণিগুদামৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ নলা আৰু পদপথ খহি দুৰ্ঘটনাৰ আশংকা

# পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত পদপথ খহি বৃহৎ গাঁত

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ এটা নলাই বৰ্তমান জ্বলা-কলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক। ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্তলৈ উন্নীতকৰণ কৰাৰ সমান্তৰালকৈ পথৰ কাষে-কাষে নিৰ্মাণ কৰা হৈছিল নলা তথা নলাৰ ওপৰত পদপথ সমূহ। নগাঁৱৰ উৰিয়াগাঁৱৰ পৰা পুৰণিগুদাম তেলিয়াগাঁও পৰ্যন্ত নিবিদা লাভ কৰিছিল পি আৰ এল নামৰ কোম্পানীটোৱে।কিন্তু অতি নিম্ন মানদণ্ডৰ নলা তথা পদপথ সমূহ নিৰ্মাণ কৰাৰ ফলত এতিয়া জীয়াতু ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজ। নলা সমূহত অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলত বিভিন্ন অঞ্চলত থকা নলা সমূহ ভাঙি পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু পুৰণিগুদাম ডঃ ভবেন্দ্ৰ নাথ শইকীয়া প্ৰেক্ষাগৃহৰ সন্মুখৰ নলা তথা পদপথটি ভাঙি পৰাৰ ফলত বৃহৎ গাঁত হোৱা পৰিলক্ষিত হৈছে। পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু প্ৰেক্ষাগৃহটিৰ সন্মুখৰ নলা ভাঙি পৰাৰ ফলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে প্ৰেক্ষাগৃহটিত বিভিন্ন অনুষ্ঠান পতাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। প্ৰায় দুবছৰৰ আগতেই ভাঙি যোৱা নলাটো পুনৰ নিৰ্মাণ কৰি দিবলৈ বিভিন্নজনে নিবিদা লাভ কৰা পি আৰ এল কোম্পানীক আৰু এন এইছ আই দি চি এল (NHIDCL)ক অনুৰোধ জনাই আহিছে যদিও কোনো গুৰুত্ব দিয়া নাই কৰ্তৃপক্ষই। ফলত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে অনুষ্ঠান দুটিৰ লগতে সৰ্বসাধাৰণ ৰাইজ। বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল অহা-যোৱাৰ ক্ষেত্ৰত এক বিপদাপন্ন পৰিৱেশৰ সৃষ্টি হৈছে বিদ্যালয়ৰ সন্মুখত। অতি সোনকালে নলাটো মেৰামতি কৰি দিবলৈ আহ্বান স্থানীয় লোক তথা বিভিন্ন সংগঠনে



বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।আনহাতে, পুৰণিগুদাম ডঃ ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহটিত বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানে সামাজিক- সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে।কিন্তু বৰ্তমান নলা তথা পদপথটিৰ ফলত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ।উল্লেখ্য যে, পুৰণিগুদাম ডঃ ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহটিৰ লগত জড়িত কেইবাটাও অনুষ্ঠান ক্ৰমে অসম নাট্য সন্মিলন পুৰণিগুদাম শাখা, অবিনশ্বৰ গোষ্ঠী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ,পুৰণিগুদাম শাখা, নৱসৃষ্টি, ঐকান্তিক, অংগাভিনয় অসম, ৰুদ্ৰ বৰুৱা সংগীত একাডেমী, নাট্যম, প্ৰজাঘৰ-নাটঘৰ আদি কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে অতি সোনকালে নলাটো মেৰামতি কৰিবলৈ বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।

# গোলাঘাটত দুষ্প্ৰাপ্য শগুণ উদ্ধাৰ বন বিভাগৰ

## উন্নত চিকিৎসাৰ বাবে পানবাৰীস্থিত বন্যপ্ৰাণী পুনৰ সংস্থাপন কেন্দ্ৰলৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১১ জুন ঃ** গোলাঘাট জিলা বন বিভাগে আজি উদ্ধাৰ কৰে এটা বিলুপ্তপ্ৰায় শগুন । প্ৰকৃতিৰ চাফাই কৰ্মী হিচাপে পৰিচিত শগুন দুৰ্লভ হৈ পৰিছে। পূৰ্বতে বিভিন্ন ঠাইত সহজভাৱে দেখি থকা শগুনৰ বিলুপ্তিৰ সময়তে গোলাঘাট আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বন বিষয়া আইহোম শ্যামে উদ্ধাৰ কৰে এটা বিলুপ্তপ্ৰায় তথা দুষ্প্ৰাপ্য প্ৰজাতিৰ শগুন। গোলাঘাট নগৰৰ পৌৰসভাৰ ডাম্পিং গ্ৰাউণ্ডত আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰে শগুনটো । বৰ্তমান গোলাঘাট আঞ্চলিক বন বিষয়াৰ কাৰ্যালয় প্ৰাৰ্থমিক চিকিৎসা প্ৰদান কৰা কৰি পানবাৰী জীৱ-জন্তু পুনৰ সংস্থাপন কেন্দ্ৰক খবৰ দিয়া হৈছে বুলি জানিবলৈ দিয়ে বন বিষয়া আইহোম শ্যামে। শগুনটো সুস্থ অৱস্থাত আছে কিন্তু বেছি দুৰ উৰিব পৰা নাই । বৰ্তমান শগুন প্ৰায় নাইকীয়া হৈ গৈছে কিছু কিছু ঠাইত আছে যদিও প্ৰায় দুষ্প্ৰাপ্য হৈ পৰিছে। এইটো পাতি শগুন বুলি কোৱা হয় আগতে এই অঞ্চলত পোৱা গৈছিল কিন্তু বৰ্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দেখা পোৱা যায় এইবিধ শগুন । দুষ্প্ৰাপ্য শগুন উদ্ধাৰ কৰিবলৈ পোৱাত আনন্দিত হৈ পৰে বনকৰ্মীসকল।

অসম বাৰ্তা গোষ্ঠীৰ হৈ স্বত্বাধিকাৰ তনয় বৰাৰ দ্বাৰা গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ■ বিজ্ঞাপন বিভাগ ঃ e-mail: info@asombarta.in
■ ভ্ৰাম্যভাষঃ +৯১-৭০৯৯৪৩৫৪৬২(ম) ■ বিজ্ঞাপন বিভাগ ঃ +৯১-৮৬৩৮১৬২৫০৪ ■ যোৰহাট কাৰ্যালয় ঃ তৰাজান, যোৰহাট, ৭৮৫০১০, (যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব)